# অসম বিধান সভা অধিৱেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

**কাৰ্যবিৰৰণী**

**তাৰিখ ঃ ০৮/০২/২০১৮ বৃহস্পতিবাৰ**

---

**আজি ইং ০৮-০২-২০১৭ তাৰিখে পুৱা ৯.৩০ বজাত অসম বিধান সভা সদনৰ কাৰ্য্যসূচী আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ Question no. 21, Shri Aminul Islam.**

**প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী বন বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ বিষয় বস্তু যিটো আছিলে গঁড় হত্যাটো, সেইটো অসমৰ প্ৰতি স্পৰ্ষকাতৰ বিষয় এটা আৰু অসম বাসীৰ আবেগ অনুভুতি ইয়াৰ লগত জড়িত হৈ আছে। ইতিমধ্যে ভাৰতবৰ্ষৰ ১০ টা **Iconic place** ৰ ভিতৰত কাজিৰঙা এটা অন্তৰ্ভুক্ত হৈছে। এইটো আমাৰ কাৰণে সৌভাগ্যৰ কথা। কিন্তু গড় হত্যাৰ যিটো তথ্য আমি পালো যে, ২০১৫ চনত মুঠ ২১ টা, ২০১৬ চনত মুঠ ২২ টা, ২০১৭ চনত মুঠ ৯ টা হৈছিলে, অলপ কমিছে এইটো আমাৰ কাৰণে সৌভাগ্যৰ কথা। কিন্তু দেখা গ'ল যে কিছুমান উগ্ৰপন্থী সংগঠন, আনকি বহু ৰাজ্যৰ পৰা, চুবুৰীয়া ৰাজ্যৰ কিছুমান সংগঠনেও আহি ইয়াত গড় হত্যা কৰে। বিভিন্ন সময়ত তথ্য বিলাক পাইছো। ইয়াতে সেইবিলাকে পৰিকল্পিত ভাৱে যে একাংশ অবৈধ বিদেশীয়ে কৰি আছে এনেকৈ **attention** তো **divert** কৰাৰ চেষ্টা কৰিছে। গতিকে এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিলে বহিঃৰাজ্যৰ যিবিলাক সংগঠন জড়িত আছে, সেইবিলাকৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ হস্তক্ষেপ বিচাৰি সেই উগ্ৰপন্থি সংগঠন বিলাকৰ বিৰুদ্ধে এটা **special initiative** লব নেকি? নহলে এই উগ্ৰপন্থি সংগঠন বিলাকে অবৈধ বিদেশীবিলাকৰ দোহাই দি ইয়াত গড় হত্যা কৰি আছে। এই ক্ষেত্ৰত কিবা কৰিব নেকি বা কিবা কৰাৰ ব্যৱস্থা আছে নেকি?

**শ্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী বন বিভাগ ঃ**মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ডাঙৰীয়া যেনেকৈ তেখেতে সন্দেহ কৰিছে, কথাটো কিন্তু তেনেকুৱা ধৰণৰ আমাৰ প্ৰমাণ হোৱা নাই। আমাৰ বিভাগৰ তথ্য মতে আমাৰ যিবিলাক স্থানীয় কিছু সংগঠন আছে, তেওঁলোকৰ ফালৰ পৰা অলপ **involvement** থকা দেখা যায়। কিন্তু যিসকল চোৰাং চিকাৰীক ধৰা হৈছে, যিবিলাক হত্যাৰ লগত জড়িত, তেওঁলোকৰ **statement** ৰ পৰা আমি **directly** কোনো উগ্ৰপন্থি সংগঠন জৰিত থকা প্ৰমাণ পোৱা নাই। সেই কাৰণে আপুনি যিটো পৰামৰ্শ দিছে সেইটো ভাল। যদি তেনেকুৱা ধৰণৰ প্ৰমাণ পাওঁ, তেতিয়া হ'লে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত বিষয়টো আলোচনা কৰি সেইটো ব্যৱস্থা কৰা যাব।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাক যিখন লিষ্ট দিয়া হৈছে, এতিয়ালৈকে চোৰাং চিকাৰী যি সকলক কৰায়ত্ত কৰা হৈছে, মই জানিব বিচাৰিছো যে তাৰ ভিতৰত তদন্ত প্ৰক্ৰিয়াত, বা আদলতত যিসকল দোষী সাব্যস্ত কৰা হৈছে, তাৰ ভিতৰত কেইজনক কি শাস্তি দিয়া হৈছে। কিন্তু এতিয়ালৈকে এজনকো দোষী সাব্যস্ত কৰি, এজনৰো শাস্তি এতিয়ালৈকে চুড়ান্ত হোৱা নাই নেকি? বা ন'হল কিয়? ন'হলে কিন্তু তদন্তটো লেহেমীয়া হোৱাৰ নিচিনা।

**প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী বন বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ডাঙৰীয়াই যেনেকৈ কৈছে তেনেকুৱা ধৰণৰ হোৱা নাই। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত যি চৰকাৰ আহিছে, তাৰ পিছত চোৰাং চিকাৰীৰ ওপৰত সক্ৰীয়ভাৱে **action** লোৱাৰ কাৰণে তেখেতৰ **initiative** ত আমি **First track court** আমি স্থাপন কৰিছো আৰু সেই **First track court** বিচাৰধীন হৈ চোৰাং চিকাৰী বিলাকক আমি **convict** কৰিছো। তাৰে ভিতৰত ৮ জন চোৰাং চিকাৰীক জেলত পঠিয়াই দিয়া হৈছে। ৮ জনক ৭ বছৰলৈকে কাৰাদণ্ড হোৱাৰ প্ৰমাণ আছে।

**মাননীয় অধ্যক্ষ ঃ**এতিয়া সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম গুৱাহাটীঃ** মাননীয় অধ্যক্ষ মহোদয়, অৱশ্যেই আমাৰ গড় হত্যা যথেষ্ট পৰিমাণে হ্ৰাস পাইছে। কিন্তু কথাটো হৈছে যে, মই জানিব পৰা মতে আমাৰ যিবিলাক চোৰাং চিকাৰী, তেখেতসকলৰ লগত ফেৰ মাৰিব পৰাকৈ বনকৰ্মী সকলক যি অস্ত্ৰ-শস্ত্ৰ দিব লাগে, সেইক্ষেত্ৰত তেনেধৰণৰ আধুনিক অস্ত্ৰ-শস্ত্ৰ দিয়া হৈছে নে নাই আৰু দ্বিতীয়তে যিটো কথা কোৱা হৈছে **Wild Life Protection Act, 1972** ৰ মতে আমাৰ যিবিলাক চোৰাং চিকাৰী আছে, তেখেতসকলক ব্যৱস্থা লোৱা হৈছে বুলি কয়, সেই ব্যৱস্থা কি অৱস্থাত আছে। মই জনামতে এই আইন মতে চোৰাং চিকাৰীৰ যিটো ব্যৱস্থা লব লাগে সেইটো কঠোৰ নহয়। গতিকে এই আইন খন **Amendment** কৰাৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

**প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী বন বিভাগ ঃ**মাননীয় অধ্যক্ষ মহোদয়, এই আইন মতে আমাৰ বিভাগতে কঠোৰ ভাৱে **action** লোৱাৰ ব্যৱস্থা আছে। **charge-sheet directly** দিয়াৰ ব্যৱস্থা আছে। আগত **charge-sheet directly** দিয়াৰ ব্যৱস্থা থকাৰ স্বত্বেও তেনেকুৱা ধৰণৰ কৰা নাছিল। কিন্তু আমাৰ চৰকাৰ অহাৰ পিছত সেই ব্যৱস্থাটো লোৱা হৈছে, সেইকাৰণে আমি চোৰাং চিকাৰী বিলাকক জেলত পঠিয়াব পাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্ন ২২, শ্ৰী নজৰুল হক। তেখেত সদনত উপস্থিত নাই। এতিয়া পিছৰ প্ৰশ্ন ২৩, শ্ৰী ওয়াজেদ আলি চৌধুৰী।

**শ্ৰী কেশৱ মহন্ত, জলসম্পদ বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ওয়াজেদ আলি চৌধুৰী, দক্ষিণ শালমাৰাঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা বছৰ **SDRF** ৰ **under** ৬.৪৮ লাখ টকা ফকিৰগঞ্জ - **area protection** ৰ কাৰণে আমাৰ যিটো **Bun - cum - Rotatory Station** ৰ কাৰণে দিয়া হৈছে। এই কামখিনিত যথেষ্ট সময় আছিল, কিন্তু সময় মতে কামখিনি সম্পূৰ্ণ কৰিব নোৱাৰিলে। যাৰ ফলত যোৱা বানপানীত কেইবাখনো গাওঁ বানপানী, গড়াখহনীয়াত গুছি গ'ল। মই বিষয়াসকলক কেইবাৰো অনুৰোধ কৰিছিলো যে আপোনালোকৰ এই **scheme** টো **sanction** কৰা আছে। কিন্তু কাম কিয় কৰা নাই। তেখেত সকলৰ উত্তৰ আছিল যে এইটো আমাৰ ওপৰৰ পৰা মানা কৰা আছে যে বানপানীৰ সময়ত কামটো কৰিব নালাগে। যোৱা বাৰ বিধান সভাত এই প্ৰশ্নটো বাৰে বাৰে কৰাৰ পিছত দুটা **scheme sanction** কৰাৰ কথা আছিল। এটা **sanction** দিলে। কিন্তু সেইটোৰ কিছু এৰিয়াত কামো হৈছে। কিন্তু কিছু এৰিয়াত যোৱা বানপানীৰ সময়ত কাম নকৰাৰ ফলত কেইবাখনো গাওঁ গুছি গ'ল। গতিকে এতিয়া আমি উত্তৰত পাইছো যে শতকৰা ৯৯ শতাংশ কাম সম্পূৰ্ণ হৈছে। কাম সম্পূৰ্ণ হোৱা নাই, এইটো **Porcupine stock** কৰা বুলি **Executive Engineer** ৰে জনাইছে। কামটো ফেব্ৰুৱাৰীৰ ভিতৰত শেষ কৰিম বুলি কৈছে। আশা কৰো এই কামটো ফেব্ৰুৱাৰী মাহতে

সম্পূৰ্ণ হৈ যাব।

অধ্যক্ষ মহোদয় যোৰাবাৰ বিধান সভাত মই এইটো প্ৰশ্ন বাৰে বাৰে কৰাৰ পিছত দুটা আঁচনি অনুমোদন দিয়াৰ কথা আছিল যদিও এটা আঁচনি অনুমোদন দিয়া হ'ল আৰু অনুমোদিত আঁচনিটোৰ কিছু ঠাইত কাম হৈছে আৰু কিছু ঠাইত যোৰা বানপানীৰ বাবে কাম নকৰাৰ ফলত কিছুমান গাওঁ ক্ষতিগ্ৰস্ত হৈছে। এতিয়া মন্ত্ৰী মহোদয়ে উত্তৰ দিছে যে ৯০ শতাংশ কাম হৈ গৈছে। কিন্তু কাম শেষ হোৱা নাই। পাৰকুপাইন ষ্টক কৰা বুলি মোক কাৰ্য্যবাহী অভিযন্তাই জনাইছে। তেখেতসকলে পাৰকুপাইনখিনি জমা কৰিছে এতিয়া তেখেতসকলে কাম কৰিব। অভিযন্তা গৰাকীয়ে কামটো ফেব্ৰুৱাৰী মাহৰ ভিতৰত শেষ কৰিব বুলি কৈছে, বৰ্ত্তমান ফেব্ৰুৱাৰী মাহ চলি আছে, আমি আশাকৰো ফেব্ৰুৱাৰী মাহতে এই কামখিনি শেষ হ'ব। মই ধৰি লৈছো যে ফেব্ৰুৱাৰী মাহৰ ভিতৰত কাম শেষ হ'লে এটা অঞ্চল বাচি যাব। দ্বিতীয় প্ৰশ্নটো হৈছে, যোৰা বিধান সভাত আমাৰ মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰীৰ হৈ মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে সদনক আস্বাশ দিছিল যে পাটাকাটা অঞ্চল সংৰক্ষণৰ বাবে এছ.ডি.আৰ.এফৰ এটা আঁচনি অনুমোদন দিব আৰু অধ্যক্ষ মহোদয়ে, এই সম্পৰ্কত মোৰ পৰা আঁচনিটো লিখিত ভাবেও লৈছিল। কিন্তু কি হ'ল মই নাজানো আঁচনিটো অনুমোদন দিয়া নহ'ল। আজিৰ সদনত আমাৰ মাননীয় মুখ্যমন্ত্ৰী উপস্থিত আছে, তেখেতে আমাৰ মানকাছাৰৰ ৰাজহুৱা সভাত মানকাছৰলৈ এটা ৰাস্তা ৰাজ্যিক ঘাইপথ নিৰ্মাণৰ কথা কৈছিল অসমৰ মাজেৰে কাৰণ তেখেতে মানকাছাৰলৈ মেঘালয়ৰ তুৰা হৈ গৈছিল। বৰ্তমান হয়তো সেই পথটোৰ কথাটো চৰকাৰৰ বিবেচনাত আছে। অধ্যক্ষ মহোদয়, এই সম্পৰ্কত মই কওঁ যে যদি পাটাকাটা সংৰক্ষণৰ ব্যৱস্থা কৰা নহয় তেতিয়া হ'লে সেই ৰাস্তাটো নিমাৰ্ণ কৰি লাভ নহ'ব। গতিকে পাটাকাটা সংৰক্ষণৰ বিষয়টো জৰুৰী, সেয়ে পাটাকাটা সংৰক্ষণৰ আঁচনিটো এই বিত্তীয় বৰ্ষত লোৱা হ'ব নে নাই? এই কথা মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে লিখিতভাৱে যিটো প্ৰথম প্ৰশ্ন কৰিছিলে তাৰ উত্তৰ সম্পৰ্কত তেখেতে কৈছে যে যোৰাবাৰ কিয় কাম কৰিবলৈ বন্ধ কৰা হ'ল। এই সম্পৰ্কত মই সদনত অৱগত কৰিব বিচাৰো যে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আমাক নিৰ্দেশ দিছিল যে বানপানীৰ সময়ত কাম কৰি সেই কামটো উটোৱাই দিব নালাগে। গতিকে যোৰাবাৰ যথেষ্ট ক্ষীপ্ৰতাৰে আমি মে মাহলৈকে কাম কৰিছো আৰু মে মাহৰ পিছত সমগ্ৰ অসমত আমি কাম কৰা বন্ধ কৰি দিছিলো। যেতিয়া অক্টোবৰ মাহ পৰাৰ পিছত আঁচনিটোৰ পুনৰ কাম আৰম্ভ কৰা হৈছে, এতিয়া প্ৰায় ৯৫ শতাংশ কাম শেষ হৈছে আৰু চলিত মাহৰ ভিতৰত আঁচনিটোৰ কাম সম্পূৰ্ণ হ'ব। অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোনোবা ঠিকাদাৰৰ কথা কৈছে এই সম্পৰ্কত মই জনাও যে, উক্ত আঁচনিটোত ঠিকাদাৰ এজন নহয় চাৰিজন ঠিকাদাৰে কাম কৰিছে। আপোনালোকৰ তাত শ শ হিচাপত ঠিকাদাৰ থাকে, সেই বিলাক আপোনালোকে মেনেজ কৰে, ধুবুৰীত এটা মথাউৰিত ঠিকাদাৰ শ ডেৰশকৈ হয়। সদস্যগৰাকীক মই দুটা কথা অৱগত কৰিব বিচাৰিছো যে, তেখেতে যোৰাবাৰ যি কেইটা কথা কৈছিল তাৰ ভিতৰত কেইটামান কাম ইতিমধ্যে চলি আছে। তেখেতৰ সমষ্টিৰ ভালুকমাৰীত কাম হৈ আছে, এফ.এম.পিৰ কাম, বেৰাভাঙ্গাত কাম হৈ আছে, ছয়খুটিত কাম হৈ আছে, এছ.ডি.আৰ.এফৰ ছয় কোটি ৪৮ লাখ টকাৰ কাম হাফিৰগাৰত হৈ আছে আৰু যোৰাবাৰ আপুনি কৰা অনুৰোধ মৰ্মে এতিয়া আমি এটা নতুন আৰ. আই.ডি.এফৰ আঁচনি লৈছো। সেইটো বিত্ত বিভাগত অনুমোদনৰ বাবে আছে। বিত্ত বিভাগে অতি সোনকালে

অনুমোদন জনাব, কাৰণ আমি অনুমোদিত ধনৰ ভিতৰতে আঁচনিটো অন্তৰ্ভূক্ত কৰিছো। বিত্ত বিভাগৰ পৰা অনুমোদন হ'লেই ছক্লাপাৰা অঞ্চলত আৰু ছয় কোটি টকাৰ কাম আৰম্ভ হ'ব। গতিকে সদস্য গৰাকীয়ে বিধান সভাত যি ধৰণে কৈছিল সেই ধৰণে আমি বিভিন্ন আঁচনি লৈছো কিন্তু পাটাকাটা আঁচনি সম্পৰ্কত মই বিষয়াসকলৰ দ্বাৰা পৰীক্ষা কৰি ব্যৱস্থা গ্ৰহণ কৰিম। মই আজিয়ে কৈ দিব নোৱাৰিম যে এই আঁচনিটো অনুমোদন হ'ব নে নহয়।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া, সদস্য গৰাকীয়ে এটা কথা কৈছিল যে মানকাছাৰলৈ যাবলৈ অসমৰ মাজেৰে ৰাস্তা বনাবলৈ হ'লে এই আঁচনিটোৰ অতি প্ৰয়োজন, নহ'লে মানকাছাৰলৈ মেঘালয় হৈয়েই যাব লাগিব।

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, তেখেতে বিষয়টো উত্থাপন কৰিছে, আমি বিষয়টো বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰীওয়াজেদ আলী চৌধুৰী** ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই যিটো কৈছে ৬ কোটি ৪৮ লাখ টকাৰ কথা, এই আঁচনিটো তাতে অন্তৰ্ভূত হৈ আছে। তাত আমাৰ নতুন আঁচনি নিদিলেও চলিব। কিন্তু যিহেতু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ৰাজ্যিক ঘাইপথ নিমাৰ্ণৰ কথা কৈছে সেয়ে পাটাকাটা আঁচনি অতি প্ৰয়োজন, কাৰণ এই আঁচনিটো নহ'লে ৰাজ্যিক ঘাইপথৰ কাম কৰিব নোৱাৰিব, নহলে মেঘালয় পাব। সেই কথাটো গুৰুত্ব সহকাৰে ল'ব লাগে। ঠিকাদাৰৰ কথাটো হৈছে মূল ঠিকাদাৰ গুৱাহাটীৰ, তেখেতে অকলে ৬ কোটি ৪৮ লাখৰ ৬ কোটিৰ কাম পাইছে, সেই ঠিকাদাৰজনক মই আজিলৈকে চিনি নাপাও। গতিকে আমাৰ পাটাকাটাৰ আঁচনিটো অনুমোদন দিব লাগে।

**শ্ৰীফণী ভূষণ চৌধুৰী, বঙাইগাঁও** ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ ঠিকাদাৰক চিনি পোৱাৰ কোনো কাৰণ নাই।............ সদনত হুলুস্থুল.........

**মাননীয় অধ্যক্ষ** ঃ আপোনালোক হুলুস্থুল নকৰিব, এতিয়া মূল কথাটো কওক।

**শ্ৰীৱাজেদ আলী চৌধুৰী** ঃ অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো যে তেখেতে মোৰ সমষ্টিত আৰু নতুন আঁচনি ধৰিছে। কিন্তু আজি সদনত মাননীয় মুখ্যমন্ত্ৰী মহোদয় উপস্থিত থকা বাবে পাটাকাটা আঁচনিটোৰ প্ৰয়োজনীয়া সম্পৰ্কত অৱগত কৰিছো। পাটাকাটা আঁচনিটো আমাৰ বাবে অতি প্ৰয়োজনীয়।.. সদনত হুলুস্থুল..

**মাননীয় অধ্যক্ষ** ঃ আপোনালোক হুলুস্থুল নকৰিব, মই কাৰ্যবিৱৰণী চাম যদি তাত কোনোবাই নকবলগীয়া কথা কৈছে তেতিয়া কাৰ্য্যবিৱৰণীৰ পৰা বাদ দিয়া হ'ব, কোনোৰেই যাতে আঘাত নাপায়। এতিয়া প্ৰশ্ন নং ২৪ মাননীয় সদস্য শ্ৰীঅশোক শৰ্মা। মাননীয় মন্ত্ৰী।

**শ্ৰীৰিহণ দৈমাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীঅশোক শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, শাসকীয় দলৰ বিধায়ক হিচাপে মাননীয় মন্ত্ৰী মহোদয়ে দিয়া উত্তৰটোত মই সন্তুষ্ট হ'ব লাগিছিল কিন্তু নলবাৰী বিধান সভা সমষ্টিৰ বিধায়ক হিচাপে মই উত্তৰটোত সন্তুষ্ট হ'ব নোৱাৰিলো। অধ্যক্ষ মহোদয় মই মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে দুটামান কথা সুধিব বিচাৰিছো। মোৰ প্ৰথম প্ৰশ্নটোত আছিল নলবাৰী সমষ্টিটোৰ আৰ্ছেনিক ফ্লুৰাইড যুক্ত পানীয়ে বহুতৰ প্ৰাণ হানি কৰিছে, এই বিষয়ে চৰকাৰ অৱগতনে আৰু তাত উত্তৰটো আহিছে অৱগত নহয়। এইটো স্বাভাৱিক কথা মইও এই কথাটো উপলব্ধি কৰিছো যে পানীৰ বাবেই মানুহৰ মৃত্যু হোৱা বুলি বৰ্তমানলৈ কোনো প্ৰতিবেদন অহা নাই। কিন্তু নলবাৰী বালিপাৰা, নাহেৰবাৰী, বৰিপাৰা আদি অঞ্চলত আৰ্ছেনিক ফ্লুৰাইড যুক্ত পানী থকা বুলি ইতিমধ্যে দমকলত ৰঙা চিহ্ন দিছে

আৰু সেই চিহ্ন দিয়াৰ ফলত জনসাধাৰণৰ মাজত ভয় ভাৱটো বাঢ়িছে। সেই আৰ্ছেনিক ফ্লৰাইড যুক্ত পানী ব্যৱহাৰৰ ফলত মানুহৰ কেন্সাৰ বেমাৰ বৃদ্ধি হৈছে বুলি সমগ্ৰ অঞ্চলসমূহত প্ৰচাৰ হৈছে। এই সম্পৰ্কত মই মাননীয় মন্ত্ৰী মহোদয়ক এটা অনুৰোধ জনাব বিচাৰিছো যে আই.টি.আই বা তেজপুৰ বিশ্ববিদ্যালয়ৰ বিশেষজ্ঞ সকলৰ লগত আলোচনা কৰি অঞ্চলসমূহত এটা প্ৰতিনিধি দল প্ৰেৰণৰ ব্যৱস্থা কৰিব লাগে আৰু সেই পানী সেৱনৰ ফলত কেন্সাৰ বেমাৰ হৈছে নেকি তাৰ এটা তদন্ত কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত মই এটা অনুৰোধ ৰাখিছো, যাতে এই কামটো অতি সোনকালে কৰি ৰাইজক বিভ্ৰান্তিৰ পৰা ভাল পথলৈ লৈ আহে কাৰণ যোৱাকালি সেই অঞ্চলতে ছাত্ৰ-সন্থাই পথ অৱৰোধ কাৰ্য্যসূচী কৰিছিল আৰু তাত লিখিছিল। মই বাতৰিটো সুযোগতে মাতি দিছো, এটুপি খোৱা পানীৰ পৰা দীৰ্ঘদিনে বঞ্চিত হৈ থকা প্ৰতিবাদত আজি নলবাৰী জিলাৰ ধমধমা নিকট বৰ্তি বালিতাৰাত ছাত্ৰ-সন্থাই পথ অবৰোধ কৰে। এই কাৰ্যসূচী এই কাৰণে কৈছো জনসাধৰণৰ মাজত এটা ভূল ভাৰ চলি আছে। সেই কামটো নিৰ্মূল কৰণ কৰাৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ে অতি সোণকালে এটা ব্যৱস্থা লব লাগে। সেই প্ৰশ্নটোত মোৰ এটা প্ৰশ্ন আছিল, যে তাত বৰ্তমানলৈ ৰাইজৰ কাৰণে খোৱাপানীৰ ব্যৱস্থা কিমান কৰিছে, মই মাননীয় মন্ত্ৰী মহোদয়ক প্ৰশ্ন এটা সুধিব খুজিছো যে তাত ১১৪টা প্ৰতি কুৱাৰ অনুমোদন দিয়া হৈছে আৰু তাত নিৰ্মাণো কৰা হৈছে। মই এইটো জানিব খুজিছো, সেই ১১৪টা যি কুৱা তাত আৱন্টন দিয়া হৈছিল সেইটো আগতে দিয়া হৈছিল আৰু সেই কুৱাৰ পৰা পানী খোৱাৰ উপযুক্ত হৈ আছে নে নাই? সেই বিষয়ে মোক তেখেতে এই সদনতে জনাব লাগে।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰিহণ দৈমাৰী ( মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পৰা মই গ্ৰাম্য অঞ্চলত বিশুদ্ধ খোৱা পানীৰ কাৰণে আমি বিভিন্ন ধৰণে আঁচনি লৈছো। ইয়াৰ যোগেদি বিশুদ্ধ খোৱাপানীৰ যোগান ব্যৱস্থা আমি কৰি আছো। মাননীয় সদস্য শৰ্মা ডাঙৰীয়াই যিটো কথা ইয়াত উল্লেখ কৰিছে, মৃত্যুৰ কথাটো জনস্বাস্থ্য কাৰিকৰী বিভাগ এই ক্ষেত্ৰত অৱগত নহয়, কাৰণ আমি কোন কেনেকুৱা ধৰণে মৃত্যু হৈছে, সেইটো আমি হিচাব নাৰাখো। সেই কাৰণে আমি উত্তৰত অৱগত নহয় বুলি ডাঙি ধৰিছো। বিশেষকৈ বালিতৰা পঞ্চায়ত মই নিজে এই অঞ্চলত গৈছো আৰু ৰাইজৰ লগত মই মত-বিনিময় কৰি আহিছো আৰু ৰাইজে ও অৱগত কৰিছে যে যথেষ্ট ফ্লৰাইড আছে, আৰু কিছু কিছু অঞ্চলত আৰ্ছেনিক আছে, সেই কাৰণে অতি সোনকালে ইয়াত যাতে ফ্লৰাইডটো নিস্কাষণ কৰিব পাৰো, তাৰ কাৰণে এইটো বিত্তীয় বৰ্ষতে আমি তাত এটা Water ATM বহাবৰ কাৰণে ইতিমধ্যে সিদ্ধান্ত লৈছো আৰু অতি সোনকালে কামটো আৰম্ভ কৰিম আৰু Water ATM ৰ পৰা মানুহ বিলাকে অৱশ্যে কাৰ্ড ক্ৰয় কৰাৰ কাৰণে কিছু পৰিমাণে টকা দিব লাগিব। Prepaid হিচাপে পানীটো লব পাৰিব, এনেকুৱা ধৰণে আমি ব্যৱস্থা কৰিছো। ইয়াৰ উপৰিও আমাৰ বিভাগৰ যোগেদী বিভিন্ন ঠাইত Ringwell দিয়াৰ ব্যৱস্থা আমি কৰিছো। গোটেই বালিপাৰা পঞ্চায়ত এলেকাত এটা নতুন আৰু ডাঙৰ আঁচনি নিৰ্মাণ কৰিব কাৰণে সংহত গাওঁ উন্নয়ন যোজনাৰ যোগেদি এখন আঁচনি তাত ইতিমধ্যে তাত ধৰিছো প্ৰায় ৫ কোটি টকাৰ এইটো অনুমোদন পালে আমি অহা বিত্তীয় বৰ্ষত আমি এই কামটো আৰম্ভ কৰিম। এই কামটো সম্পূৰ্ণ হলে গোটেই অঞ্চলত আমি বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থাটো কৰিব পাৰিম। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ইতিমধ্যে মোক জনাইছে, তাত এটা বিশেষজ্ঞ দল পঠোৱৰ কাৰণে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে, গতিকে এইটো অতি সোনকালে পঠোৱাৰ ব্যৱস্থা আমি কৰিম।

**শ্ৰী অশোক শৰ্মা, মাননীয় বিধায়ক** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু আমাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়লৈ ধন্যবাদ জনাইছো। তেখেত সকলে এটা কাৰিকৰী বিভাগ তালৈ পঠাৱ। মোৰ আনটো প্ৰশ্ন হ'ল আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে জানে যোৱা ৩মাহ আগত তেখেতৰ লগত সেই অঞ্চল পৰিভ্ৰমণ কৰিছিলো তাত দুটা Water ATM ৰ ব্যৱস্থা কৰিম বুলি স্থানৰ নিদ্ধাৰণ কৰিছিলো মই মাননীয় মন্ত্ৰী মহোদয়ক এই দুটা অতি সোনকালে কৰি দিয়াৰ কাৰণে এই বিধান সভাৰ মজিয়াতে অনুৰোধ জনাইছো। মই তেখেতক আৰু এটা কথা ক'ব বিচাৰিছো যে আমি বিধায়ক হোৱাৰ পিছতে সেই অঞ্চলটোত উপায়ুক্তৰ লগতে বিভাগীয় বিষয়া সকলক লৈ তালৈ গৈছিলো গৈ তাত যিখিনি কাম কৰাৰ কাৰণে আজি প্ৰায় ডেৰ বছৰ হৈ গ'ল, যিখিনি তৎপৰতা হব লাগিছিল সেইখিনি বৰ্তমান দেখা নাই। কিন্তু তাৰ বিপৰীতে মই সেই অঞ্চলৰ Tata Trust ৰ পৰা মানুহ লৈ গৈ তাত JVM ৰ কাৰ্যকৰ্তা সকলৰ লগত মই এটা চৰজমীন তদন্ত কৰি তাৰ মানুহখিনিক খোৱা পানীৰ ব্যৱস্থাত সহায় কৰাৰ কাৰণে ব্যৱস্থা হাতত লৈছিলো অহা ১৪ তাৰিখে Tata Trust ৰ এটা উচ্চস্তৰীয় তেওঁলোকৰ দল আহিব আৰু তাত আমাৰ চৰকাৰৰ ফালৰ পৰা যি খোৱাপানী ATM Water System ৰ ব্যৱস্থা কৰিব সেই ব্যৱস্থাটোত এটা অনুমোদন দিব ইতিমধ্যে মোৰ সমষ্টিত Tata Trust ৰ জৰিয়তে "বৰিপাৰাত" এটা তেনেকুৱা ATM System কৰা হৈছে, যত পইচা অলপ দি ২০ লিটাৰ পানীত ৫টকাকৈ দিব লাগে, ৰাইজে ও সহাৰি জনাইছে। মই মাননীয় মন্ত্ৰী মহোদয়ক এই কথাটো অলপ প্ৰচাৰ কৰাৰ কাৰণে জনাইছো। যে মোক আহি থাকোতে এজনে মোক কৈছে, পানী কিনি খাব লাগিব এইটো কিন্তু ভাল কথা নহয়। কিন্তু মই ভাবিছো মানুহে বহু বস্তু কিনি খাই যৰ পৰা শৰীৰৰ ক্ষতি হয়, কিন্তু এই আৰ্চেনিক মুক্ত পানীটো যদি খোৱাৰ কাৰণে আমি প্ৰচাৰ কৰো তেনেহলে ৰাইজ সজাগ হব।

**শ্ৰী ৰিহণ দৈমাৰী ( মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মই কৈছো, খুব সোনকালে তাত Water ATM কৰি দিয়াৰ ব্যৱস্থা আমি কৰিছো এইটো বিত্তীয় বৰ্ষতে আমি কাম আৰম্ভ কৰিম। এতিয়া যিহেতু কেন্দ্ৰীয় চৰকাৰে আমি ৰাজ্য চৰকাৰে ৰাইজৰ কাৰণে আঁচনিটো নিৰ্মাণ কৰি দিওঁ, আঁচনিটো Sustain কৰিবৰ কাৰণে তাত ৰাইজৰ সহায়-সহযোগ লাগিব। আমাৰ কেন্দ্ৰীয় চৰকাৰৰ নতুন নিতি নিৰ্দেশনা মতে Maintenance ৰ কাৰণে এতিয়া আমাক কোনো পূঁজি আৱণ্টন নিদিয়ে। সেই কাৰণে ৰাইজে এই আঁচনিটো আমাৰ কাৰণে নিৰ্মাণ কৰিছে। মোৰ কাৰণে নিৰ্মাণ কৰিছে, সেই বাৰটো আনিব লাগিব আৰু ইয়াৰ কাৰণে আমি যিমান পাৰো প্ৰচাৰ কৰিবৰ কাৰণে চেষ্টা কৰিছো। এই আঁচনিটো সম্পূৰ্ণৰূপে চোৱা-চিতা কৰিবৰ কাৰণে User's Committee ৰ যোগেদি প্ৰচাৰটো হব। আৰু যাতে এইটো Sustain হয়, ইয়াৰ কাৰণে আমাৰ যিসকল Beneficiary হব, যিসকলে ইয়াৰ পৰা পানীটো খাব তেওঁলোকে নুন্যতম এটা সেইটো দিব লাগিব। যাতে সেই টকাৰে তেওঁলোকে আঁচনিটো Maintain কৰি থাকিব পাৰে।

**মাননীয় অধ্যক্ষ** ঃ Actually, this is related to his district, but however, these are very important issues, i.e., Floruide and Arsenic presence in drinking water. যোৱাবাৰ বাজেটত আমি যথেষ্টখিনি কথা পাতিছিলো। কাৰ্বি আংলঙৰ বিষয়টো ইয়াত উত্থাপিত হৈছিল। বহুতে বাট দাঙিছে কিন্তু মই নিয়ম মতে Asper ৰুল দিব নাপায় যদিও ফ্ল'ৰাইড যুক্ত এই কথাটোৰ কাৰণে মই ৩ জন মেম্বাৰক এলাউ কৰিম অলপ চুটিকৈ ক'ব আৰু মন্ত্ৰী ডাঙৰীয়াক মোৰ এটা অনুৰোধ থাকিল, এই যিটো এখেতে Suggestion দিছে, ইয়াৰ গোটেই কথাখিনি কেনেকৈ এইটো Implement কৰিব পাৰি তাৰ কপি এটা সকলো

MLA ক Including মোক। সেই বস্তুটো কৰিলে আমিও মানুহৰ মাজত জনপ্ৰিয় কৰিব সুবিধা হব। মই প্ৰথমে জয়ৰাম ইংলেঙ ডাঙৰীয়াক কবলৈ অনুৰোধ কৰিলো।

**শ্ৰী জয়ৰাম ইংলেঙ (মাননীয় বিধায়ক)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিভাগীয় মন্ত্ৰী দৈমাৰী ডাঙৰীয়াই উত্তৰটো দিছে, আৰু প্ৰশ্নৰ ওপৰত নলবাৰী ফ্ল'ৰাইড আক্ৰান্ত কথাটো লৈ মই যোৱাবাৰ অংশ গ্ৰহণ কৰিছিলো। Greater "টেকে লাংগু ডকমকা" এৰিয়া ফ্ল'ৰাইড আক্ৰান্ত এৰিয়া বহুত মানুহ ফ্লৰোচিছ বেমাৰত পৰি পংগু হৈছে। গতিকে তাত টকা নিদিয়া নহয়, ১৮ কোটি টকা ধাৰ্য্য কৰা হৈছে, ফ্লৰাইড মুক্ত পানী দিবৰ কাৰণে ১৮ কোটি দিয়া টকাখিনিৰ ৬ কোটি টকা মুকলি কৰি দিয়া হৈছিল, আৰু সেই মতে কাম হৈছিল। যোৱা "বেদকুচি" মিটিঙত মাননীয় মন্ত্ৰী মহোদয়ৰ লগত মই নিজে আছিলো, তাতে কথাটো ওলাইছিলে। ২৫ শতাংশ কাম হোৱা বুলি এতিয়া ৩৩ শতাংশ টকা মোকলাই দিছে। গতিকে মই প্ৰশ্ন কৰিব খুজিছো মাননীয় মন্ত্ৰী মহোদয়ে, অতি সোনকালে বাকী থকা টকাখিনি মোকলাই দি কামটো সমাধান কৰি সুবিধা কৰিবনে ?

**শ্ৰী ৰিহণ দৈমাৰী ( মাননীয় মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য ডাঙৰীয়াই যিটো আঁচনিৰ কথা কৈছে, আচলতে এই আঁচনিটো কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদ তেওঁলোকে Eight Schedule ৰ যোগেদি কৰিছিল। সেইটো তেওঁলোকৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ লগত কোনো যোগাযোগ নাই। যিহেতু NLCPR ৰ স্কিম আৰু Eight Schedule ৰ যোগেদি কৰিছিল তেওঁলোকে, সেই কাৰণে এই আঁচনিৰ সম্বন্ধে মই বেছি অৱগত নহয়। যোৱাবাৰ মই আমাৰ মাননীয় সদস্যৰ লগত গৈ নিজে সেই অঞ্চল পৰিভ্ৰমণ কৰিছো আৰু কাউন্সিলক মই কৈছো, E.M ক মই নিজে মাতি আনিছো, তেখেতক মই কৈছো যে Hill Area Development Department ৰ লগত যোগাযোগ কৰি সেই প্ৰক্ৰিয়াটো আৰম্ভ কৰিবৰ কাৰণে তেখেতক মই কৈছো।

**মাননীয় অধ্যক্ষ ঃ** পৰৱৰ্ত্তী প্ৰশ্ন আব্দুল ৰহিম আজমল।

**শ্ৰী আব্দুল ৰহিম আজমল ঃ** Respected Speaker Sir, in my constituncy there is a big problem in Akashi Ganga, as Archenic & Floride. I would request the Hon'ble Minister, that those who have been affected mainly 100 of childrens have been affected. Can be give them the physical handicraft status or compensation as soon possible. Please, I request, to install a water project there also.

**মাননীয় অধ্যক্ষ ঃ** The first part he will not be able to answer but the second part is it.

**শ্ৰী ৰিহন দৈমাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আকাশী গংগাত এটা আঁচনি দিয়া হৈছে। এতিয়া তাত নতুনকৈ এফেক্ট হোৱা অঞ্চল নাই। গোটেই অঞ্চলটো আমি ইতিমধ্যে সামৰি লৈছো আৰু যি সকল এফেক্টেত মানুহ আছে তেওঁলোক আগতে এফেক্ট হোৱা। এতিয়া নতুনকৈ এফেক্ট হোৱা ব্যক্তি তাত নাই।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে প্ৰথম অংশত যিটো কথা কৈছে, আপুনি সমাজ কল্যাণৰ লগত কথাটো পাতিব পাৰে, যদি এনেকুৱা হেণ্ডিকেপ হৈ গৈছে তেওঁলোকক Recognised কৰে নে নকৰে, এইটো ইয়াতে নকলেও হব, আপোনাক মই মাত্ৰ কৈ থলো। এতিয়া শ্ৰী ওয়াজেদ আলী চৌধুৰী ডাঙৰীয়া।

**শ্ৰী আব্দুল ৰহিম আজমল ঃ** Sir, this matter please.

**মাননীয় অধ্যক্ষ ঃ** Any thing.

**শ্ৰী আব্দুল ৰহিম আজমল ঃ** No no just the handicraft.

**মাননীয় অধ্যক্ষ ঃ** That,I have allready told into the Social Welfare.

**শ্ৰী ওয়াজেদ আলী চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সংক্ৰান্তত আমাৰ দক্ষিণ শালমাৰা সমষ্টিৰ লস্কৰা, বিলপাৰা যোৱা বিধান সভাতো প্ৰশ্ন কৰোতে।

**মাননীয় অধ্যক্ষ ঃ** এইটো ঠিক আছে, আপোনাৰ প্ৰশ্নটো কওঁক।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আঁচনি গ্ৰহণ কৰিব বুলি আশ্বাস দিছিল, কিন্তু হোৱা নাই। আজি লিখিত আহিছে। খোৱা পানীখিনি তেওঁলোকে ফিল্টাৰৰ জৰিয়তে এৰেঞ্জমেন্ট কৰি আছে। কিন্তু বাকী ব্যৱহাৰ কৰা গা ধোৱা বা বেলেগ কাম আদি কৰাত চাল বিলাক ঘাঁ হৈ গৈছে, গতিকে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে স্থায়ী ব্যৱস্থা হিচাবে আঁচনি এটা লোৱাৰ কথা আছিল, সেইটো অতি সোনকালে লোৱাৰ ব্যৱস্থা কৰিব নেকি?

**শ্ৰী ৰিহন দৈমাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ওৱাটাৰ কোৱালিটি চাবমিচন আঁচনিৰ যোগেদি আমি গোটেই ৰাজ্যখনত ১২২ টা আঁচনি ইতিমধ্যে লোৱাৰ বাবে সিদ্ধান্ত লৈছো। আঁচনি লোৱাত অলপ পলম হৈছে কাৰণ কেন্দ্ৰীয় চৰকাৰে কিছুমান কুৰাৰী আমাক দিছিলে, যিহেতু গ্ৰাম ওৱাটাৰ কিছু কিছু অঞ্চলত আমি ব্যৱহাৰ কৰিব নোৱাৰো। সেই কাৰণে source বিচাৰিব লগীয়া হয়, আৰু সেই source টো যাতে sustant হয়, এনেকুৰা ধৰণৰ কিছুমান কুৰাৰী কেন্দ্ৰীয় চৰকাৰে আমাক দিছিলে আৰু ইতিমধ্যে সেই ১২২ টা আঁচনিৰ অসমৰ বিভিন্ন ঠাইত আমি লম আৰু ইয়াৰ যিখিনি কুৰাৰী কৰা হৈছিলে সেইখিনি সম্পূৰ্ণ কৰিম। সোনকালে আঁচনিটো Sanction পালে কাম আৰম্ভ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, নলবাৰীৰ লগতে অসমৰ বিভিন্ন জিলাত আৰ্চেনিক আৰু ফ্লৰাইড যুক্ত পানীয়ে এটা ভয়ানক অৱস্থাৰ সৃষ্টি কৰিছে। মাননীয় মন্ত্ৰী মহোদয়ে যিখিনি উত্তৰ দিছে, যদি নিৰ্দিষ্ট দুই এটা ঠাইত তেনেকে যদি আঁচনি লব লগা হয় বহু বছৰ লাগিব। গতিকে মই মাননীয় অধ্যক্ষৰ জৰিয়তে মাননীয় মুখ্য মন্ত্ৰীক অনুৰোধ কৰিব বিচাৰিছো, আমাৰ মাননীয় জনস্বাস্থ্য কাৰীকৰি বিভাগৰ মন্ত্ৰীয়ে যথেষ্ট চেষ্টা কৰিছে, কিন্তু মাননীয় মুখ্য মন্ত্ৰীৰ এই ক্ষেত্ৰত সহায় লাগিব। সেয়েহে মই মাননীয় মুখ্য মন্ত্ৰীক অনুৰোধ কৰিব বিচাৰো যে বৰ্তমান আৰ্চেনিক আৰু ফ্লৰাইড যুক্ত যি পানীয়ে আজি ভয়ানক অৱস্থাৰ সৃষ্টি কৰিছে, এই ক্ষেত্ৰত মাননীয় মুখ্য মন্ত্ৰীয়ে যদি কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি আমাৰ সঠিক কথাখিনি যদি অৱগত কৰে তেতিয়াহলে হয়তো এই ভয়াবহ অৱস্থাৰ পৰা অসমৰ ৰাইজ পৰিত্ৰাণ পাব। এইটো মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অৱগত কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে কলিতা ডাঙৰীয়া, মাননীয় সদস্য বহুজনে কবৰ বাবে হাত দাঙিছে। মই এটা কথা কব বিচাৰো। This is question hour, we have a last time to discuss the issue with through different devices. মই সদস্য সকলক সদাই কৈ আহিছো যে পাৰিলে devices বোৰ ব্যৱহাৰ কৰিব। We can raise the discussion for an half hour, two an half hour and this is a vital issue সেই কাৰণে question hour ত এঘন্টাত ২০ টা প্ৰশ্নৰ ৬ টা বা ৭ টা নকৰিলে একো লাভ নহব। সেই কাৰণে

মই সাধৰণতে ফ্লৰাইডৰ কথাটো নিজেও চিন্তিত, মই নিজে দেখিছো ভয়াৰহতাটো। We will discuss it one day that day, আপুনি কোৰটো মুখ্য মন্ত্ৰী ডাঙৰীয়াই নোট কৰিছে, please kindly this is not the way. এটা স্পেচিয়েল আলোচনা আপোনালোকে চেষ্টা কৰক। Definitely C M will say same thing not now today মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়া, ঠিক আছে ?

**মাননীয় মুখ্য মন্ত্ৰী ঃ** ঠিক আছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী ৰমাকান্ত দেউৰী, প্ৰশ্ন নং ২৫।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ৰমাকান্ত দেউৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় আৰু সন্মানীয় সদন, মাননীয়া মন্ত্ৰী মহোদয়াই উত্তৰ সদনৰ মজিয়াত দাখিল কৰিছে, সেয়া আগতেও যেতিয়া ৰাভা, মিচিং তিৱা সকলৰ ষষ্ঠ অনুসূচীৰ বিষয়ে এই সদনত দাখিল কৰিছিলো আৰু একেখিনি কথাকে আজি উত্তৰ দিয়া দেখা পোৱা গৈছে। গতিকে আশা ৰাখিছো। তিৱা, ৰাভা সকলৰ বহু দিনৰ সমস্যা অসমৰ ভূমিপুত্ৰ সকলৰ দীৰ্ঘ দিনৰ সমস্যা সমূহ বিভিন্ন সময়ত আন্দোলন কৰি আহিছে আৰু যোৱা বিধান সভাৰ নিৰ্বাচনত মাননীয় প্ৰধান মন্ত্ৰী মনমোহন সিং ডাঙৰীয়াৰ লগত বিভিন্ন সংগঠনে আলোচনা কৰিছিল আৰু তেখেতে অসমত যি সকল জনজাতি লোক আছে ষষ্ঠ অনুসূচী দিয়াত আপত্তি নাই বুলি আমাক সন্মতি প্ৰকাশ কৰিছিল। মাত্ৰ অসম চৰকাৰৰ ফালৰ পৰা এন ও চি দিব লাগে, এই এন ও চি পালেই আমাৰ যিসকল ষষ্ঠ অনুসূচীত ৰাভা, মিচিং, তিৱা অন্তৰ্ভূক্ত হোৱা নাই এই সকলক অন্তৰ্ভূক্তৰ ব্যৱস্থাৰ বাবে তেখেতে ভালদৰে আমাক বুজাইছিল। গতিকে আজি অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো আৰু এই কাৰণে কৈছো যে সদনত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া উপস্থিত আছে। সেই কাৰণে মাননীয় অধ্যক্ষ মহোদয়, এই কথাখিনি হৃদয়ঙ্গম কৰিবৰ বাবে মই অনুৰোধ জনাইছো। ওচৰৰ ৰাজ্য ত্ৰিপুৰা আপোনালোকে নিশ্চয় জানে, সেই ত্ৰিপুৰা ৰাজ্যৰ ভূমিপুত্ৰৰ আজি অস্তিত্ব নাই, আজি সংখ্যলঘুত পৰিণত হৈছে। এই এনে সময়ত ইয়াত এই জনগোষ্ঠী সমূহৰ যে এনে নঘটিব তাৰ মানেই নাই। গতিকে এই ভূমিপুত্ৰ সকলৰ সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক সকলোখিনি সমস্যা আজি সমধান কৰিবলৈ হলে এই ষষ্ঠ অনুসূচী লাগিব। গতিকে এই ষষ্ঠ অনুসূচীৰ বাবে আজি এই সদনত মাননীয় অধ্যক্ষ মহোদয়ক এই কথা হৃদয়ঙ্গম কৰিব অনুৰোধ জনাইছো। যাতে পলম নকৰি আজি এই পবিত্ৰ সদনত এটা প্ৰস্তাৰ লব লাগে আৰু এই প্ৰস্তাৰটো কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী ৰমাকান্ত দেউৰী ডাঙৰীয়াই যিটো কথা কৈছে, যে তিৱা অটোনমাচ কাউন্সিল, মিচিং অটোনমাচ কাউন্সিল, ৰাভা অটোনমাচ কাউন্সিল আৰু তিনিটা অটোনমাচ কাউন্সিল আছে সোনোৱাল আছে, ঠেঙাল আৰু দেউৰী আছে। সকলোৱে কাৰণে আমাৰ চৰকাৰে বিষয়টো আন্তৰিকতাৰে লৈছে আৰু ৩ টা অটোনমাচ কাউন্সিলে মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ অফিচত তেখেতৰ নেতৃত্বত এই বিষয়ত আমি আলোচনা কৰিছো। মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই আমাক ইয়াৰ ওপৰত চৰজমিন তদন্ত কৰিবৰ পৰীক্ষা নিৰীক্ষা কৰিবৰ বাবে দিয়া হৈছে। সেই কাৰণে আমি বিভাগৰ ফালৰ পৰা বিষয়া সকলক তেওঁলোকৰ এৰিয়াৰ ওপৰত ভালকে পৰীক্ষ নিৰীক্ষা কৰি লৈ প্ৰতিবেদন দাখিল কৰিব কোৱা হৈছে। সেই প্ৰতিবেদনটো আমি এতিয়ালৈ পোৱা নাই। তেওঁলোকৰ লগত এই ৩ টা অটোনমাচ কাউন্সিল ৰ

লগত আলোচনা কৰাৰ পিছত আকৌ দেউৰী, সোনোৱাল আৰু ঠেঙাল অটোনমাচ কাউন্সিল তেওঁলোকৰ ফালৰ পৰাও এই দাবি আহিছে যে তেওঁলোককো জিলা পৰিষদ লাগে। গতিকে এই ৬ টা অটোনমাচ কাউন্সিলে আজি জিলা পৰিষদ বিচাৰিছে, স্বায়িত্ব শাসিত অঞ্চল বিচাৰিছে। গতিকে ইয়াৰ ওপৰত মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই ভালকে পৰীক্ষা নিৰীক্ষা কৰিবলৈ দায়িত্ব দিছে। গতিকে মাননীয় দেউৰী ডাঙৰীয়াই কোৱাৰ দৰে আমি তেনেধৰণৰ নিগেটিভ প্ৰচেষ্টা লোৱা নাই। আমি দিয়াটো বিচাৰিছো। কিন্তু, দিয়াটো বিচাৰিছো যদিও সকলো Area System চাব লাগিব। য'ত দেউৰি সকল আছে,সোনোৱাল সকল আছে, সেইকাৰণে এৰিয়াটো ভালকৈ পৰীক্ষা নীৰিক্ষা কৰিব লাগিব। দেউৰি তিৱা সকলৰ লগত আমৰি কাৰ্বি আছে। তেওঁলোকৰো এটা এৰিয়া লাগে বুলি কৈছে সেইকাৰণে ভালকৈ চৰজমিন তদন্ত কৰাৰ পাছতহে আমি বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ ওচৰত পঠিয়াব পাৰিম। হয় তেখেতে যিটো কথা কৈছে যে, বিগত চৰকাৰৰ দিনত প্ৰধান মন্ত্ৰী মনমোহন সিং ডাঙৰীয়াই তেওঁলোকক আশ্বাস দিছিলে সেইটো হ'ব পাৰে কিন্তু তেওঁলোকে বনাই থৈ নগ'ল। এতিয়া আমাৰ চৰকাৰৰ দিনত আমি সেইটো দায়িত্ব সহকাৰে লৈছো। কিন্তু বিষয়টো ভালকৈ চালি জাৰি চাইহে আৰু সকলোৰে লগত আলোচনা কৰিহে বস্তুটো প্ৰস্তুত কৰি প্ৰস্তাৱটো আমি কেন্দ্ৰীয় চৰকাৰক পঠিয়াব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** The Govt. is sincere.

**শ্ৰী মতী প্ৰমিলা ৰাণী ব্ৰহ্ম,মন্ত্ৰী ঃ** হয়।

**মাননীয় অধ্যক্ষ ঃ** Next Question.

**শ্ৰী ৰমাকান্ত দেউৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কথাটোৰ মই সন্তোষজনক উত্তৰ পোৱা নাই। কাৰণে যে পবিত্ৰ সদনত বিভিন্ন সময়ত বিভিন্ন প্ৰতিনিধি সকলে এই কথাটো উপস্থাপন কৰি আহিছে আৰু যিটো উত্তৰ আহিছে সেই উত্তৰটো সন্তোষজনক নহয়। কংগ্ৰেছ চৰকাৰৰ দিনত উপ সমিতি ,কেবিনেট চাব কমিটি, পাতি দিছিল। সেই কমিটি আজিলৈকে কোনো সঠিক প্ৰতিবেদন দাখিল নকৰিলে। গতিকে আজি এইখন চৰকাৰে ভালকৈ কথাবিলাক হৃদয়ঙ্গম কৰিব লাগিব। যিটো সময়ত চৰকাৰে স্বায়ত্ব শাষিত পৰিষদত সংবিধান এমেণ্টমেণ্ট কৰি দিছিল, সেইটো সময়ত আমাৰ তিৱা জনগোষ্ঠী ,ৰাভা জনগোষ্ঠী আৰু মিচিং জনগোষ্ঠীকো দিব পাৰিলেহেঁতেন। কিন্তু আজি কি কাৰণে পৰা নাই, কি কাৰণে এই জনগোষ্ঠী সকলক মাহী আইৰ চকুৰে চোৱা হৈছে। গতিকে এতিয়াও দীৰ্ঘদিন ধৰি আন্দোলন চলি আছে। আজিও বাহিৰত চিঞৰি আছে আৰু চিঞৰিব। গতিকে পবিত্ৰ সদনত মই অনুৰোধ কৰিছো আজি অধ্যক্ষ মহোদয়ৰ জৰিয়তে যাতে শান্তি পৰিবেশৰ মাজত এই সমস্যাটো সমাধান হয়। যদি শান্তি পৰিবেশৰ মাজত সমাধান নহয় তেতিয়া কিন্তু এই পিছপৰা জনগোষ্ঠী সমূহ কেতিয়াও বহি নাথাকে আৰু তীব্ৰতৰ আন্দোলন ঘোষণা কৰিব এই কথাটো আজি মই সকিয়াই দিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। ঋতুপৰ্ণ বৰা।

**শ্ৰী ঋতু পৰ্ণ বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ আৰু মুখ্যমন্ত্ৰীৰ ওচৰত দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে, অসমৰ ৬ খন যি স্বায়ত্ব শাষিত পৰিষদ আছে এই ৬ খন স্বায়ত্ব শাষিত পৰিষদত প্ৰায় ২৫০ মান কৰ্মচাৰী আছে। কিন্তু অতি দুখৰ কথা যে এই ২৫০ কৰ্মচাৰী সকলে নিয়মিত ভাৱে দৰমহা নাপায়। বছৰ বছৰ ধৰি তেওঁলোকে দৰমহাৰ পৰা বঞ্চিত হৈ আছে আৰু তেওঁলোকৰ চাকৰি নিয়মীয়া নহয়। যিহেতু আমি চৰকাৰে ৬ খন স্বায়ত্ব শাষিত পৰিষদ প্ৰদান কৰিছো। মাত্ৰ ২৫০ কৰ্মচাৰীক যদি সময়মতে দৰমহা দিব নোৱাৰো। যাৰ

ফলত তেওঁলোকৰ চলাত যথেষ্ঠ অসুবিধা হৈছে কৰাপচন বৃদ্ধি পাইছে।সেয়েহে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিছো।

**শ্ৰী মতী প্ৰমিলা ৰাণী ব্ৰহ্ম,মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ঋতুপৰ্ণ ডাঙৰীয়াই যিটো কথা কৈছে সেইটো অলপ চেপাৰেট বিষয় হয়। তথাপিও মই আপোনাক জনাব বিচাৰিছো এই বিষয়ত আমাৰ চৰকাৰে আলোচনা কৰি আছো। এতিয়ালৈকে কাউন্সিলবোৰৰ ফালৰ পৰা আমাৰ বিভাগলৈ নাই অহা , তাত কিমান কৰ্মচাৰী আছে। অফিচাৰ আছে ইয়াৰ ওপৰত ডিটেইলচ্ প্ৰতিবেদন আমি পাব লাগিব। তেতিয়াহে আমি বিত্ত বিভাগলৈ যোগাযোগ কৰিব পাৰিম। এইটো এতিয়া এই অৱস্থাত আছে। ৰমাকান্ত ডেউৰী ডাঙৰীয়াই যিটো কৈছে আমি জনজাতি সকলক , দুখীয়া শ্ৰেণীৰ লোক সকলক নেগলেক্ট কৰিছো। সেইটো সত্য নহয়। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই কথাটো অতি আন্তৰিকতাৰে লৈছে। বিষয়টো গভীৰভাৱে চিন্তা কৰিছে। তেখেতে এই বিষয়ত যাতে আমি ভালকৈ চেটেল কৰিব পাৰো তাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ষ্টাডী কৰিব বিচাৰিছে যিহেতু তিনিটা নহয় ছটা। অটনমাচ কাউন্সিল কৰিব বিচাৰিছে সেয়েহে ইয়াৰ ওপৰত ডিটেইলচ্ ভাৱে আলোচনা কৰিবৰ কাৰণে আমাৰ এটা কমিটিৰ প্ৰয়োজন হৈছে। সেয়েহে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোক দায়িত্ব দিছে, ইয়াৰ ওপৰত আমি চাব কমিটি আৰু কেবিনেট চাব কমিটি বনাম।

**মাননীয় অধ্যক্ষ ঃ** আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, চাহ জনগোষ্ঠী জনজাতি কৰণৰ বিষয়টো বিগত চৰকাৰৰ দিনৰ পৰাই যথেষ্ঠ গুৰুত্ব পাই আহিছে। আন্দোলনো হৈছে বহুত। কিন্তু ইয়াতে যিটো কেবিনেট চাব কমিটি, ডিচিচনৰ কথা এই প্ৰশ্নৰ উত্তৰত কোৱা হৈছে যে, এইটো ১৭-৭-২০১০ চনত কেবিনেট চাব কমিটিয়ে চাৰিটা ৰিকমেণ্ডেচন দিছিলে। তাতে ড° ভূমিধৰ বৰ্মনৰ নেতৃত্বত ড: হিমন্ত বিশ্বশৰ্মা , ভৰত চন্দ্ৰ নৰহ, চন্দন ব্ৰহ্ম, পৃথিবী মাঝি আৰু আমাৰ মন্ত্ৰী মহোদয় প্ৰমিলা ৰাণী বাইদেউ আছিল। গতিকে সেই চাব কমিটিত যিকেইটা ৰিকমেণ্ডেচন দিছিলে আঠ বছৰ হবলগীয়াই হ'ল । ইয়াত কিন্তু অটনমাচ কাউন্সিল আৰু তিৱা অটনমাচ কাউন্সিলৰ কাৰণে থ্ৰি টায়াৰ ইলেকচনৰ কথা ৰিকমেণ্ডেচন আছিল। মন্ত্ৰী মহোদয় নিজে আছিল গতিকে তাত কিন্তু থ্ৰি টায়াৰ ইলেকচনত বুটুম লেভেলত ভিলেইজ পঞ্চায়ত লেভেল , ৰিজয়নেল কাউন্সিল , আঞ্চলিক পঞ্চায়ত লেভেল,এপেক্স কাউন্সিল 'টো' লেভেলত হোৱা কথা আছিল ইনক্লুডিং বি টি চি। গতিকে আমি এই আঠ বছৰৰ ভিতৰত দেখা নাই থ্ৰি টায়াৰ ইলেকচন পতা ।তেতি য়া মন্ত্ৰী মহোদয় নিজে আছিলে ২০১০ চনত। গতিকে থ্ৰি টায়াৰ ইলেকচন চিষ্টেম পতাটো এই কাউন্সিল বিলাকত কিমান সোনকালে পদক্ষেপ ল'ব পাৰে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী মতী প্ৰমিলা ৰাণী ব্ৰহ্ম,মন্ত্ৰী ঃ** চাব কমিটিটো বনোৱা হ'ল ২০১০ চনত। পাঁচটা বছৰতো একো নকৰিলে। এইবাৰ আমাৰ চৰকাৰৰ দিনত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিচাৰিছে শান্তিপূৰ্ণভাৱে সমস্যাটোৰ সমাধান হওঁক। সেয়েহে এইটো সিদ্ধান্ত লবলগীয়া হৈছে।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ প্ৰশ্নটো কিবা চাপলিমেণ্টৰি নে পইণ্ট অফ অৰ্ডাৰ?

**শ্ৰী শ্বেৰমান আলী আহমেদ ঃ**পইণ্ট অফ অৰ্ডাৰ চাৰ। এই প্ৰশ্নৰ উত্তৰত লিখা আছে যে,কেবিনেট চাব কমিটিয়ে প্ৰতিবেদন দাখিল কৰিছে। ইয়াত মাননীয় মন্ত্ৰী প্ৰমিলা ৰাণী ব্ৰহ্ম ডাঙৰীয়ানীৰো চহী আছে। গতিকে আমাৰ মাননীয় সদস্য ৰমাকান্ত ডেউৰী ডাঙৰীয়াই কৈছে যে, কংগ্ৰেছৰ দিনত কেবিনেট চাব কমিটিয়ে প্ৰতিবেদন দাখিল কৰা নাই। মই বিছাৰিছো যে, এই প্ৰতিবেদনখন খাৰিচ কৰিব লাগে।

**माननीय अध्यक्ष ঃ** ঠিক আছে। পি ছৰ প্ৰশ্ন নং ২৬। মই এইটো চাই দিম। এতিয়া অশোক কুমাৰ সিংহী।

**শ্ৰী মতী প্ৰমিলা ৰাণী ব্ৰহ্ম,মন্ত্ৰী ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী অশোক কুমাৰ সিংহী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰ বাইদেৱে দিছে। মই উত্তৰত সন্তুষ্ঠ হোৱা নাই। এই পবিত্ৰ সদনত যোৱা ২-২-২০১৭ তাৰিখে মোৰ একেটা প্ৰশ্নৰ উত্তৰত বাইদেৱে কৈছিল যে, বিক্ৰী প্ৰক্ৰিয়া আছে। আজি এবছৰ পাৰ হৈ গ'ল। বিক্ৰীৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ হোৱা নাই। মই জানিব বিচাৰিছো এই প্ৰক্ৰিয়াটো কেতিয়া সম্পূৰ্ণ হ'ব? আৰু এই মহল বিলাক কেতিয়া এলোট কৰা হ'ব?

**প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী, বন পৰিৱেশ ইত্যাদিঃ** আমাৰ মাননীয় সদস্য ডাঙৰীয়াই যিটো কথা কৈছে আৰু আমি উত্তৰো দিছো। বিভিন্ন বিভাগে Developmental purpose ত আমাৰ বিভাগত যিমান indent দিছে সেই indent মতে আমি শিলবোৰ দিছো। শিলবোৰ নিদিয়াকৈ থকা নাই। আপুনি (গ) প্ৰশ্নৰ উত্তৰত চালে দেখিব যে কিমান আবেদন আহিছে আৰু সেই আবেদন মতে শিলবোৰ দিয়া হৈছে। তাৰ পিছতো আৰু কিহৰ বাবে শিল লাগে। তথাপিও আপোনালোকে বিচৰাৰ বাবে আমি ৮ টা কুঁৱেৰী খুলি দিয়াৰ প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰিছো। কেন্দ্ৰীয় চৰকাৰে আমাক অনুমতি দিলেহে আমি সেইটো খুলি দিব পাৰো। এতিয়া আমাৰ বিভাগে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি আছে, প্ৰস্তাৱ দিয়া হৈছে, কিন্তু এতিয়ালৈ ভাৰত চৰকাৰৰ ফালৰ পৰা আমাৰ প্ৰস্তাৱটো মানি লোৱা নাই।

**শ্ৰী অশোক কুমাৰ সিংহী, (বিলাসীপাৰা পূৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাইদেউৱে ক'লে যে, যিমান indent দিয়া হৈছে সিমান সামগ্ৰী (সংশোধিত) দিয়া হৈছে, কিন্তু কথাটো সত্য নহয়। কিয়নো আমাৰ জিলাত PMGSY ৰ ১৩৪ টা package sanction হৈছে। তাৰে ১৮ টাৰ tender নপৰে। ঠিকাদাৰ সকলে জানে যে ইয়াত কুঁৱেৰী নাই, সেই কাৰণে বহু দূৰৰ পৰা সামগ্ৰী (সংশোধিত) আনিব লাগে।

**माननीय অধ্যক্ষঃ** কিছুমান শব্দ সদনত ব্যৱহাৰ কৰোঁতে আমি সাৱধান হ'ব লাগে। We are all responsible MLAs, what we speak, people are listening. আপোনালোকে প্ৰশ্ন সমূহ ভালকৈ গঠন কৰি আনিব। এনেকুৱা দৃষ্টিকটু শব্দ ব্যৱহাৰ নকৰিব। তাৰ পৰিৱৰ্তে শিল বা সামগ্ৰী বুলি ক'ব পাৰে।

**শ্ৰী অশোক কুমাৰ সিংহী, (বিলাসীপাৰা পূৰ)ঃ** মোৰ ভুল হৈছে।

**माननीय অধ্যক্ষঃ** সাৱধান হ'ব।

**শ্ৰী অশোক কুমাৰ সিংহী, (বিলাসীপাৰা পূৰ)ঃ** হয়, মই স্বীকাৰ কৰিছো। শিল নথকাৰ বাবে বহুত ঠিকাদাৰে tender দিয়া নাই। ১৮ টা package ৰ এতিয়াও tender কৰা নাই। তেওঁলোকে জানে যে, ইয়াত শিল পোৱা নাযায়। যোৱা বছৰ বানপানীত National Highway ৰ যিটো বিধ্বস্ত অৱস্থা হৈছিল, এতিয়া এবছৰৰ ভিতৰত প্ৰায় ১ লাখ cm শিল লাগে, যদি ১২০০০ cm শিল দিয়া হয়, তেতিয়া ৯ বছৰ সময় লাগিব। গতিকে এবছৰত সম্পূৰ্ণ কৰিবলৈ হ'লে এইবোৰ কুৱেৰীৰ প্ৰয়োজন আছে। সেয়েহে মই আপোনাৰ জৰিয়তে মন্ত্ৰী বাইদেউক অনুৰোধ জনাইছো যাতে অতি সোনকালে এই কুৱেৰীবোৰ মুকলি কৰি দিয়ে।

**माननीय অধ্যক্ষঃ** তেখেতে ক'লেই যে কুৱেৰী খোলাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছে আৰু সেইটো তেখেতে সোনকালে কৰিব। এতিয়া অশ্বিনী ৰায় সৰকাৰ।

**শ্ৰী অশ্বিনী ৰায় সৰকাৰ, (গোলকগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰিছো যে ধুবুৰী জিলাৰ একমাত্ৰ বালিমহল, 'খোৰাঘাট বালিমহল'টো দীৰ্ঘদিন ধৰি বন্ধ হৈ আছে আৰু তাৰ বাবে প্ৰধান মন্ত্ৰী গ্ৰামীণ আৱাস যোজনাৰ ঘৰৰ পৰা আৰম্ভ কৰি ঘৰুৱা কামত ব্যৱহৃত বালিৰ নাটনি হৈছে। এতিয়া পশ্চিম বংগৰ পৰা সাধাৰণতে বালি বা শিল আহি আছে। তাৰ ফলত আমাৰ চৰকাৰে royalty ভৰিব লগা হৈছে। গতিকে মই মন্ত্ৰী মহোদয়ক ক'ব বিচাৰিছো যে এই বালি মহলটো সোনকালে খুলি দিলে ৰাইজৰ লগতে চৰকাৰৰ যাতে royalty বাঢ়ে ।

**প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী, বন পৰিৱেশ ইত্যাদিঃ** মাননীয় সদস্যই যিখিনি কথা কৈছে, সেই বিষয়ে মইয়ো জানো, কিন্তু বিষয়টো এনেধৰণৰ যে সেই অঞ্চলটোৰ এটা অংশ বি.টি.চি.ত পৰে আৰু এটা অংশ ধুবুৰী জিলাত পৰে। সেইকাৰণে যদি ধুবুৰী জিলাত বালি মহল খুলিব বিচাৰে, তেতিয়া বি.টি.চিৰ প্ৰশাসনে মানা কৰে আৰু বি.টি.চিয়েও যদি নিজৰ ফালে মহল কৰিব বিচাৰে তেতিয়া ধুবুৰী জিলাৰ প্ৰশাসনে মানা কৰে। গতিকে এই বিষয়টো এতিয়ালৈ settle কৰিব পৰা নাই। কিন্তু বালিৰ খনন চলি আছে। ইয়াৰ যিটো চাহিদা, সেইটো পূৰণ কৰি থকা হৈছে। গতিকে ইয়াত কোনো ডাঙৰ সমস্যা হোৱা নাই। মাননীয় সদস্য অশোক সিংহী ডাঙৰীয়াই আমাৰ যি indent থকাৰ কৈছে, সেইটো এই তালিকাখনত চালে দেখিব যে আমাৰ বিভাগৰ পৰা যিমান indent বিচৰা হৈছে সেই হিচাপে শিল দিয়া হৈছে।

**মাননীয় অধ্যক্ষঃ** এতিয়া আবুল কালাম ৰশিদ আলম।

**শ্ৰী আবুল কালাম ৰশিদ আলম, গোৱালপাৰা পূৱঃ** আমাৰ মন্ত্ৰী বাইদেউৰে ক'লে যে ধুবুৰী জিলাত শিলৰ কুৱেৰী খোলাৰ বাবে order দিয়া হৈছে বা খোলাৰ কাৰণে চেষ্টা কৰিছে। এমাহ মান আগত বন বিভাগৰ আয়ুক্তই অসমৰ গোটেই D.F.O.ক চিঠি দি সকলো কুৱেঁৰী বন্ধ কৰি থৈ দিছে। এইটো অকল ধুবুৰীতে নহয়, গোটেই অসমত কৰিছে। বাইদেউ, সেই চিঠিখনৰ বিষয়ে জ্ঞাত নেকি আৰু বাইদেউৰ পৰা সেই চিঠিখন approval লৈ দিছিল নেকি? কাৰণ গোটেই অসমতে বন্ধ কৰি থৈ দিছে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়ানী, আপোনাক এখন চিঠিৰ কথা কৈছে। আপুনি চিঠি খনৰ বিষয়ে জ্ঞাত নেকি জানিব বিচাৰিছে আৰু যদি এতিয়া আপোনাৰ ওচৰত detailed data নাই তেনেহ'লে পিছত দিব।

**প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী, বন পৰিৱেশ ইত্যাদিঃ** মাননীয় সদস্য ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে মই ভালকৈ বুজি পোৱা নাই।

**মাননীয় অধ্যক্ষঃ** গোটেই অসমত শিলৰ কুৱেৰীবোৰ বন্ধ কৰি দিয়াৰ কিবা Notification চৰকাৰৰ ফালৰ পৰা গৈছে নেকি?

**প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী, বন পৰিৱেশ ইত্যাদিঃ** তেনেধৰণৰ কোনো Notification যোৱা নাই।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, এইটো আপুনি examine কৰি পিছত ঠিক কৰি ল'ব, মইয়ো এই বিষয়টো চাম।

**শ্ৰী আবুল কালাম ৰশিদ আলম, গোৱালপাৰা পূৱঃ** চিঠিৰ কপিটো মই দি দিব পাৰিম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, আপুনি চিঠিৰ কপি এটা মোক দিব, I will take care.

**শ্ৰী আবুল কালাম ৰশিদ আলম, গোৱালপাৰা পূৱঃ** সকলো D.F.O.ক দিছে।

**মাননীয় অধ্যক্ষঃ** Question No. 27, Rabiram Narzary.

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী, জল সম্পদ ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী, কোকৰাঝাৰ পশ্চিমঃ** Hon'ble Speaker Sir, মোৰ প্ৰশ্নৰ উত্তৰ মই ইতিমধ্যে সদনত পাইছো। ইয়াত বানুভৰৰ পৰা আৰম্ভ কৰি গছকাটালৈ ১০ খন যি গাঁও আছে, প্ৰত্যেক বছৰে বানপানীৰ সময়ত ঘৰৰ ভিতৰত ককাল পৰ্যন্ত পানী সোমায়। গতিকে এতিয়া যিটো reply দিয়া হৈছে, বিভাগে SCA ৰ অধীনত scheme ধৰি বি.টি.চি ৰ কৰ্তৃপক্ষলৈ প্ৰেৰণ ক ৰা হৈছে বুলি কৈছে। মই জনা মতে, আমাৰ বালুগাঁওৰ পৰা খাগ্ৰাবাৰীলৈ ৪ কিঃমিঃ মান দূৰত্ব হয়, ইয়াৰে মাত্ৰ ২ কিঃমিঃ লৈকে আঁচনিটো ধৰিবৰ বাবে বি.টি.চি.ৰ কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰা হৈছে। বাকী ২ কিঃমিঃ ত এতিয়াও একো আঁচনি ধৰা হোৱা নাই। গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা এইখিনিতে জানিব বিচাৰো যে যিহেতুকে অসমৰ বানপানী আৰু গৰাখহনীয়াৰ সমস্যাটো অসম চৰকাৰে অকলে সমাধান কৰিব নোৱাৰে, কেন্দ্ৰীয় চৰকাৰৰ পৰা সহায় ল'ব লগীয়া হয়, ঠিক তেনে ধৰণে বি.টি.চি. চৰকাৰেও অকলে বানপানী আৰু গৰাখহনীয়া সমস্যাটো প্ৰতিৰোধ কৰিব নোৱাৰিব। গতিকে বাদ পৰি যোৱা ২ কিঃমিঃ ৰাস্তা যিটো আছে, সেইটো বি.টি.চি. কৰ্তৃপক্ষক সহায় কৰাৰ স্বাৰ্থত under special consideration ত মথাউৰি বান্ধিবৰ কাৰণে পুঁজি এইবাৰৰ বাজেটত ধাৰ্য কৰিব নেকি সেইটো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী, জল সম্পদ ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই চমুকৈ উত্তৰটো দি দিছো। আমি SDRF ৰ টকা ধৰিবলৈ তাত existing embankment থাকিব লাগে। তেতিয়া মেৰামতিৰ কাৰণে SDRFয়ে দিয়া টকা পইচা ধৰাৰ ক্ষেত্ৰত SDRF য়ে মূল। বিশেষকৈ, বি.টি.চি.ৰ area ত এই embankment বোৰ হয়তো নাই বা ই খুব কম। সেইকাৰণে নতুন মথাউৰিৰ কথা চিন্তা কৰিব যদিও আমি SDRF ৰ শিতানত ১ কোটি ১৮ লাখ ৯ হাজাৰ কোটি টকাৰ এখন আঁচনি কৰিছো যিটো এতিয়া অন্তিম পৰ্যায়ত আছে। আমি ভাৱিছো এইখন আঁচনি আ পোনালোকৰ তাত মঞ্জুৰ কৰি আপোনালোকৰ এই কাম খিনি সম্পূৰ্ণ নহ'লেও কিছু আগবঢ়াব পৰা যাব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ ঃ** .......

**মাননীয় অধ্যক্ষ ঃ** মই আপোনালোকক এটা পৰামৰ্শ দিছো। যদি কোনোবাই প্ৰশ্ন ভুল কৰি দিছে this is a breach of privilege.You can break breach of privilege motion.This is not a point of order. তাৰ কাৰণে মই special mention দি দিছো।

**শ্ৰী নুৰুল হুদা ঃ** ২০১৭ ৰ বিধান সভা অধিবেশনত মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে কৈছিল যিবিলাক পানী যোগান আঁচনি.................................................................।

**মাননীয় অধ্যক্ষ ঃ** This is not a point of order.You can sit. point of order নোহোৱাকৈ মই a special mention বুলি পাঁচটা subject daily ল'ব বিচাৰিছো। যিবিলাক আপোনালোকে কব খোজে under rule 301 which are not of point of order you can raise earlier আমাৰ method টো অলপ খেলি মেলি হৈ আছিল। সেই কাৰণে মই অলপ সৰুকৈ পাঁচটা দিছো। you can come.আপোনালোকৰ কথাবিলাক শুনাটো ময়ো

বিচাৰো। কিন্তু ৰুল মতে নচলালে মই জানো ভাল অধ্যক্ষ হ'ব পাৰিম। ৩০১ টো আপোনালোকে ভালদৰে ষ্টাডী কৰিব।

এতিয়া চক্রধৰ গগৈ আপোনাৰ বিষয়টোৰ বিষয়ে অলপ কব নেকি?

**শ্রী চক্রধৰ গগৈ, মৰাণ ঃ** বিষয়টো আছিল আমাৰ Autonomus Council বিলাকৰ দৰমহা।

**মাননীয় অধ্যক্ষ ঃ** চক্রধৰ গগৈ, কমলাক্ষ দে পুৰকায়স্থ, ৰেকিবুদ্দিন আহমেদ, আমিনুল ইছলাম, গুনীন দাসৰ একেধৰণৰ আছিল। এতিয়া চক্রধৰ গগৈয়ে কওঁক।

**শ্রী চক্রধৰ গগৈ, মৰাণঃ** অধ্যক্ষ মহোদয়, আমি এটা কথা মন কৰিছো যে অসমৰ যিবিলাক Autonomus Council আছে, তাৰ ভিতৰত সোনোৱাল কছাৰী, মিচিং, দেউৰী, তিৱা ইত্যাদি বিভিন্ন ধৰণৰ Autonomus Council আছে। কিন্তু Council বিলাকৰ যিবিলাক সদস্য আছে বা তাত যিবিলাক চাকৰিয়াল আছে সেই চাকৰিয়াল বিলাকৰ দৰমহা একেবাৰে তাকৰ। তাৰ ফলত তেওঁলোকে যেনেদৰে চাৰভিচ দিব লাগে তেনেদৰে চাৰভিচ দিয়াত অসুবিধা পাইছে। ইয়াৰ উপৰিও পূৰ্বতে আমি দেখিছিলো যে Autonomus Council বিলাক পূৰ্বৰ চৰকাৰৰ দিনত যথেষ্ট পৰিমানে সমস্যাত ভুগিবলগীয়া হৈছিল আৰু মই ভাৱো এইটো দিছিল একমাত্ৰ দৰমহা বিলাক কম হোৱাৰ বাবে। তেতিয়া আমাৰ চৰকাৰে স্বচ্ছতাৰে কাম কৰিবলৈ নিৰ্দ্দেশ দিয়াত গোটেই বোৰ Council য়ে ভালদৰে কাম কৰিবলৈ আৰম্ভ কৰিছে। কিন্তু তেওঁলোকে দৰমহাৰ কাৰণে যথেষ্ট সমস্যা ভুগিবলগীয়া হৈছে। গতিকে যদি মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যাতে আগন্তুক দিনত আমাৰ এই Autonomus Council বিলাকত যিসকল চাকৰিয়াল তথা মেম্বাৰচ আছে, তেওঁলোকক বুজন পৰিমাণৰ বা চলিব পৰাকৈ যাতে দৰমহাৰ ব্যৱস্থা কৰে এই কথাখিনি মোৰ ফালৰ পৰা জনালো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** Minister. Gunin Das, Aminul Islam এ কিবা কব নেকি? একেখন ন'টিচেই আছে।

**শ্রীমতী প্রমীলা ৰাণী ব্ৰহ্ম, পূব কোকৰাঝাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দৈনিক জনমভূমি" কাকতৰ ০৫-০২-২০১৮ তাৰিখৰ বাতৰি কাকতত ওলোৱা স্বায়ত্ব শাসিত পৰিষদৰ কৰ্মচাৰীৰ বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টিগোচৰ হৈছে।

এই বিষয়ত ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগে কৰ্মচাৰী, বিত্ত আৰু ভৈয়াম জনজাতি বিভাগৰ সিদ্ধান্ত মৰ্মে ছয়টা স্বায়ত্ব শাসিত পৰিষদৰ বিষয়া আৰু কৰ্মচাৰীৰ পদ সৃষ্টি কৰিবৰ বাবে বিত্ত বিভাগলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিছে।

দৈনিক জনমভূমি কাকতত ওলোৱা বাতৰি অনুসৰি নিৰ্বাচিত হৈ অহা স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্য্যবাহী সদস্য, অধ্যক্ষ, উপ মুখ্য কাৰ্য্যবহী সদস্য, উপাধ্যক্ষ, কাৰ্য্যবাহী সদস্য, সাধাৰণ সদস্য সকলৰ মাহিলী দৰমহা বৃদ্ধি কৰিবৰ বাবে দাবী জনোৱা বিষয়টোত চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। এই সন্দৰ্ভত চৰকাৰে ২০০৮ চনত বিভগীয় অধিসুচনা নং TAD/BC/223/95/67, তাং 29/07/2008 যোগে দৰমহা নিৰ্ধাৰিণ কৰি দিছিল। এতিয়ালৈকে দৰমহা সংশোধনৰ আবেদন সোনোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদৰ তৰপৰ পৰা পোৱা গৈছে। এই আবেদনৰ ওপৰত ভিত্তি কৰি সঞ্চালক, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী, অসমক বিত্ত বিভাগৰ পত্ৰ নং FEC(I)-155/2015/17, তাং 02/08/2017 সকলো দিশ চালিজাৰি চাই যথাযথ প্ৰস্তাৱ প্ৰেৰণ কৰিবলৈ এই বিভাগৰ চিঠি নং TAD/BC/639/2017/17,তাং 22/11/2017 ৰ দ্বাৰা নিৰ্দ্দেশ দিয়া হয়। উক্ত দৰমহা সংশোধন কৰিবৰ বাবে বিত্ত বিভাগে বাজেটৰ ব্যৱস্থা কৰি অনুমতি প্ৰদান কৰিলে

ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগে নিৰ্বাচিত সদস্য আৰু কৰ্মচাৰী সকলৰ দাবী মতে মাননি বৃদ্ধিৰ ব্যৱস্থা লোৱাত বিভাগৰ আপত্তি নাই।

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ পিছত গুনীন্দ্ৰ নাথ দাস ।

**শ্ৰী গুনীন্দ্ৰ নাথ দাস, বৰপেটা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক যোৱা ৭ তাৰিখে " দৈনিক জনমভূমি" কাককতত প্ৰকাশিত হোৱা " অথলে গ'ল বনমন্ত্ৰীৰ তৎপৰতা, বেঁকী নৈৰ শিল বালি মহলত ব্যাপক দুৰ্নীতি"। মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে আমাৰ চৰকাৰৰ আজি শপত গ্ৰহণৰ পিছৰ পৰাই মাননীয় মন্ত্ৰী মহোদয়ে এই অবৈধ শিল বালি, বন, কাঠ এইবিলাকৰ বিৰুদ্ধে যুদ্ধ কৰি আহিছে। ৰাতিয়ে দিনে আমি টিভিত দেখা পাই আহিছো। তাৰ কাৰণে মন্ত্ৰী মহোদয়ক ধন্যবাদ যাচিছো। কিন্তু মন্ত্ৰী মহোদয়, মই আপোনাক অতি দুখেৰে জনাব লগীয়া হৈছে যে বৰপেটা জিলাৰ বেঁকী নৈত বহু পৰিমাণে শিল বালি পোৱা যায়। কিন্তু তাত এটা অবৈধ চক্ৰই আমাৰ চৰকাৰৰ ৰাজহৰ ধন যথেষ্ট ক্ষতি কৰিছে। আমি দেখা পাওঁ যে দৈনিক বহু কাঠ শিল, বালি বিনা চালানেৰে পাৰ হৈ যায়। এই ক্ষেত্ৰত কিছু কিছু কৰ্মচাৰী আৰু আমাৰ বিভিন্ন বিভাগত কৰ্মৰত কৰ্মচাৰীয়ে সহায় সহযোগ কৰে আৰু কিছু ব্যক্তি ইয়াৰ লগত জড়িত হৈ আছে। মই মোৰ অভিজ্ঞতাৰ পৰা কওঁ যে কিছুদিন আগতে মই মোৰ নিজৰ ব্যৱহাৰৰ কাৰণে শিল বালি লবলৈ যাওঁতে ড্ৰাইভাৰ ক'লে যে যদি আপুনি আপোনাৰ ঘৰত ব্যৱহাৰৰ বাবে বালি শিল নিয়ে তেতিয়াহ'লে গেটত per cm 200 টকাকৈ কম পাব। এখন ট্ৰাকত ১৭ চি এম শিল আহে। গতিকে মন্ত্ৰী মহোদয়, যদি এক গাড়ীত 17 x 200 = 3400 টকা কম পাওঁ, তেতিয়া হ'লে ভাৰক কিমান ব্যাপক হাৰত দুৰ্নীতি হৈ আছে। মই কৈছো যে মই লিখি দিব নোৱাৰো। কিছু বন বিভাগৰ কৰ্মচাৰীয়ে এনে ধৰণৰ ব্যাপক দুৰ্নীতিত সহযোগ কৰি আহিছে। বিশেষকৈ ৰঙিয়াৰ উত্তৰ কামৰূপ সংলগ্ন বন বিভাগৰ যিটো কাৰ্য্যালয় আছে তাতো ব্যাপক দুৰ্নীতি হয়। তাৰ লগতে মই আপোনাক এটা কথা উনুকিয়াই দিব বিচাৰিছো যে বৰপেটা চহৰৰ ১৪ নং ৱাৰ্ডৰ মৰাছালখোৱাত ব্যাপক হাৰত মাটি মহল লৈ দিন ৰাতি শ শ ট্ৰেকটৰেৰে মাটি কাটি প্ৰদুষণৰ সৃষ্টি কৰি আছে। যাৰ ফলত স্কুল কলেজলৈ যাব নোৱাৰা হৈ গৈছে। ট্ৰেফিক জাম হৈ গৈছে। আজি দুমাহ আগতে মই মন্ত্ৰী মহোদয়ক অফিচত গৈ তেখেতৰ পি এচ ক এটা অভিযোগ দিছিলো। কিন্তু কোনো ধৰণৰ ব্যৱস্থা লোৱা দেখা নাই। ঠিক তেনেদৰে মই CCF ক লগ নোপোৱাৰ বাবে তেখেতৰ পি এচক অভিযোগ দিছিলো যে এইটো বন্ধ কৰিব লাগে। কিন্তু কোনো ধৰণৰ ব্যৱস্থা লোৱা দেখা নাই। গতিকে মই ভাৱো যে মন্ত্ৰী মহোদয়ে আজি ইমান কষ্ট কৰাৰ পিছতো কিছু দুৰ্নীতি কৰণ বিষয়াৰ বাবে চৰকাৰে যিটো স্বচ্ছতাক আদৰি লৈছে সেই ক্ষেত্ৰত কিন্তু প্ৰতিবন্ধকতা আহিছে। গতিকে মই ভাৱা যে যিবোৰ অবৈধ শিল, বালি চালান বিহীন ভাৱে সৰবৰাহ কৰি আছে এইবোৰ বন্ধ কৰি যাতে চৰকাৰে ব্যাপক হাৰত ৰাজহ পায় তাৰ বাবে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মিনিষ্টাৰ প্লিজ.

**মাননীয়া বনমন্ত্ৰী শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ডাঙৰীয়াই যিটো বিষয় আমাৰ পবিত্ৰ সদনত দাঙি ধৰিছে, সেই বিষয়টোৰ ওপৰত আমাৰ চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। মাননীয় অধ্যক্ষ মহোদয়, যিটো বিষয় মাননীয় সদস্য ডাঙৰীয়াই উত্থাপন কৰিছে, এই সকলো কথা মোৰ দৃষ্টিগোচৰ হৈছে আৰু মাননীয় সদস্য ডাঙৰীয়াই ডাইৰেক্টলি মোৰ লগতো আলোচনা কৰিছে। এই বিষয়টো সন্দৰ্ভত বহুত অবৈধ কাম-কাজ চলি আছে। এই অবৈধ কাম-কাজটো যাতে

আমি বন্ধ কৰিব পাৰো. তাৰ কাৰণে তাৰ উপাযুক্ত ডাঙৰীয়া, আৰক্ষী অধীক্ষক তেওঁলোকৰ লগতো মই আলোচনা কৰিছো। এতিয়া মই ভাবিছো যে, তেওঁলোকৰ লগত মই নিজাকৈ বহি সেই সমস্যা কেনেকৈ সমাধান কৰা যায়, ইয়াৰ ওপৰত মই বিবেচনা কৰিম আৰু বিহীত ব্যৱস্থা লোৱাৰ কাৰণে মই চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ শেষৰটোত শ্ৰী আমিনুল ইছলাম.......

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি 'দৈনন্দিন বাৰ্তা' বাতৰি কাকত ''ত প্ৰকাশিত "আসোঁৱাহ সমিতিৰ বাহানাৰে শিক্ষকক বিধি বৰ্হিভূত দৰমহা দিয়াৰ ষড়যন্ত্ৰত চৰকাৰ; ন্যায়ালয়ক অৱমাননাৰে শিক্ষকৰ লগত জেদ কৰিছে ৰাজ্য চৰকাৰ" বিধি বৰ্হিভূত ফিক্সেচনৰ নামত শিক্ষকক হাৰাশাস্তি, একাংশ কোষাগাৰত আন্দোলনৰ হুংকাৰ, এই শীৰ্ষক যিটো বাতৰি কালি প্ৰকাশিত হৈছিল, এই বিষয়ে মই চৰকাৰক দৃষ্টিগোচৰ কৰিব বিচাৰিছো, আৰু আচলতে মই শিক্ষামন্ত্ৰীক টাৰ্গেট নকৰি মই লিখিছিলো। মুখ্যমন্ত্ৰী মহোদয়লৈও লিখিছিলো এই কাৰণেই যে, ইয়াত যিকেইটা বিষয় আছে, মুখ্যমন্ত্ৰী মহোদয়ৰ হস্তক্ষেপৰ দৰকাৰ হৈছে। অলপ আগলৈকে মুখ্যমন্ত্ৰী মহোদয় হাউচত আছিল। যিয়ে নহওঁক, এতিয়া ইয়াত প্ৰব্লেমটো হ'ল যে, যিসকল গ্ৰেজুয়েট টিছাৰ আপাৰ প্ৰাইমাৰী স্কুলত কাম কৰি আছে, বা এম ভি স্কুলত কাম কৰি আছে, তেওঁলোকক গ্ৰেজুয়েট স্কেল দিব লাগে এই আন্দোলনটো বহুতদিন আগৰ পৰা চলি আছে, আৰু যোৱা ২০১২ চনৰ পৰা আকৌএম ই স্কুলৰ কাৰণে আৰু এম ভি স্কুলৰ কাৰণে গ্ৰেজুয়েট ডিগ্ৰী compulsory কৰিছে, For teachers appointment, teachers should be graduate.এতিয়া গ্ৰেজুৱেট টিছাৰৰ Recruiment হৈছে, কিন্তু চেলাৰী দিয়ে ইণ্টাৰমিডিয়েট স্কেলত ( হায়াৰ চেকেণ্ডাৰী-পি উ পাছ)। আগতে আছিল যে, এম ই স্কুল বিলাকত হাই চেকেণ্ডেৰী বা পি উ ডিগ্ৰীধাৰীয়ে চাকৰি পাইছিল। তেওঁলোকক ইনটাৰমিয়েটেড স্কেলত দৰমহা দি থকা হৈছিল। ২০১২ চনৰ পৰা আকৌ চৰকাৰে গ্ৰেজুয়েটটো কম্পালচৰি কৰিছে। For M.E schools and M.V schools teachers should be graduate. Graduate teachers appointment দি আছে ইনটাৰমিদিয়েট স্কেলত। এই কথাটোৰ কাৰণে আন্দোলন হৈ আছিল। সেই কাৰণে আমাৰ ৰাজ্য চৰকাৰৰ দৰমহা আয়োগে তেওঁলোকক তিনি হাজাৰ গ্ৰেড পে দি আঠ হাজাৰ সাতশ টকা দিব লাগে বুলি অলৰেডি অৰ্ডাৰ দিছে। অৰ্ডাৰ দিয়াৰ পাছতো বিত্ত বিভাগে নিদিয়ে। বিত্ত বিভাগে দিয়ে ছয়হাজাৰ আঠশকে। আগৰ যিটো ৰেট কিন্তু ৰাজ্য চৰকাৰৰ দৰমহা আয়োগে দিয়া ৰিক'মেণ্ডেশ্যন বিত্ত বিভাগে মানি লোৱা নাই। তাৰ পাছত তেওঁলোকে হাই কোৰ্টত কেছ কৰিছে। হাই কোৰ্টে কৈছে যে, আঠ হাজাৰ সাতশই দিব লাগে। যিটো ৰাজ্য চৰকাৰৰ দৰমহা আয়োগে ফিক্স কৰিছে। তেওঁলোকে কৈছে যে, দৰমহা আসোঁৱাহ সমিতিয়ে যিটো ৰিক'মেণ্ডেশ্যন দিব, সেইমতে কাম হব। আসোঁৱাহ সমিতিটো মই যিমানদুৰ বুজি পাইছো যে, আসোঁৱাহ সৃষ্টি কৰিবলৈ নহয় দৰমহা আসোঁৱাহটো দূৰ কৰিবলৈ বনাইছে। গতিকে বিষয়টো আসোঁৱাহ সমিতিৰ বিচাৰধীন হৈ আছে যে দৰমহা আসোঁৱাহ সমিতিয়ে বিষয়টো বিচাৰ কৰি আছে যে, তেওঁলোকক কি দিয়া হব। কিন্তু কোৰ্টে জাৰ্জমেণ্ট দিছে যে, যেতিয়ালৈকে দৰমহা আসোঁৱাহ সমিতিয়ে কোনো সিদ্ধান্ত নিদিয়ে,তেতিয়ালৈতে ৰাজ্য চৰকাৰৰ দৰমহা আয়োগৰ ৰিক'মেণ্ডেশ্যন মতে আঠ হাজাৰ সাতশ কৈ দিয়া হওঁক। কিন্তু বিত্ত বিভাগে ছয় হাজাৰ আঠশ দি আছে, যিটো টিছাৰ সকলে মানি নলয়। এতিয়া সেই কাৰণে ছয়, আঠ মাহ ধৰি তেওঁলোকৰ দৰমহা বন্ধ হৈ আছে। এতিয়া এই বিষয়টো লৈ এটা প্ৰতি ক্ৰিয়াৰ সৃষ্টি হৈ আছে। কিছুমান ডিষ্ট্ৰিক্টত ট্ৰেজাৰিয়ে আঠহাজাৰ সাতশ দিয়ে। কিছুমানে কৈ আছে ছয় হাজাৰ সাতশকে লব

লাগিব। ট্ৰেজাৰি বিলাকেও এটা খেলি-মেলি কৰি আছে। বিত্ত বিভাগৰ মতে ছয় হাজাৰ আঠশ য়ে লব লাগিব। আঁকোৰগোজ। তিনি হাজাৰ গ্ৰেড পে টো দিয়া নাই। যিটো চাইন্স গ্ৰেজুয়েটক দিয়া হৈছে। একেখন বিদ্যালয়ৰ যিজন চাইন্স গ্ৰেজুয়েট তেওঁক দিয়া হৈছে আঠ হাজাৰ সাতশ, আৰ্টচ গ্ৰেজুয়েট জনক দিয়া হৈছে, ছয় হাজাৰ আঠশ । গতিকে কোৱালিফিকেশ্যনটো একেটা মে বি চাইন্স এণ্ড আৰ্টচ । এই কথাটোত দৰমহা আসোঁৱাহ সমিতিয়ে এতিয়ালৈকে একো সিদ্ধান্ত দিয়া নাই। ৰাজ্য চৰকাৰৰ দৰমহা আয়োগে যিটো কৈছে, ন্যায়ালয়ে যিটো কৈছে, সেই মতে যদি এতিয়া বিত্ত বিভাগে অনুমোদন দিয়ে, তেনেহ'লে তেওঁলোকৰ আঠ মাহ মাহৰ যিটো দৰমহা বন্ধ হৈ আছে, সেইটো খোলা হ'ব লাগে। গতিকে এই ক্ষেত্ৰত মুখ্যমন্ত্ৰী মহোদয় যদিও নাই, মই জানো যে, আমাৰ পাৰ্লিয়ামেন্টেৰী এফেয়াৰ্চ মিনিষ্টাৰ আছে, তেখেতে যদি কথাটো মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰে, আৰু তেখেতে হস্তক্ষেপ কৰিলে নিশ্চয় এই আসোঁৱাহ সমিতিয়ে সিদ্ধান্ত দিয়াৰ আগতে আসোঁৱাহটো দূৰ হব। এইখিনি মই আপোনাৰ জৰিয়তে দৃষ্টিগোচৰ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** থেংক ইউ। মিনিষ্টাৰ.......

**মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিখিনি কথা কৈছে, মই ভালকৈ শুনিছো আৰু বিষয়টো গুৰুত্ব সহকাৰে বিবেচনা কৰা হৈছে আৰু এই সম্পৰ্কত অহাকালি এটা ষ্টেটমেণ্ট দিম মই। কাৰণ মই এতিয়া ইয়াত হাউচত অহাৰ পিছতহে জিৰ' আৱাৰ নোটিচ দেখিছো। গতিকে অহাকালি এটা মই ষ্টেটমেণ্ট দিম। আৰু আপোনাৰ কথাখিনিৰ লগতে এই বিষয়টো অৱগত কৰিম।

**মাননীয় অধ্যক্ষ ঃ** থেংক ইউ। মই Hon'ble মেম্বাৰ আমিনুল ইছলামকো আমি শিক্ষা বিভাগৰ ওপৰত এটা ডিটেইল ডিচকাশ্যন দিছো। তাতো নিশ্চয় এইবিলাক কথা ডিচকাশ্যন হব। we will be able to find out some solutions. সেই কাৰণে ঠিক আছে। এতিয়া তেখেতক সেইটো আমি জিৰ' আৱাৰত এলাও কৰিব পাৰো। ইয়াৰ পাছত আইটেম নং-২.

শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, আণ্ডাৰ ৰুল ৫৪।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পূৰ গুৱাহাটী ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত " বৰঝাৰ বিমানবন্দৰলৈ মহাবাহু ব্ৰহ্মপুত্ৰৰ ভাবুকি " শীৰ্ষক বিষয়টো মই মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। চাৰ, আমাৰ বৰঝাৰত যিখন আন্তঃৰাষ্ট্ৰীয় এয়াৰপোৰ্ট আছে, এই আন্তঃৰাষ্ট্ৰীয় এয়াৰপোৰ্ট খন অকল পশ্চিম গুৱাহাটীৰ বাবে নহয়। অসমৰবাবেও নহয়। এইখন এখন উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এয়াৰপোৰ্ট। এতিয়া এই এয়াৰপোৰ্টত বাৰিষা সময়ত যিটো অৱস্থাৰ সৃষ্টি হয়, সেইটো অভাৱনীয়। মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আপুনি জানে যে, আমাৰ ইণ্টাৰনেশ্যনেল এয়াৰপোৰ্টৰ পৰা ব্ৰহ্মপুত্ৰ নদী বেছি দূৰত নহয়। খুউৰ বেছি এতিয়া এক কিলোমিটাৰমান হ'ব। এতিয়া বাৰিষাৰ সময়ত আমাৰ এই ব্ৰহ্মপুত্ৰ নদীখন আমাৰ আন্তঃৰাষ্ট্ৰীয় এয়াৰপ'ৰ্টখন এক এটা ভাবুকি স্বৰূপ হৈ পৰিছে। ইতিমধ্যে যদিও আমাৰ শদিলাপুৰৰ পৰা মাজিৰ গাওঁলৈকে এই বৃহৎ সমস্যাটো বিভিন্ন স্থানত গড়াখহনীয়াৰ প্ৰটেকশ্যনৰ কাম কৰা হৈছে, সেইটো বহুবছৰ আগতে নিৰ্মাণ কৰাৰ কাৰণে কিছুমান ঠাইত যি স্পাৰ্ৰ কৰা হৈছিল, সেই স্পাৰ্ৰ সমূহ এতিয়া সোলোক ধোলোক অৱস্থাত পৰিণত হৈছে। যদি এদিন ভালকৈ বৰষুণ দিয়ে, তেনেহ'লে সেই স্পাৰ্ৰ সমূহ গড়াখহনীয়াৰ কবলত পৰিব। বিশেষভাৱে আমাৰ পশ্চিম গুৱাহাটী সমষ্টিৰ এয়াৰপোৰ্টৰ ওচৰত গুৱাহাটী বিশ্ববিদ্যালয়খনো আছে। গতিকে এতিয়া ব্ৰহ্মপুত্ৰত যিটো গড়াখহনীয়া এই গড়াখহনীয়া প্ৰতিৰোধৰ কাৰণে মই বিভিন্ন সময়ত বিধান সভাতো উত্থাপন কৰিছিলো

আৰু আমাৰ মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াইও পৰিদৰ্শনৰ বাবে গৈছিল। মাজে মাজে যি ধৰণে গড়াখহনীয়া বৰ্তমান অব্যাহত আছে, সেই ক্ষেত্ৰত যদি এই বাৰিষাৰ আগতে গড়াখহনীয়াৰ প্ৰতিৰোধৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ নকৰে, তেনেহ'লে এটা ভয়ংকৰ অৱস্থাৰ সৃষ্টি হ'ব। আৰু ঠিক তেনেধৰণে যোৱা বাৰিষাত মই লক্ষ্য কৰিছো যে বাৰিষা হলেই আমাৰ আন্তঃৰাষ্ট্ৰীয় এয়াৰপ'ৰ্টখনো আনকি বানপানীৰ কবলত পৰিবলগীয়া হৈছে, ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰীও এই ক্ষেত্ৰত প্ৰত্যক্ষ কৰিছে আৰু ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰীয়ে আমাৰ মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰীকো এই সম্পৰ্কত গোটেই কথাখিনি কৈছে। আৰু সেই মৰ্মে মাননীয় মুখ্যমন্ত্ৰীয়ে মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াকো এই ক্ষেত্ৰত চাৰ্জে কৰি এটা ব্যৱস্থা লোৱাৰ কথা কোৱা হৈছিল। আৰু অৱশ্যে মাননীয় জলসম্পদ মন্ত্ৰী ডাঙৰীয়াইও তৎকালীনভাৱে বিষয়াসকলৰ সৈতে মোকো লৈ এটা আলোচনা অনুষ্ঠিত কৰিছিল। কিন্তু আলোচনাৰ পাছত বিষয়া সকলে যিটো তৎপৰতাৰে কাম কৰিব লাগে মই ভাবো সেই তৎপৰতা অৱলম্বন কৰা নাই। কাৰণ, অধ্যক্ষ মহোদয়, আপুনি জানে যে, অলপতে আমাৰ যিখন ইণ্টাৰনেশ্যনেল এয়াৰপোৰ্ট এই এয়াৰপোৰ্টত আমাৰ অসামৰিক বিমান পৰিবহণ বিভাগৰ মন্ত্ৰী মহোদয়ে. ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী , মাননীয় পৰিবহণ মন্ত্ৰীৰ উপস্থিতিত এটা ইনট্ৰিগেটেট টাৰমিনেলৰ আধাৰশিলা ইতিমধ্যে স্থাপন কৰা হৈছে। এটা ইণ্টিগ্ৰেটেড টাৰমিনেলৰ ইতিমধ্যে আধাৰশিলা স্থাপন কৰা হৈছে। যিটো আধাৰশিলা ইতিমধ্যে স্থাপন কৰা হৈছে, সেইটো ইণ্টাৰনেচনেল আৰু ডমেষ্টিক । দুইধৰণৰ যাত্ৰী যাতে থাকিব পাৰে তাৰ বাবে প্ৰায়১২৩৪ কোটি টকাৰ এই প্ৰজেক্টটো লোৱা হৈছে। গতিকে এই প্ৰজেক্টটো সফল কৰিবৰ বাবে আমাৰ সেই অঞ্চলটোৰ পানীখিনি উলিয়াই নি যদি কৰবাত পেলাই দিয়া নহয় তেনেহলে ইয়াতকৈ আৰু বেছি ভয়ংকৰ অৱস্থাৰ সৃষ্টি হব। সেই কাৰণে মই এটা পৰামৰ্শ দিছিলো যে, আজাৰাৰ পৰা কালমনি নদী হৈ যদি দখলা হৈ কুলচি নদীত এটা কেনেল কৰি পানীখিনি যদি আমি কুলচি নদীত পেলাই দিব পাৰো, তেতিয়া হলে আমাৰ যিটো আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ আছে এই অৱস্থাৰ পৰা ৰক্ষা পাব। আৰু যদি কৰা নহয় তেনেহলে আগন্তুক বাৰিষাত ইয়াতকৈ আৰু ভয়াবহ অৱস্থাৰ সৃষ্টি হব। গতিকে মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে যিটো ব্যৱস্থাৰে আজি আমাৰ গ্ৰামাঞ্চলৰ উপৰিও আমাৰ আন্তঃৰাষ্ট্ৰীয় এয়াৰপোৰ্ট ত যদি তৎকালীন ভাৱে তৎপৰতাৰে এই কামখিনি কৰা নহয়, তেনেহলে তাৰ অৱস্থা যথেষ্ট পৰিমানে শোচনীয় হব। সেয়েহে মাননীয় অধ্যক্ষ মহোদয়ে আজি এই ৰাজহুৱা গুৰুত্বপূৰ্ণ সমস্যাটো উত্থাপন কৰিবৰ বাবে সুযোগ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো লগতে জলসম্পদ মন্ত্ৰী ডাঙৰীয়াই যাতে এই ক্ষেত্ৰত এটা যোগাত্মক ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে মই অনুৰোধ জনাইছো। লগতে তেখেতে কিছু কাম কৰিছেও। সেইটো মই অস্বীকাৰ কেতিয়াও নকৰো। এই ক্ষেত্ৰত এটা বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিবৰ কাৰণে মই অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ**- মিনিষ্টাৰ, প্লিজ

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰীঃ**- মাননীয় অধ্যক্ষ মহোদয়, এই গুৰুত্বপূৰ্ণ বিষয়টো আজি দৃষ্টিগোচৰ কৰাৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো। এই বিষয়টো মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াৰ লগত মই নিজে সেই অঞ্চললৈ গৈছিলো আৰু পিচত বিষয়া সকলক লৈ ইয়াৰ কাৰণে সভা অনুস্থিতহৈছিল। আৰু এই সভা অনুস্থিত হোৱাৰ পাছত আমি কেইটামান কাম কৰিবলৈ দিছো। তাৰ ৰেভিনিউ চাৰকোলৰ লগত মিলাই তাত যিবিলাক চেনেল আছে সেই ঠাই বিলাক আগতে মুক্ত অৱস্থাত আছিল, পথাৰ আছিল, এতিয়া লাহে লাহে তাত ঘৰ হৈছে অন্যান্য ইণ্ডাষ্ট্ৰি হৈছে আৰু এই

গোটেই ঠাইখিনি ঠিকে হৈ আহিছে। গতিকে তেখেতৰ লগত বহি যেতিয়া প্ৰথম আলোচনা কৰিছিলো, প্ৰথম আমি ৰেভিনিউ চাৰকোলক আৰু আমাৰ জলসম্পদ বিভাগৰ বিষয়া জইন্টলি গৈ আমি তাত সীমাবিলাক নিৰ্দ্ধাৰণ কৰিববলৈ ঠিক কৰিছিলো। আৰু ইতিমধ্যে সীমা নিৰ্দ্ধাৰণৰ কাম চলিছে যদিও এন আৰ চি ৰ কাৰণে চাৰ্কোল অফিচাৰ বিলাকে যেনেকে সময় দিব লাগে তেনে ধৰণে সময় দিব পৰা নাই কাৰণে তেখেতে হয়তো কৈছে যে কাম বিলাক খৰতকীয়া হোৱা নাই। খৰতকীয়া নোহোৱাৰ কাৰণটো হৈছে এন আৰ চি ৰ কাৰণে সকলো বিষয়া এতিয়া জড়িত। গতিকে তেওঁলোকে যেনে ধৰণে তাত সময় দিব লাগে দিব পৰা নাই। আচলতে মহাবাহু ব্ৰহ্মপুত্ৰ নৈৰ দক্ষিণ পাৰে কামৰূপ গ্ৰাম্য জিলাৰ ধাৰাপুৰ আৰু মাঝিৰ গাওঁৰ ওচৰত বৰঝাৰ বিমান বন্দৰটো অৱস্থিত। বিমান বন্দৰৰ দক্ষিণ দিশে মেঘালয় পাহাৰ আৰু পূৰ পশ্চিম দিশে দীপৰ বিলকে ধৰি বিভিন্ন জলাশয় আছে। মেঘালয় আৰু ইয়াৰ ওচৰ চুবুৰীয়া অঞ্চলত হোৱা প্ৰচুৰ বৰষুণ আৰু এই ৰাণী অঞ্চলৰ পৰা বৈ অহা পানীৰে এই অঞ্চলত থকা প্ৰাকৃতিক নলা নৰ্দমা সমূহ যেনে খানাজান, কালভোগ, পূৰ হৈ যায়। এই আটাইবিলাক নলা গৈ ব্ৰহ্মপুত্ৰত পৰিছে কিন্তু বৰ্তমান সময়ত দ্ৰুতগতিত বাঢ়ি অহা জন বসতি আৰু বিভিন্ন উদ্যোগৰ নিৰ্মাণ কাৰ্য্যৰ ফলত পুৰণি নলা-নৰ্দমা সমূহৰ কাম পৰ্য্যাপ্ত হৈ থকা নাই। সেয়েহে বাৰিষা বিমান বন্দৰৰ সন্মুখৰ অঞ্চল জলমগ্ন হয়। এতিয়া এই অঞ্চল বাৰিষা সময়ত ব্ৰহ্মপুত্ৰ নৈ ৰ বাঢ়নি পানীয়ে খনামুখৰ পৰা মাঝিৰ গাঁৱলৈ এলানি মাৰ্জিনেল মঠাউৰিৰ দ্বাৰা ৰক্ষা কৰি থকা হৈছে। ব্ৰহ্মপুত্ৰ নৈৰ দক্ষিণ পাৰত শৰাইঘাট দলংৰ ভটিয়নী অংশত ক্ৰমে শদিলাপুৰৰ পৰা মাঝিৰ গাওঁ আৰু ভিন্ন স্থানত বানপানী খহনীয়া ৰোধৰ বাবে সময়ে সময়ে ব্যৱস্থা লোৱা হৈছে। এতিয়া আমি যেনেকে কৈছো অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ নদীৰ পানী ভাবুকি প্ৰকৃততে হোৱা নাই, প্ৰকৃততে ভাবুকি হৈছে আমাৰ বিভিন্ন জলাশয়, দীপৰ বিলকে ধৰি য'ত যিখিনি জলাশয় আছে মেঘালয়ৰ পৰা নামি অহা পানী তাৰ পৰা যিখিনি পানী ওৱাটাৰ ল'গিন হৈ যায়, সেই কৃত্ৰিম বানহে বিশেষকৈ ভাবুকি হৈছে। ব্ৰহ্মপুত্ৰ নদীৰ পৰা বানপানীৰ এফেক্ট হোৱা নাই, ইনডাইৰেক্ট এটা এফেক্ট আছে, নোহোৱা নহয়, আপুনি এয়াৰপোৰ্টলৈ যাওঁতে দেখিব দীপৰ বিলৰ ওলোটা দিশে এটা ৰাস্তাৰ কাষে কাষে সূতি এটা বৈ গৈছে। কাল ভোগ বুলি কয় সেইখনক। সেইখন কেতিয়াবা ৰাস্তাৰ কাষেদি গৈছে কেতিয়াবা পথাৰৰ মাজেদি বৈ গৈছে, গৈ গৈ শেষত গুমিৰ ওচৰত গৈ ব্ৰহ্মপুত্ৰত পৰিছে। তাত এটা শ্লুইচ গেট দিয়া আছে, দুখন চাৰ্টাৰ দিয়া শ্লুইচ গেট দিয়া আছে। এতিয়া সেই শ্লুইচ গেটটো আমি বন্ধ কৰিব কিয় লাগে যে ব্ৰহ্মপুত্ৰৰ পানী যেতিয়া বেছি হয় এই পানীটো যাব নোৱাৰে সেই কাৰণে চুইচগেট দিয়া হয়। এতিয়া এ.ডি.বি ৰ ফাইনেঞ্চ টেনজ টু ত আমি ৫টা চাটাৰ থকা এখন শ্লুইচ গেটৰ প্ৰপোজ কৰিছো, এ ডি বি ৰ টেনজটো হলে আমি সেইখন পাম। পালে আমি নিশ্চয় তাক নিয়ন্ত্ৰণ কৰিব পাৰিম। কিন্তু এটা কথা পানী যদি ইয়াত বেছি হয় তেতিয়া ভৰলুৰ নিচিনা ইয়াত পানীৰ পাম্প কৰিব লাগিব। আৰু ব্ৰহ্মপুত্ৰত কম পানী থাকিলে, শ্লুইচ গেট খুলি দিলে পানী যাব। গতিকে সেইটোৰেই অৱস্থা আৰু তেখেতে ২য় এটা পৰামৰ্শ দিছে, কুলসী নদীত পানীখিনি পেলালে সেইখিনি পলাশবাৰীত যাবগৈ। সেইটো আন এটা উপায় আছে। গতিকে এই গোটেইখিনি পৰামৰ্শ বিবেচনা কৰি এখন উচ্চ পৰ্য্যয়িৰ বিষয়াৰে এখন কমিটি গঠন কৰি গোটেইটো ৰিপৰ্টি এটা চাৰ্ভে কৰি দিয়ক। আমি কিন্তু এইটোলৈ ৰৈ থকা নাই। মানে চাৰ্ভে কৰি কাম আৰম্ভ কৰিম সেইটো নহয়। আমি এতিয়া নাবাৰ্দৰ পৰা ৬১৮ কোটি টকাৰ এটা কাম কৰিছো। তাৰ পাছত আৰু এটা নাবাৰ্দৰ আচঁনি ৩ কোটি ৫০ লাখৰ কাম কৰিছো। আমি এচ ডি আৰ এফ ৰ ২ কোটি ৫ লাখৰ কাম কৰিছো তাত । আকৌ এচ ডি আৰ এফ ৰ পৰা ১ কোটি ৯৮ লাখৰ কাম কৰিছো আৰু এখন আমি ৭ কোটি ৫০

লাখৰ কাম এখন ইতিমধ্যে ফাইনেঞ্চত আছে। আমি সেইটো চেংচন পাম। সেইটোও নাবাৰ্দৰ। গতিকে ইয়াত বিভিন্ন আঁচনি লোৱা হৈছে আৰু তাৰ উপৰিও আমি এতিয়া এখন এচ ডি আৰ এফ ত আছে ৪ কোটি ৯৮ লাখ । গতিকে তাত এই গোটেই কথাটোৰ গুৰুত্ব বুজি বিভিন্ন আঁচনি লোৱা হৈছে যিবিলাক আঁচনিৰ জৰিয়তে এইখিনি কাম আগবঢ়াই থকাৰ কাৰণে ইয়াত কিছু জোৰা মাৰিব লগা হৈছে। অধ্যক্ষ মহোদয়, কেইবাটাও চেনেল আছে, বিমান বন্দৰত যদি আপুনি কয় মই কব পাৰো,

**মাননীয় অধ্যক্ষ.** ঃ- যিহেতু গৱৰ্নৰ ডিবেট আছে, বেছি দীঘল কৰিলে অসুবিধা হয়।

**শ্রী কেশৱ মহন্ত, মন্ত্রী** ঃ- ভাল বাৰু, বিমান বন্দৰত আমি এচ ও এচ ভিলেজখন সেই খিনিতে ৩৪০০ মিটাৰৰ এটা চেনেল আছে সেইটো কুঁহিবাৰীলৈকে গৈছে তাৰ পাছত ৫৩০০ মিটাৰৰ এটা আছে ৩৭ নং ঘাই পথৰ পৰা আগচিয়ালৈকে। আগচিয়াৰপৰা কালভোগলৈ এটা আছে ৩৪৪০ মিটাৰ। তাৰ পাছত বিমান বন্দৰ তিনিআলী পদ্মা হ্ৰদলৈ এটা আছে ২২০০ মিটাৰ। পদ্মা হ্ৰদৰ পৰা কালভোগলৈ এটা আছে ৪৫০০ মিটাৰ। তাৰ পাছত মনপুৰৰ পৰা পলাশবাৰী পানীদুৱাৰ যিটো কালভোগত আছে এই খিনিত ৩০০০ মিটাৰ। এই সৰু সৰু ৭ টা চেনেল তাত আছে। যি কেইটা আমি জলসম্পদ বিভাগে আইডেণ্টিফাই কৰিছো, আৰু তাক মেইনটেইন কৰিবলৈ গৈছো। কিন্তু তাত জনবসতি বঢ়াৰ লগে লগে ইয়াৰ মেইনটেইন আমি কৰিছো যদিও যিমান পৰিমানে পানী তাৰ মাজেদি সৰকি যাব লাগে সিমান পানী আগৰ ধৰণে সৰকি যাব পৰা নাই। গতিকে সেই দাতি কাষৰীয়া যিখিনি গাওঁ, গাওঁখিনিৰো ইয়াৰ লগতে বহুত অসুবিধা হৈছে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই ভাবিছো জলসম্পদ বিভাগে বহুটো আঁচনি ৰূপায়ণ কৰিছে আৰু আঁচনি ৰূপায়ন কৰিবলৈ বাকী আছে। প্ৰায় ৭.৫০ কোটি টকাৰ নাবাৰ্ডৰ আঁচনি.ৰূপায়ণ কৰিবলৈ গৈ আছোঁ। গতিকে আমাৰ বিভাগে গোটেইটো চেনেল ঠিক কৰি আছো যাতে গড়াখহনীয়াৰ প্ৰভাৱ গাওঁ আৰু চৰ অঞ্চলবিলাকত নপৰে। সেইবাবে আমি প্ৰথমে ব্ৰহ্মপুত্ৰৰ শৰাইঘাট দলঙৰ পৰা আৰম্ভ কৰি শদিলাপুৰলৈকে আৰম্ভ কৰিছোঁ। ইয়াৰ কাষতে এটা ধুনীয়া চৰ আছে, তাত বৰ সুন্দৰ খেতি-বাতি কৰা হয়। প্ৰথমে আমি এই চৰটোৰ প্ৰটেকশ্যনৰ বাবে কাম আৰম্ভ কৰিবলৈ গৈ আছোঁ যাতে ইয়াত হোৱা খহনীয়াটো এয়াৰ পোৰ্টৰ ফালে আগবাঢ়ি নাযায়। সেইখিনি ঠাইত প্ৰটেকশ্যনৰ ব্যৱস্থা কৰা হৈছে। বানপানী বা খহনীয়াৰ বাবে বিশেষ একো অসুবিধা হোৱা নাই। প্ৰধানকৈ অসুবিধাৰ সৃষ্টি কৰিছে কৃত্ৰিমভাৱে হোৱা বানপানীয়েহে। গতিকে অধ্যক্ষ মহোদয়, এই কামসমূহ কৰোতে কেৱল জলসম্পদ বিভাগেই নহয়, কোনো কোনো ক্ষেত্ৰত জিএম ডি এ বিভাগো জড়িত হ'বলগীয়া হৈছে ,ট্ৰেন্সপোৰ্ট বিভাগো জড়িত হবলগীয়া হৈছে। অলপতে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াইও এয়াৰ পোৰ্টৰ বাবে নতুনকৈ আধাৰশীলা স্থাপন কৰিছে। সেইবাবে মই গোটেই বিষয়টো উচ্চ পদস্থ বিষয়াৰ দ্বাৰা এটা চাৰ্ভে কৰিবলৈ নিৰ্দেশ দিছোঁ। তেওঁলোকে ৰিপোৰ্ট দাখিল কৰিলেহে কি ব্যৱস্থা কৰিলে আমি প্ৰকৃত সমাধানৰ পথ উলিয়াব পাৰিম সেইটো জানিব পাৰিম আৰু ইয়াৰ লগে লগে মই এই বিষয়টো আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু ট্ৰেন্সপোৰ্ট বিভাগৰ মাননীয় মন্ত্ৰীৰ দৃষ্টিগোচৰ কৰিম। কিয়নো কেৱল আমাৰ জলসম্পদ বিভাগৰ টকাৰে যে কামবোৰ সম্পাদন কৰিব নোৱাৰিম এই কথাটোও অৱগত কৰাব লাগিব। তদুপৰি ইয়াত উল্লেখ কৰাটো ভাল হ'ব যে- আমি এই সম্পৰ্কত Airport authority ৰ ওচৰতো কেইবাখনো estimate submit কৰিছো কিন্তু বৰ্তমানলৈ তেওঁলোকৰ ফালৰ পৰা কোনোধৰণৰ সহাঁৰি পোৱা নাই। ধন্যবাদ ।

**माननीय अध्यक्ष ঃ** ধন্যবাদ । এতিয়া under rule --৩০১ ৰ অধীনৰ Special mentionত বিধায়ক শ্ৰী পৰিন্দ্ৰ ডেকা ডাঙৰীয়াই বক্তব্য ৰাখিব ।

**শ্ৰী পৰিন্দ্ৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৩- জানুৱাৰী তাৰিখে 'দৈনিক জনমভূমি' কাকতত ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থাৰ এটা উদ্বেগজনক বাতৰি প্ৰকাশিত হৈছে। মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্যপৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত এই বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছোঁ। বাতৰিটো এনেদৰে প্ৰকাশ পাইছে " **বাজেট অধিবেশনৰ পূৰ্বে উদ্বেগজনক তথ্য পোহৰলৈ - ৰাজ্যৰ ৫০ টাৰো অধিক বিভাগে কেন্দ্ৰীয় চৰকাৰক দিয়া নাই প্ৰায় ১৬ হাজাৰ কোটি টকাৰ ব্যয়ৰ প্ৰমাণ-পত্ৰ-সঠিক হিচাপ নিদিয়াত বন্ধ কেন্দ্ৰীয় পুঁজি - সমাজ কল্যাণ, স্বাস্থ্য, শিক্ষাকে ধৰি কেইবাটাও বিভাগে দিয়া নাই সৰ্বাধিক পৰিমানৰ ধন ব্যয়ৰ হিচাপ।"** মাননীয় অধ্যক্ষ মহোদয়, মই গোটেই বাতৰিটো পঢ়ি দিছো, বেছি দীঘলীয়া নহয়।

**माननीय अध्यक्ष ঃ** আপুনি মাত্ৰ ৫ মিনিট সময় ল'ব।

**শ্ৰী পৰিন্দ্ৰ ডেকা ঃ** ২০১৮-১৯ বিত্তীয় বৰ্ষৰ ৰাজ্যিক বাজেট দাখিলৰ বাবে মাজত মাত্ৰ কেইটামান দিন বাকী থকা অৱস্থাত ৰাজ্যৰ পৰিৱৰ্তনকামী চৰকাৰখনৰ বিভাগসমূহৰ কাম-কাজক লৈ কেতবোৰ ভয়াবহ তথ্য পোহৰলৈ আহিছে । কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনৰ উন্নয়নৰ বাবে বিভিন্ন আঁচনি,প্ৰকল্পৰ অধীনত পুঁজি মোকলাই দিলেও সেই পুঁজি ব্যৱহাৰৰ সঠিক প্ৰমান-পত্ৰ নিদিয়াৰ বাবেই কেন্দ্ৰৰ পৰা কিস্তিত লাভ কৰিবলগীয়া ধন লাভ কৰা নাই ৰাজ্যখনে । সম্প্ৰতি এনে এক পৰ্য্যায় পাইছেগৈ যে ৰাজ্য চৰকাৰে কেন্দ্ৰক প্ৰায় ১৬ হাজাৰ কোটি টকাৰ ব্যয়ৰ হিচাপ এতিয়াও দিবলৈ বাকী আছে । বিভিন্ন আচঁনিৰ অধীনত কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনলৈ উন্নয়নৰ পুঁজি মোকলাই দি আহিছে । কিন্তু এই উন্নয়ন পুঁজিৰ ধনৰ হিচাপ কেন্দ্ৰক দিব পৰা নাই ৰাজ্য চৰকাৰৰ অধিকাংশ বিভাগে । দিশপুৰৰ এক শীৰ্ষ সূত্ৰই প্ৰকাশ কৰে যে ৰাজ্যৰ ৫০ টাতকৈ অধিক বিভাগে কেন্দ্ৰক দাখিল কৰা নাই পুঁজি ব্যয়ৰ সঠিক হিচাপ । এনে ক্ষেত্ৰত কিস্তি হিচাপত লাভ কৰিবলগীয়া ধনৰ ক্ষেত্ৰত বিভিন্ন আঁচনিৰ অধীনত ধন মোকলাই দিয়া নাই কেন্দ্ৰীয় চৰকাৰে । সূত্ৰটোৱে প্ৰকাশ কৰে যে ২০১৬ চনৰ ৩১মাৰ্চ পৰ্যন্ত ৰাজ্যৰ চৰকাৰী বিভাগ সমূহে প্ৰায় ১৪,৭২২ কোটি টকাৰ ব্যয়ৰ হিচাপ দাখিল কৰিবলৈ বাকী আছিল যদিও এতিয়া হিচাপ দাখিল নকৰা ধনৰ পৰিমান প্ৰায় ১৬ হাজাৰ কোটি টকালৈ বৃদ্ধি পাইছে। মন কৰিবলগীয়া যে পুঁজি ব্যয়ৰ হিচাপ নিৰ্ধাৰিত সময়ত দাখিল কৰিবলৈ বিভাগসমূহক মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডাঙৰীয়াই কঠোৰ নিৰ্দেশ দিয়াৰ লগতে কেগেও নিয়মিতভাৱে পত্ৰ প্ৰেৰণ কৰি আহিছে । কিন্তু অধিকাংশ চৰকাৰী বিভাগে এই বিষয়ত গুৰুত্ব আৰোপ কৰা নাই । দিশপুৰৰ সূত্ৰটোৱে প্ৰকাশ কৰে যে ১০ টাতকৈ অধিক বিভাগে ২০০১-০২ বৰ্ষৰ পৰাই পুঁজি ব্যয়ৰ হিচাপ দাখিল কৰা নাই । ইফালে পুঁজি ব্যয়ৰ হিচাপ দাখিল নকৰা বিভাগসমূহৰ ভিতৰত সৰ্বাধিক পৰিমাণৰ ধনৰ হিচাপ দাখিল কৰা নাই ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী উন্নয়ন বিভাগ , সমাজ কল্যাণ বিভাগ, স্বাস্থ্য বিভাগ, শিক্ষা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ অন্যতম । মনকৰিবলগীয়া য়ে ২০১৭-১৮বিত্তীয় বৰ্ষৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় গ্ৰাম্য বিশুদ্ধ খোৱাপানী আঁচনিৰ অধীনত ৰাজ্যলৈ কেন্দ্ৰীয় চৰকাৰৰ অংশ হিচাপে ২৭৪.৩১ কোটি টকা আৱন্টন দিছিল যদিও যোৱা ডিচেম্বৰ মাহ পৰ্যন্ত কেন্দ্ৰই আৱন্টিত পুঁজিৰ ভিতৰত ১৫৮.৮০ কোটি টকা মোকলাই দিছে । এনেদৰেই প্ৰায় ৫০ টা বিভাগে ব্যয়ৰ হিচাপ দাখিল কৰা নাই আৰু তাৰ বাবে কেন্দ্ৰীয় চৰকাৰে কিস্তিত মোকলাই দিবলগীয়া ধন মোকলাই দিয়া নাই ।

অধ্যক্ষ মহোদয়,ৰাজ্যখনৰ অৰ্থনৈতিক ব্যৱস্থাৰ বাবে ই এক উদ্বেগজনক বিষয় । মই এই উদ্বেগজনক বিষয়টোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ আৰু চৰকাৰে ইয়াৰ যথোচিত আৰু গ্ৰহণযোগ্য ব্যাখ্যা দি আমাৰ মন মুকলি কৰিব বুলি আশা কৰিলো । ধন্যবাদ ।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দৈনিক জনমভূমি কাকতত যোৱা ২৩ জানুৱাৰী,২০১৮ তাৰিখত প্ৰকাশিত বাতৰি **"সঠিক হিচাপ নিদিয়াত বন্ধ কেন্দ্ৰীয় পুঁজি"** শীৰ্ষক বাতৰি সম্পৰ্কত মাননীয় সদস্য শ্ৰী পবিন্দ্ৰ ডেকা ডাঙৰীয়াই যিটো কথা উত্থাপন কৰি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছে, সেই সম্পৰ্কত চৰকাৰৰ দৃষ্টি গোচৰ হৈছেই আৰু এই সম্পৰ্কত চৰকাৰৰ ফালৰ পৰা মই কব বিচাৰিছো যে - বৰ্তমান ডেকা ডাঙৰীয়াই যিটো বিষয়ত উদ্বেগ প্ৰকাশ কৰিছে, আচলতে কথাটো তেনেকুৱা নহয় । আমাৰ যিখিনি পুঁজি, সেই পুঁজিখিনি কেন্দ্ৰীয় চৰকাৰে মোকলাই নিদিয়া কথাটো সত্য নহয়। বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ পৰা অহা বিভিন্ন আঁচনিৰ ধন নিয়মীয়া ভাবে আজিৰ দিনটোলৈকে মুকলি কৰি দি আহিছে। যোৱা চাৰিটা বিত্তীয় বছৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা অসম চৰকাৰে লাভ কৰা পুজিৰ কথা যদি উল্লেখ কৰা যায় তেতিয়া তেখেতে আপত্তি কৰা কথাখিনি স্পষ্ট হ'ব। মাননীয় অধ্যক্ষ ডাঙৰীয়া,

২০১৩-১৪ বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ পৰা অসম চৰকাৰে লাভ কৰা পুঁজিৰ পৰিমাণ হ'ল -১১,৫৭৪.৫২ কোটি

২০১৪-১৫ বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ পৰা অসম চৰকাৰে লাভ কৰা পুঁজিৰ পৰিমাণ হ'ল -১২,২৮৩.৭১ কোটি

২০১৫-১৬ বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ পৰা অসম চৰকাৰে লাভ কৰা পুঁজিৰ পৰিমাণ হ'ল - ১৬,৭৮৪.৮৮ কোটি আৰু তাৰ পৰৱৰ্তী ২০১৬-১৭ বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ পৰা অসম চৰকাৰে লাভ কৰা পুঁজিৰ পৰিমাণ হ'ল-২০,১৮৮.৬৪ কোটি। গতিকে দেখা যায় যে ২০১৩-১৪ বৰ্ষত ১১,৫৭৪.৫২ কোটি হোৱাৰ বিপৰীতে ২০১৬-১৭ বৰ্ষত ২০,১৮৮.৬৪ কোটি লৈ বৃদ্ধি পাইছে। গতিকে এই পাৰ্থক্যই প্ৰমাণ কৰিছে যে কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰলৈ পুঁজিৰ আৱণ্টন বন্ধ কৰা নাই। গতিকে ইয়াৰ পৰা দেখা যায় যে কেন্দ্ৰীয় পুঁজি সময়মতে আহি আছে ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমাঃ** গতিকে তেনেদৰে গ্ৰান্ট ফৰ দা ষ্টেট প্লেন্ট স্কীমচ তাত আছিল। ২০১৩-১৪ বৰ্ষত আছিল-৬০৫৯.৩০ কোটি টকা আৰু তাৰ পিচত আহিছিল ২০১৪-১৫ ত আহিছিল১২৩৭৩.৫৮ কোটি টকা তাৰ পিছত ২০১৫-১৬ বিত্তীয় বৰ্ষত আহিল ৮৭৩৭.৩০ কোটি টকা আৰু ২০১৬-১৭ বিত্তীয় বৰ্ষত ৯১১১.১০ কোটি টকা। গতিকে আমি যদি চাওঁ ২০১৩-১৪ বিত্তীয় বৰ্ষত ৬০৫৯ কোটি টকা আহিছে। আৰু অধ্যক্ষ মহোদয় এই বিত্তীয় বৰ্ষত ৯১১১.১০ কোটি টকা । গতিকে গ্ৰান্ট ফৰ দা চেনট্ৰেল প্লেন স্কীম তাতে ২০১৩-১৪ চনত আহিছে ৩০.৫৯ কোটি টকা আৰু তাৰে ২০১৪-১৫ চনত আহিছে ১৯.৫৩ কোটি টকা আৰু ২০১৫-১৬ চনত আহিছে ৫৭১.৫৪ কোটি টকা আৰু বৰ্ত্তমান আহিছে ৯.৭৯.০১ কোটি টকা ২০১৩-১৪ চনত যিটো কম্পেৰিজন তাত দেখা যায় যে, ২০১৩-১৪ চনত আছিল ৩০.৫৯ কোটি টকা আৰু বৰ্ত্তমান যিটো বিত্তীয়বৰ্ষ তাত আহিছে ৯৭৯.০১ কোটি টকা গতিকে ৩০.৫৯ কোটি টকাৰ পৰা ৯৭৯.০১ কোটি টকালৈ increase হৈছে। অৰ্থাৎ ৭১ কোটি টকালৈ ইনক্ৰিজ হৈছে। আৰু আছে গ্ৰান্ট ফৰ চেন্ট্ৰেলী স্পনচৰড স্কীম প্লেন স্কীমচ। গতিকে তাত আমাৰ ২০১৩-১৪ চনত আছিল ২১০২.৯০ কোটি টকা আৰু ২০১৪-১৫ চনত থাকিল অনলি ১৬.৭৪ কোটি টকা । আৰু ২০১৫-১৬ চনত আছিল ১৪.৯৪ লাখ আৰু চলিত বিত্তীয় বৰ্ষত থাকিল ২০৭.২৩ লাখ । গতিকে

দেখা যায় যে এইটো বন্ধ হোৱা নাই। গাৰ্লছ ফৰ স্পিচিয়েল প্লেন্ট স্কীমচ- তাত আমি যদি চাওঁ তাত দেখা যায় ২০১৩-১৪ চনত তাত পোৱা হৈছিল ৬৪.৬০ কোটি টকা তাৰে পিচৰ বছৰটোত ২০১৪-১৫ বৰ্ষত ১৩২ কোটি ২৭ লাখ টকা । তাৰ পিছৰ বছৰটোত ২০১৫-১৬ চনত আৰু বৰ্ত্তমান বিত্তীয় বৰ্ষত যে ১৪৩.৭১ কোটি টকা দেখা গৈছে গতিকে এইটো ক্ষেত্ৰত দেখা যায় যে, আমাৰ চেন্ট্ৰেলৰ পৰা যিখিনি টকা দিয়া হৈছে সঠিকভাৱে আপোনাক হিচাপ নিদিয়া কাৰনে আমাৰ পইচা বন্ধ হৈছে নেকি এই। মানি ৰিলিজৰ ক্ষেত্ৰত যিটো কথা আপুনি আশংকা প্ৰকাশ কৰিছে চেন্ট্ৰেল গৰ্ভমেন্টে টকাটো আমাক ৰেগুলাৰ ৰিলিজ কৰি আছে। আৰু এই যিখিনি চাৰ্ট, এই চাৰ্টখনে এই কথাখিনি কৈছে। গতিকে ২০১৩-১৪ বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা বিভিন্ন আঁচনিত মুঠ ধন লাভ কৰিছিল-২০,৫১২ কোটি ৮৩ লাখ টকা। বৰ্ত্তমানৰ বিত্তীয় বৰ্ষত আজিৰ দিনটোত আমি মুঠ ধন লাভ কৰিছো কেন্দ্ৰীয় চৰকাৰৰ পৰা ৩২৭৮৭.১২ কোটি টকা। উক্ত আঁচনিসমূহৰ পৰা লাভ কৰা কেন্দ্ৰীয় পুঁজিৰ ওপৰত উল্লেখিত ধৰনৰ এইখিনি কথা যোগে আপোনাক আমি ক্লিয়েৰ কৰি দিলো। যিটো দুই এটা বিভাগে যিটো ইউটিলাইজেচন চাৰ্টিফিকেট দিয়া নাই সেইটোত বিত্ত বিভাগে ইতিমধ্যে তেওলোকক ইউটিলাইজেচন চাৰ্টিফিকেট দিয়াৰ কাৰণে কোৱা হৈছে আৰু বাকী বিভাগসমূহে ইউটিলাইজেচন চাৰ্টিফিকেট দিব। এইটো কথা নহয় যে, কেন্দ্ৰৰ পুঁজিৰ পৰা আমাক কমকৈ টকা দিছে। মই দেখুৱাই দিলো যে, ২০১৩-১৪ বত্তীয় বৰ্ষত ২০ হাজাৰ আৰু ১৬-১৭ বিত্তীয় বৰ্ষত ৩২ হাজাৰ গতিকে এইটোৱে প্ৰমান কৰে যে, কেন্দ্ৰীয় চৰকাৰৰ পৰা পুঁজি অহাত অসুবিধা হোৱা নাই।

**শ্ৰী শ্বেৰমান আলি আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়ে ১৬-১৭ টো বৰ্ত্তমান বিত্তীয় বৰ্ষ বুলি দেখুৱাই আছে। বৰ্ত্তমান বিত্তীয় বৰ্ষ হ'ল ২০১৭-১৮ গতিকে ২০১৭-১৮ কিমান টকা ৰিলিজ কৰিলে, মাত্ৰ ২ টা মাহ বাকী আছে। ফেব্ৰুৱাৰী -মাৰ্চ ২০১৭-১৮ চনত কিমান টকা ৰিলিজ কৰিলে সেইটো মন্ত্ৰী মহোদয়ে ক'লেহে আমি গম পাম। প্ৰকৃততে দিছেনে নাই।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীও জানে যে, এটা বিত্তীয় বৰ্ষ শেষ হয় ৩১ মাৰ্চত। গতিকে বিত্তীয় বৰ্ষ যেতিয়া শেষ হ'ব আমাৰ পৰৱৰ্তী বিধান সভাৰ অধিবেশনত তেতিয়া বিচাৰিলেহে তেখেতে পাব।

**মাননীয় অধ্যক্ষঃ** নেস্কট চেচনত তেখেতে বিচাৰিব , আপুনি দিব। মাননীয় পবিন্দ্ৰ ডেকা ডাঙৰীয়াক মই এটা কাৰণে বক্তব্য ৰাখোতে পঢ়িবলৈ বাৰণ কৰিছিলো আপুনি চাব- আমাৰ যিকেইটা ২৭৫ - ১ আৰু ২৭৮-২ ৰুলচ আছে আমি পঢ়িবলৈ নিদিয়া নহয়। পঢ়িবলৈ পাৰে ँ কিন্তু আজি আপুনি পঢ়িলে সকলোৱে যদি নিউজ পেপাৰ পঢ়িবলৈ আৰম্ভ কৰে তেতিয়া সমস্যা হ'ব। আপুনি কৈছে। ইউ আৰ চিনিওৰ মেম্বাৰ ইউ আন্দাৰষ্টেণ্ড দা প্ৰব্লেম। বহুতে পঢ়াটো আৰম্ভ কৰিব পাৰে আমি সেই ৰুলটোমতে তেনেকৈ পঢ়িবলৈ দিয়া নাছিলো কাৰনে আপোনাক বাৰন কৰিছিলো। এইটো কেৱল আগলৈ প্ৰিচিডেন্ট নহয়। এতিয়া আইটেম নং-৪ - ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত বিতৰ্ক আৰম্ভ হ'ব। আমি প্ৰথমে ৰেকিবউদ্দিন আহমেদ ডাঙৰীয়াক বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিছো।

**শ্ৰীৰেকিবুদ্দিন আহমেদঃ** মাননীয় অধ্যক্ষ মহোদয়, দেৱানন্দ হাজৰিকা ডাঙৰীয়া, অজন্তা নেওগ ডাঙৰীয়ানী , বৃন্দাবন গোস্বামী , ডাঙৰীয়া - হাফিজ বছিৰ আহমেদ,ডাঙৰীয়া - সিদ্ধাৰ্থ ভট্টাচাৰ্য্যী,ডাঙৰীয়া এখেতসকলে ইতিমধ্যে ভাগ ল'লে। আজি মই মোৰ লিমিটেড সময়ৰ ভিতৰতে মোৰ বক্তব্য ৰাখিব বিচাৰিম।

**মাননীয় অধ্যক্ষ ঃ Item No. 4,** ৰাজ্যপালৰ ভাষণত ধন্যবাদ সুচক প্ৰস্তাৱৰ ওপৰত বিতৰ্ক আৰম্ভ হ'ব। আমি প্ৰথমতে ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াক বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, ছয়গাওঁঃ** মাননীয় অধ্যক্ষ মহোদয়, দেৱানন্দ হাজৰিকা ডাঙৰীয়াই, অজন্তা নেওগ, বৃন্দাবন গোস্বামী, হাফিজ বছিৰ আহমেদ, মহেশ্বৰ বড়ো, সিদ্ধাৰ্থ ভট্টাচাৰ্য্য তেওঁলোকে ভাগ ল'লে ইতিমধ্যে আজি মই লিমিটৰ ভিতৰতে মোৰ কথাখিনি ৰাখিবলৈ বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, দেৱানন্দ হাজৰিকা ডাঙৰীয়াৰ ধন্যবাদ সূচক প্ৰস্তাৱৰ বিৰোধীতা কৰি মই অকন মান কবলৈ বিচাৰিছো। আমি বিৰোধী পক্ষত বহিছো দুখ লাগে এইটো কথাত । আমি প্ৰায় বহুত বছৰ শাসনত আছিলো কিন্তু বক্তা সকলে যেতিয়া ধন্যবাদ সুচক প্ৰস্তাৱ কবলৈ যায় তেতিয়া যিহেতু আমি বিৰোধী পক্ষ, বিৰোধী পক্ষকো লক্ষ্য কৰি কোৱা যায়। লাইন আপৰ বাহিৰত গৈও আমাক সমালোচনা কৰে। যেতিয়া সমালোচনা কৰে আমি উত্তৰ দিব লাগিব। আমাৰো কেতিয়াবা এনেকুৱা লাগে আমাৰ কোনো কামে নাই নেকি? ইয়াৰ পৰা পলাই যাম নেকি? যি কি নহওঁক মই ধন্যবাদ জনাইছো অধ্যক্ষ মহোদয়ক এটা কথা কবলৈ বিচাৰিছো বিধান সভাত কিছু পৰিবৰ্তন আহিছে। সমষ্টিৰ বিশেষকৈ subject এটা আনিবলৈ তেওঁ এটা সুবিধা দিছে। শিক্ষা বিভাগৰ ওপৰত প্ৰায় তিনিদিন এটা কাৰ্য্যসুচী ৰাখিছে, এই কথা বিলাক সচাঁকৈ ধন্যবাদৰ পাত্ৰ । আৰু এটা দুখো আছে এইটো শেষত কম। (On the dias Hon'ble Deputy Sepeaker, Penal of Chair-man)

শ্ৰদ্ধাৰ উপাধ্যক্ষ মহোদয়, পলাশবাৰীৰ কেইটামান দিন আগত শান্তি লাল জৈনৰ হত্যাকাণ্ড হৈ গ'ল। এইটো সচঁাকৈ মৰ্মান্তিক দুখৰ বিষয়। ইয়াৰ লগতে এটা কথা কবলৈ বিচাৰো দক্ষিণ কামৰূপত তিনিটা সমষ্টি আছে। বকো, ছয়গাঁও, পলাশবাৰী ।পলাশবাৰী এক বিস্তৃৰ্ণ অঞ্চল। পলাশবাৰী এক ঐতিহ্য মণ্ডিত সমষ্টি, য'ত চানডুবি বিলে হাজাৰ হাজাৰ মানুহ তাঁলৈ মাতে। ছয়গাঁও উকিয়াম, কুলশি । কুলশি, ছয়গাওঁ আৰু পলাশবাৰী দুয়োটা সমষ্টিৰে বোৰ্ডাৰ হয়। হাঁহিমে বহু মানুহক বকোলৈ মাতে। river dolphin আছে এই দক্ষিণ কামৰূপৰ ভিতৰত। বিৰোধীত বহাৰ পিছত আমাৰ সৎ সাহস থাকিব লাগে । আৰু মই এতিয়া দুটামান প্ৰশংসা কৰি সৎ সাহসৰ অলপ পৰিচয় দি দিম। Advantage Assam হৈছে খুব ভাল পাইছো। খুব ভাল পাইছো অসম খন আৰু আগবাঢ়ি যাওঁক । বাহিৰৰ বিনোয়োগকাৰী ইয়ালৈ আহক। বেছি বেছি mobilization হওঁক। বিভিন্ন project বিলাক আগবঢ়াক। নিৰনুৱা সমস্যা সমাধান হওঁক। দেশ আগলৈ যাওঁক। Airport ৰ extention হৈছে। বহু Flight ইয়াৰ পৰা launch কৰক। এতিয়া ভূটানৰ জৰিয়তে চিংগাপুৰে launch কৰিবলৈ আহিছে, থাইলেণ্ডক লৈ আলোচনা চলি আছে। আৰু হওঁক আবুদাবি নিচিনা এটা জংচন হওঁক। এই বিলাক কথাত আমাৰ শুভেচ্ছা আছে। Advantage Assam ত যিসমূহ ব্যৱসায়িক প্ৰতিষ্ঠান সমগ্ৰ ভাৰতবৰ্ষৰ পৰা অসমলৈ আহিছে, আমি দেখা পাইছো আমি গৌৰৱ অনু ভৱ কৰিছো। টাটা বিৰলাৰ নিচিনা ডাঙৰ ডাঙৰ মানুহ বিলাকে অসমত ডাঙৰ ডাঙৰ অনুষ্ঠান বিলাক কৰিলে আমি ভাল পাওঁ। আমাৰ অসমখন আগবাঢ়ি যাব। আজি আমাৰ Finance Department তে শ্বহীদ আঁচনি মুকলি কৰিছে। Untide Fund ত আমাক ৫০ লাখ টকা দিছে,আমি ভাল পাইছো। কিন্তু এই ৫০ লাখ টকাতো উপাধ্যক্ষ মহোদয়, ১ কোটিলৈ আৰু আগবঢ়াই লৈ যাব লাগে। যিহেতু আপোনালোকৰ আশা বহুত, আপোনালোকে বহুত কৰিব বিচাৰে, গতিকে আৰু অকনমান আগবঢ়াই দিয়ক। এই ৫০ লাখ টকাৰে ছাত্ৰ-ছাত্ৰী আৰু যিসকল ৰোগী আছে আমি তেওঁলোকক সহায় কৰিবলৈ পাৰিছো। Untide fund ৰ যিটো ৫০ লাখ টকা দিয়া হৈছে এইটোৰে

আমি direct scheme ধৰিব পাৰিছো। ইয়াত ১ কোটিকৈ কৰিলে আমাৰ আৰু বেছি সুবিধা হব। কাৰণ এতিয়া বস্তু-পাতিৰ দাম কিমান বাঢ়িছে আপোনালোক সকলোৱে জানে। আৰু মই ধন্যবাদ জনাব বিচাৰিছো Finance Department ক Maa chandika devalaya, Maa kamakhya devalaya যোনিৰ পৰা দেৱী দুৰ্গা মা কামাখ্যাত আছে আৰু মুখৰ পৰা এইখিনি মা চন্দিকা দেৱালয়ত আছে। signature programme মা চন্দিকা দেৱালয়ক approve কৰিছে। মই তাৰ বাবে ধন্যবাদ জনাইছো। চন্দ্ৰ পাটোৱাৰী ডাঙৰীয়াক এটা কথাত ধন্যবাদ জনাইছো আৰু এটা কথা তেওঁকো উনুকিয়াই দিছো যে কেইদিনমান আগত Bamboo Project আমাৰ তাত উদ্বোধন কৰি আহিছে। মই খুব আনন্দ পাইছো। আৰু এই Bamboo Project তোৰ কাৰণে প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ দেৱকো ধন্যবাদ দিব লাগিব। তেখেতৰ জৰিয়তে আমি অনুষ্ঠানটো তালৈ নিছিলো। Tea park ৰ কামযথেষ্ট আগবঢ়াছে তেখেতে আৰু কিছুদিন আগতে বৃহৎ কোটি টকাৰ আৱন্টন দিয়াৰ কথা দিছে Industry Department বা মই এইটো যথেষ্ট উল্লাসিত আৰু ধন্যবাদ জনাইছো। এইটোৰ লগতে তেখেতক জনাই থৈছো এই অনুষ্ঠানটোৰ কাৰণে আমি বিধায়ক , মুখ্যমন্ত্ৰী, আমাৰ তাত যোৱা সময়ত আমি বহুত কষ্ট কৰি এই Project তো তালৈ নিছিলো। যেতিয়া কোনোবাই কবলৈ বিচাৰে আমি প্ৰশংসা কৰিবলৈ ভয় কৰো । আমি কিয় প্ৰশংসা কৰিবলৈ ভয় কৰিম ? আমাৰ Leader of the Opposition য়ে শপত লোৱাৰ প্ৰথম দিনাই বাহিৰত কৈছিল যে তেওঁলোকৰ নেতৃত্বত Govt. তে যিবিলাক postive step লব আমি তাৰ লগত থাকিম। যিবিলাক কথাত আওকনীয়া মনোভাৱ লব সেইবিলাক কথাত আমি উনুকিয়াই দিম। আৰু এটা কথা আজি মই কবলৈ বিচাৰো যে আজি উকিয়ামলৈ ৭০ বছৰে মানুহে তালৈ যাতায়ত কৰিব পৰা নাছিল। হাজাৰ হাজাৰ মানুহে তালৈ এইবাৰ পিক্‌নিক খাবলৈ গৈছিল। প্ৰনৱদা আৰু নন্দিতা দাসে এই কথা ভালদৰে জানে। যিহেতু দুয়োজনৰে সমষ্টিৰ বোৰ্ডাৰ। তালৈ আমাৰ মুখ্যমন্ত্ৰী তৰুণ গগৈ দেৱ আৰু অজন্তা নেওঁগ বাইদেৱে প্ৰায় ১৪ কোটি টকা আৱন্টন দিছিলে। আৰু এতিয়া মই চৰকাৰ, বিভাগীয় মন্ত্ৰীক অনুৰোধ জনাই কৈছো সেই ৰাষ্টাতো যাতে পুনৰ নিৰ্মাণ কৰি ভাল কৰা হয়। লগতে পৰিমল শুক্লবৈদ্য ডাঙৰীয়াক ধন্যবাদ জনাইছো যে বাঘেশ্বৰী দেৱালয় এখন বহুত ডাঙৰ দেৱালয়। তাতে প্ৰায় ১ কোটি টকাৰ বেছি আৱন্টন দিছে। এই কাৰণে মই কবলৈ বিচাৰিছো আমাৰ ধন্যবাদ জনোৱা আৰু প্ৰশংসা কৰাৰ সাহসটো আছে। জলসম্পদ মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো তেখেতে প্ৰায় ৭৪ কোটি টকা ADB ৰ জৰিয়তে তেখেতে আৱন্টন দিছে আৰু বহুত সোনকালে ইতিমধ্যে tender prepare হৈ গ'ল লগতে এটা কথাও কৈছো ১৭৪ কোটি টকা ইতিমধ্যে প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ ক লৈ গৈ মই সেই কাম আৰম্ভ কৰাইছিলো আৰু second part হিচাপে এইখিনি টকা আমি পাইছো। এইখিনি ৰ কাৰণে জলসম্পদ মন্ত্ৰীক ধন্যবাদ জনাইছো। লগতে প্ৰাক্তণ মুখ্যমন্ত্ৰীকো ইয়াতে স্মৰণ কৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, আমি কওঁ পুলিচ বিভাগ আমাৰ এটা শক্তিশালী সন্থা। পুলিচক যেতিয়া সমালোচনা কৰিবলৈ যাওঁ, পুলিচে এইটো কৰিলে, সেইটো কৰিলে হয়, কিছুমানৰ কিছু demerits থাকে । সেইবিলাকো আমি আলোচনা কৰিব লাগিব। কিন্তু পুলিচ বিভাগক আমি আৰু শক্তিশালী কৰিব লাগিব। আজি মুখ্যমন্ত্ৰী মহোদয়ে পুলিচ একাডেমিক আৰু উন্নীতকৰণ কৰাৰ কথা কৈছে। গতিকে আমি চাব লাগিব পুলিচ বেৰেক বোৰ সমানে উন্নতি হৈছে নে নাই। সিহতঁৰ কাৰণে hospitalization আমি ভালদৰে কৰিছোনে, তেওঁলোকৰ পইচাবোৰ আমি মুকলি কৰি দিছোনে। development ৰ কাম বোৰ ঠিক হৈছে নে নাই, থানা বিলাকত উপযুক্ত

গাড়ী ব্যৱস্থা আছে নে নাই, তেলবোৰ ৰিৰ্জাভ বিলাকে দিব পাৰিছে নে নাই। উপাধ্যক্ষ মহোদয়, আজি ছয়গাওঁ সমষ্টিত এজন Sub-Inspector ৰে গোটেই সমষ্টিটো লিড কৰে। য'ত ছয়গাওঁ সমষ্টিটোত ৰাভা, বড়ো, গাৰো এক বৃহৎ সমন্বয় স্থল। লাংপিত মাজে মাজে dispute হয়। বকো সমষ্টি ইমান ডাঙৰ সমষ্টি, ইয়াৰ পৰিসৰ কিমান দুৰলৈ আছে সকলোৱে জানো। তাতে এজন Sub-Inspector ৰে থানাৰ পৰা গোটেই সমষ্টিটো চোৱাচিতা কৰে। পলাশবাৰী সমষ্টিতো এটা বৃহৎ ডাঙৰ business hub হবলৈ ধৰিছে, airport টো পাৰ হোৱাৰ লগে লগে আপোনালোকে দেখা পাইছে পলাশবাৰীত সমগ্ৰ ভাৰতবৰ্ষৰ ডাঙৰ ডাঙৰ কোম্পানী বিলাক আহিছে। তাতে কেইটা পুলিচ থানাত কিমানটা ব্যৱস্থা আছে, কেইজন Inspector আছে। এই কথাবিলাক উপাধ্যক্ষ মহোদয় আমি চিন্তা কৰিব লাগিব। আজি মই খুব দুখেৰে কবলৈ বিচাৰিছো যে আজি শান্তি লাল জৈনৰ হত্যাকাণ্ড হৈ গ'ল। ইয়াক সহমৰ্মিতা প্ৰকাশ কৰিছো। দোষীক উপযুক্ত ভাৱে আমি শাস্তি দিব লাগিব। আৰু এটা কথা দক্ষিণ কামৰূপত এখন জিলা ঘোষণা কৰিছিল । মাননীয় প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ দেৱৰ জৰিয়তে আমি জিলাখন শুভ উদ্বোধন কৰিছিলো। তাতে Deputy Commissioner, Superintendent of Police ক appointment কৰিছিলো। সেই জিলাখনৰ sign-board টো আছে, জিলা খন নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, মোক সমষ্টিবাসী ৰাইজে প্ৰশ্ন কৰে যে এই জিলাখন কি হ'ল, কি হ'ব। সকলোৱে আশা কৰে যে **১৫** আগষ্ট, **২৬** জানুৱাৰী কোন দিনা আহিব। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই তেওঁৰ বক্তব্যত বা ৰাজ্যপালে তেওঁৰ বক্ত্যবত আকৌ আমাৰ দক্ষিণ কামৰূপ জিলাখনৰ পুনৰ বাহাল ৰাখিব। মাননীয় উপাধ্যক্ষ মহোদয়, দক্ষিণ কামৰূপ গাৰো, ৰাভা, বড়ো, অসমীয়া, হিন্দু, মুছলমান মিলি এক বৃহৎ সমন্বয়। যদিও উপাধ্যক্ষ মহোদয় মাজুলী জিলা হৈছে গৌৰৱ অনুভৱ কৰিছো। মাজুলী বৈষ্ণৱ ধৰ্মৰ এক প্ৰাণ কেন্দ্ৰ। মাজুলীয়ে ৰিঙিয়াই, শ্ৰীমন্ত শংকৰ গুৰুজনাৰ, মাধৱ দেৱৰ মণি-কাঞ্চণ সংযোগত আমাক আগুৱাই দিয়ে, মাজুলী আৰু আগবাঢ়ক, তাত জিলা হৈছে গৌৰৱ অনুভৱ কৰিছো। আৰু কেইখন মান ঠাইত জিলা দিব লাগে বুলি অনুভৱ হৈছে। দক্ষিণ কামৰূপৰ মানুহৰ কি পাপ হৈছে, দক্ষিণ কামৰূপ কি যোগ্যতা কম আছে। উপাধ্যক্ষ মহোদয়, মই আজি এই সদনত দৃষ্টি গোচৰ কৰিছো। লগতে এইটো যিহেতু সুবিধা পোৱা গৈছে এই কথাটো খুব গুৰুত্ব সহকাৰে লবলৈ উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াক এই কথাটো জনাব বিচাৰিছো যে দক্ষিণ কামৰূপৰ লগত কিয়নো অন্যায় কৰে। দক্ষিণ কামৰূপৰ জিলাখন যাতে ঘুৰাই দিয়া হয় তাত যাতে আমি মিলি জুলি দক্ষিণ কামৰূপক আগবঢ়াব পাৰো ।

মাননীয় উপাধ্যক্ষ মহোদয়, বগীঢলা Tea estate ত আজি কিছুদিন আগত শুধিৰ ৰয়ে আৰু সমিৰ ৰয়ে যিদৰে গুলীচালনা কৰিলে, বাগিছাৰ শ্ৰমিকক কিদৰে হত্যা কৰিলে তাৰ ওপৰত কিমান কঠোৰ দৃষ্টি দিয়া হৈছে? গোটেইবোৰ বাগিছাত union আছে, সেই বাগিছাখনত বাগিছাৰ মালিক পক্ষই কিয় union হব নিদিয়ে। এই কথা বিলাকত আমি দৃষ্টিগোচৰ কৰিব লাগিব। মাননীয় উপাধ্যক্ষ মহোদয়,আমচাংত কেইদিন মান আগতে উচ্ছেদ কৰা হ'ল

**(মাননীয় উপাধ্যক্ষ শ্ৰীদিলীপ কুমাৰ পাল সদন পৰিচালনা কৰে)** ---

মাননীয় উপাধ্যক্ষ মহোদয়, আমচাঙত কেইদিনমান আগতে উচ্ছেদ কৰা হৈছিল, ঠিক আছে , এইটো মাননীয় উচ্চমত ন্যায়ালয়ৰ নিৰ্দ্দেশ অনুসৰি হৈছে। যিহেতু পাহাৰক সংৰক্ষণ কৰিব লাগিব, গছ বিৰিখক সংৰক্ষণ কৰিব লাগিব, পাহাৰক জীয়াই ৰাখিব লাগিব, মানুহৰ অনাগত ভৱিষ্যত সুৰক্ষিত

কৰিব লাগিব। আমচাং সংৰক্ষিত বনাঞ্চলত যেতিয়া উচ্ছেদ কৰা হ'ল তেতিয়া হয়তো আপুনিও অনুভৱ কৰিছে, প্ৰমিলাৰাণী বাইদেউও হয়তো অনুভৱ কৰিছে আৰু দুখ পাইছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক নিশ্চয় এজেন্সীসমূহে উপযুক্ত সময়ত ভালদৰে অৱগত কৰা নাছিল বা অৱগত কৰাৰ পৰা বিৰত আছিল। আমচাঙৰ উচ্ছেদৰ সময়ত যিদৰে দেউতাকৰ ফটো লৈ শিশুসকলে কান্দিছিল তেতিয়া আমাৰ লগত গোটেই ৰাজ্যখনে দুখ পাইছিল। যিহেতু এইখন চৰকাৰে দায়িত্ব লৈছে গতিকে এই বিষয় বিলাক ভালদৰে চাব লাগে। উচ্চতম ন্যায়ালয়ৰ নিৰ্দ্দেশত উচ্ছেদ হ'ল ঠিকে আছে ন্যায়ালয়ৰ নিৰ্দ্দেশ মানিব লাগিব কিন্তু সেইখিনি মানিবলৈ যাওঁতে ৰাইজৰ প্ৰতি সহানুভূতি দেখুৱাব লাগিছিল। গুৰিয়াই, ঢকিয়াই, ভাঙি-মেলি এনেকুৱা কাম কৰিব নালাগিছিল। চৰকাৰে বিভিন্ন ধৰণৰ উপায় অৱলম্বন কৰিব পাৰিলে হয়। যেনে সজাগতা সভা পাতি সেই সমষ্টিৰ বিধায়কৰ লগত বিষয় সমূহ আলোচনা কৰিব লাগিছিল। আজি এটা কথা লগতে ক'বলৈ বিচাৰিছোঁ যে দীপৰ বিলত যিবিলাক ডাঙৰ ডাঙৰ অট্টালিকা হৈছে সেইবিলাক কিয় উচ্ছেদ কৰা হোৱা নাই? মই কোৱা নাই যে, এইখন চৰকাৰৰ কাৰ্য্যকালত হৈছে। এই অট্টালিকাসমূহো উচ্ছেদ কৰিব লাগে, তেওঁলোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। Ginger হোটেলখন যি ঠাইত নিমাৰ্ণ হৈছে তাত এটা বৃহৎ জলাশয় নিঃশেষ কৰি দিয়া হ'ল। জলাশয়টো আজি বিলুপ্তি ঘটাৰ কাৰণে গুৱাহাটীত বানপানীৰ সমস্যাটো বেছি হৈছে। দীপৰ বিলৰ চাৰিওফালৰ মেপখন আগতে কেনেকুৱা আছিল আৰু আজি কেনেকুৱা হৈছে , এইটো চাব লাগে। মই বনমন্ত্ৰী মহোদয়াক প্ৰশ্ন কৰিছিলো, বিভাগৰ পৰা উত্তৰ দিলে তাত কোনো অবৈধ দখল হোৱা নাই। কিন্তু এই ক্ষেত্ৰত মই কওঁ যে বিষয়া সকলে মন্ত্ৰী মহোদয়াক ভুল তথ্য দিছে। মই বিচাৰো যে দীপৰ বিলৰ অবৈধ দখল সম্পৰ্কত তদন্ত কৰিবলৈ স্থানীয় বিধায়কক লৈ এক বিশেষ তদন্ত দল গঠন কৰিব লাগে। উপাধ্যক্ষ মহোদয়, সৌ সিদিনা ডিমাহাচাও পুলিচৰ হাতত জনসাধৰণে গুলি খাবলগীয়া হ'ল। পুলিচৰ দায়িত্ব আইন পৰিস্থিতি ৰক্ষা কৰা। পৰিস্থিতি অনুসৰি উপযুক্ত পদক্ষেপ গ্ৰহণ কৰি পৰিস্থিতি নিয়ন্ত্ৰণ কৰাটো পুলিচৰ দায়িত্ব। ন্যায় ব্যৱস্থাটো ঠিক কৰি ৰখা আমাৰ শাসক-বিৰোধী সকলোৰে দায়িত্ব। ক'ৰবাত যদি জুই লাগে তাত আমি অগ্নিনিৰ্বাপকৰ দৰে দায়িত্ব পালন কৰিব লাগিব, আমি জুই জলাই দিলে নহ'ব। কিন্তু এটা কথা, পুলিচে গুলিয়াই দিয়াৰ সলনি ৰাবাৰৰ গুলি, পানী, কন্দুৱাগেছ আদি ব্যৱহাৰ কৰিব নোৱাৰিলেনে? ডিমা হাছাওত জুই কিয় জ্বলিলে? নাগালিমৰ ফ্ৰেমৱৰ্কটো লৈ সমগ্ৰ অসমবাসীৰ মনত শংকা আহিছে। মুখ্যমন্ত্ৰী মহোদয়ে টিভিৰ জৰিয়তে বাৰম্বাৰ কৈ আছে যে অসম এক ইঞ্চি মাটিও নগালেণ্ডক দিয়া নহ'ব। এতিয়া সমগ্ৰ অসমবাসীৰ মাজত এটা সন্দেহ আহিছে। আমি যদি প্ৰশ্ন কৰো তেতিয়া ক'ব যে এইটো বিষয় এতিয়া প্ৰধানমন্ত্ৰীৰ কাৰ্য্যালয়ে চাই আছে গতিকে অসম চৰকাৰৰ এক্তিয়াৰৰ ভিতৰৰ নহয়। কিন্তু নাগালিমৰ ফ্ৰেমৱৰ্ক আমি জানিব লাগিবই কাৰণ বিষয়টো সম্পৰ্কত অসমত বিভিন্ন প্ৰশ্ন আহিছে। আজি ডিমাহাচাওত দুজন মানুহ মৰিলে। সেইখিনি মানি লৈছো। কিন্তু অনাগত দিনত যাতে ডিমাহাছাও জ্বলি নাযায় তাৰ প্ৰতি নজৰ ৰাখিব লাগিব। ডিমাহাছাওত যদি অলপ জুই জ্বলে সেই জুই বেলেগ ঠাইটো জ্বলিব। এই কথাবোৰ আমি লক্ষ্য ৰাখিব লাগিব। নাগালিম ফ্ৰেমৱৰ্ক সম্পৰ্কত কব বিচাৰিছো যে এন.এছ.চি.এন খাপলাঙৰ লগত শান্তি চুক্তি হৈছে , হওক, এইটো ভাল কথা। তেওঁলোকৰ তাত জুই জ্বলিলে আমাৰ সীমাতো জ্বলে। এই কথাবিলাক প্ৰধানমন্ত্ৰী কাৰ্য্যালয়ৰ লগত আলোচনা কৰি আচল কথাটো কি, সেইটো ৰাইজক অৱগত কৰিব লাগে। কাৰণ বিভিন্ন সময়ত ইলেক্ট্ৰনিক মিডিয়াত, বিভিন্ন কথা ওলাই মেপ কিছুমান দেখুৱাই দিয়ে যে অসমৰ অমুক জিলাৰ অমুক অংশ বৃহত্তৰ নাগালিমত সোমাই যাব।

এই বিলাক কথা আমি চিন্তা কৰিব লাগিব। মই আৰু এটা কথা কব বিচাৰিছোঁ নমামী ব্ৰহ্মপুত্ৰ, বৰাক আদি আয়োজনেৰে ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীক আগবঢ়াব বিচাৰিছোঁ। ডাঙৰ ডাঙৰ আয়োজন পাতি বিশ্বক অৱগত কৰিব বিচাৰিছো। কিন্তু আমাৰ নদী আৰক্ষী কিমান শক্তিশালী ? তেওঁলোকৰ হাতত কিমান অস্ত্ৰ আছে? কিমান নাওঁ আছে? কিমান অত্যাধুনিক সঁজুলি আছে? যদি নদী আৰক্ষীক শক্তিশালী কৰা নহয় তেতিয়া হ'লে কেতিয়াবা নদীৰে যে আমাক কোনো শত্ৰুৱে আক্ৰমণ নকৰিব, তাৰ কোনো নিশ্চয়তা নাই। এইবিলাক বিষয়ত আমি প্ৰস্তুত হৈ থাকিব লাগিব। আমি নদী আৰক্ষীক শক্তিশালী কৰিব লাগিব। কৰ্তব্য পালনৰ সময়ত নদী আৰক্ষী বা সীমা আৰক্ষীয়ে থানাৰ পৰা অস্ত্ৰ সংগ্ৰহ কৰিব লগা হয়। তেওঁলোকক কোনো অস্ত্ৰ স্থায়ীভাবে দিয়া নহয়। এই কথাবিলাক আমি চিন্তা কৰিব লাগিব। অসম চুক্তি সম্পৰ্কত মহামান্য ৰাজ্যপাল মহোদয়ে কৈছে যে মোৰ চৰকাৰে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণৰ ক্ষেত্ৰত যথেষ্ট ভাল কাম কৰিছে, মই ধন্যবাদ জনাইছোঁ। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণৰ ক্ষেত্ৰত আমি সকলোৱেই বিচাৰো যে ১৯৭১ চনৰ ২৫ মাৰ্চক সময়সীমা হিচাবে মানি লোৱাটো। ঐতিহাসিক অসম চুক্তিৰ সেইদিনটোৰ সাক্ষী বহুজন জ্যেষ্ঠ বিধায়ক আজি ইয়াতে বহি আছে। সেইদিনটো অসমবাসীৰ কাৰণে সৌভাগ্যৰ দিন আছিল। ভাৰতৰ প্ৰয়াত প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ সৈতে সদৌ অসম ছাত্ৰ সন্থাৰ মাজত হোৱা অসম চুক্তিৰ দিনটো অসমৰ সোণালী দিন আছিল। সদৌ অসম ছাত্ৰ সন্থা আন্দোলনটো বিশ্ব দৰবাৰত এটা ডাঙৰ আন্দোলন, শক্তিশালী আন্দোলন বুলি সকলোৱে স্বীকাৰ কৰে। এন.আৰ.চি সম্পৰ্কত মানুহক বিপথে পৰিচালিত কৰিবলৈ বিভিন্নজনে প্ৰয়াস কৰে। তেওঁলোকে প্ৰচাৰ কৰে যে একেবাৰে পুলিচ আহি যাব, আৰ্মি আহি ভৰি যাব, কোনো ওলাব নোৱাৰিব। এনেবোৰ অপপ্ৰচাৰ কোনোবাই উলিয়াই দিয়ে। এন.আৰ.চিৰ আমি লিষ্ট দিছো, কিছুমান মানুহ থাকি গৈছে আমাৰ মাজৰ কিছু বিধায়কৰ নামো বাদ পৰিছে। এই বিষয়সমূহত আমি সদা সচেষ্ট হ'ব লাগিব। অসম ভূমিত বা ভাৰতবৰ্ষৰ চাৰিসীমাৰ মাজত এজনো বিদেশী থকাটো ভাৰতীয় জাতীয় কংগ্ৰেছে নিবিচাৰে। কিন্তু এটা কথা আমি মনত ৰাখিব লাগিব যে এন.আৰ.চিৰ ক্ষেত্ৰত কাকো যাতে কাঠৰ চচমাৰে চোৱা নাযায়। শদিয়াৰ পৰা ধুবুৰীলৈকে পাহাৰ-ভৈয়ামৰ সকলো জাতি-জনগোষ্ঠীক লৈ এন.আৰ.চি খন হ'ব। বড়ো, ৰাভা, গাৰো যিবিলাক জনগোষ্ঠী পাহাৰত আছে তেওঁলোকৰ বিশেষ কাগজ পাতি নাই। বহু মানুহ এনেকুৱা আছে যাৰ লিগেচি ডাটা বা কাগজপাতি নাই, তেওঁলোকৰ কথাও আমি চিন্তা কৰিব লাগিব। তেওঁলোকৰ লিগেচি আমি চাব লাগিব। তেওঁলোকৰ কোনো মানুহ যাতে এন.আৰ.চিৰ পৰা বাদ পৰি নাযায় এইটো আমি চাব লাগিব। অসমৰ জাতি-জনগোষ্ঠী যি কমিউনিটিৰ নহওঁক হিন্দু-মুছলিম-বেঙ্গলী সকলোৰে কথা আমি ভাবিব লাগিব। উপাধ্যক্ষ মহোদয় লাফিকুলৰ হত্যাকাণ্ড হৈ গ'ল সেই হত্যাকাণ্ডৰ তদন্ত চি.বি.আইক দিয়াৰ বাবে অসম চৰকাৰক ধন্যবাদ জনাইছো কিন্তু কি হ'ল তাৰ ফল ? এই কথাবোৰ আমি লক্ষ্য ৰাখিব লাগিব। গোৱালপাৰাৰ প্ৰতিবাদত য়াকুব আলীৰ হত্যা হ'ল। তাতো পুলিচে ৰাৱাৰ বুলেট বা কন্দুৱা গেছ ব্যৱহাৰ নকৰিলে। এই বিষয়টো দোষীক কঠোৰ শাস্তি বিহিব লাগিব। চৰকাৰে প্ৰতিবেদন দিয়ে অমুকক চাচপেনচন কৰা হ'ল। এইখিনিতে হৈ যাব নেকি? যোৱা কিছুদিন আগত বৰাক চাহবাগিছাত আলফাৰ গুলিচালনা হৈছিল। চৰকাৰে কি সুৰক্ষা দিছে? আজি যদি বাগানৰ কথা কও চাহবাগিছাৰ লোকসকল অসমৰ জনসম্পদ, তেওঁলোকক লৈ এখন সুন্দৰ অসম আমি গঢ়িম। বাগিছাৰ ভিতৰত কি হৈছে আমি খবৰ লৈছোনে ? বাগিছাৰ ভিতৰত থকা মানুহ বিলাকৰ কথা আমি চিন্তা কৰিব লাগিব। নিৰ্বাচনী ইস্তাহাৰত নহয়, চাহবাগিছাৰ মানুহৰ কথা আমি প্ৰকৃতাৰ্থত চিন্তা কৰিব লাগিব। কিছুমান চাহবাগিছাৰ মালিকে কৰ্মীক বহুত বেয়া ব্যৱহাৰ কৰে, এই কথাও আমি চাব

লাগিব। কামত ব্যৱহাৰ কৰি উপযুক্ত বনাচো নিদিয়ে। চৰকাৰে বিভিন্ন কমিটি গঠন কৰিছে যদিও ফল ধৰা নাই। উপাধ্যক্ষ মহোদয় চান্দ ডুবিলৈ হাজাৰ হাজাৰ মানুহ যায়, উকিয়ামলৈ বহু মানুহ যায়, হাহিমলৈ যায় এই ঠাইখিনিত এটা পৰ্য্যটন ক্ষেত্ৰ হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মাননীয় মুখ্যমন্ত্ৰীয়ে পৰ্য্যটনৰ ক্ষেত্ৰত বহুত গুৰুত্ব দি পৰ্য্যটক অনাৰ বাবে বহু বিদেশত গৈছে। বহু মন্ত্ৰী বিদেশলৈ গৈছে আৰু আমাক সমালোচনা কৰিছে যে তৰুণ গগৈ মুখ্যমন্ত্ৰী থকা সময়ত মন্ত্ৰী বিলাক বিদেশলৈ গৈছিল কিন্তু একো কাম নহ'ল। ঠিক আছে মই শুভেচ্ছা জনাইছোঁ, আমি আনিব নোৱাৰিলো আপোনালোকে আনক। পদ্ম হাজৰিকা ডাঙৰীয়াক দেখিলে মই উৎসাহিত হওঁ। দাদা বেলেগ দলত থাকিব পাৰে আগতে অগপ দলত আছিল আৰু বিৰোধীৰ আসনত বহিছিল। হাজৰিকা ডাঙৰীয়াই সেই সময়ৰ মুখ্যমন্ত্ৰী সমালোচনা কৰি বক্তব্য আগবঢ়াইছিল সেই বক্তব্যৰ এশাৰী মই কৈ দিব বিচাৰিছোঁ। তেখেতে কৈছিল, "আমি বিৰোধীত থাকিব পাৰো, ভাৰতীয় গণতান্ত্ৰিক সাংবিধানিক ব্যৱস্থাত বিৰোধীৰ মুখ কোনেও বন্ধ কৰিব নোৱাৰে"। লগতে মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াক কৈছিলে, "আপুনি ভাল মানুহ, আপুনি ভাল কাম কৰক কিন্তু আপুনি কিছুমান এনে মানুহৰ মাজত পৰিৱেষ্টিত হৈ আছে যাৰ ফলত আপুনি অসমৰ প্ৰকৃত সমস্যাসমূহ বুজি নাপায়"। আজি মই সেই একেখিনি কথা মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱালক ক'ব বিচাৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধুনীয়া বুলি কলে কোনোবাই বেয়া পাই। অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধুনীয়া বুলি মই নকম নেকি ? মই বিৰোধী দলত থাকিলে নকম নে অসমৰ মুখ্যমন্ত্ৰী যিদিনা হৈছে, তেওঁ সকলোৰে মুখ্যমন্ত্ৰী যিদিনা তেওঁ শপত বাক্য পাঠ কৰিছে, সেইদিনা তেওঁ সকলোৰে মুখ্যমন্ত্ৰী। উপাধ্যক্ষ মহোদয়, সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াক ক'বলৈ বিচাৰিম যে আপোনাৰ ওপৰত বহু আশা ৰাখিলোঁ, অসমৰ জনসাধৰণেও ৰাখিছে। আমি চেষ্টা কৰি আছো আৰু লোক সভাত ও চেষ্টা কৰিম। নিজৰ দলৰ কাৰণে চেষ্টা কৰি থাকিম। অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ তেওঁ হাঁহি মুখখন দেখিলে জনসাধাৰণৰ লগত আমাৰ ও ভাল লাগে। কিন্তু তেওঁক জানো যে কোনোবা এনেকুৱা মানুহে ঘেৰি ধৰিছে। আমছাঙত ইমান ডাঙৰ উচ্ছেদ হৈ গ'ল কিন্তু তেওঁ গম নাপালে এইখিনিত থাকোতে। অসমৰ বিভিন্ন ঠাইত বিভিন্ন অঞ্চলত কিদৰে গম পাইছে? কালি মোৰ এজন ওপৰোক্ত বক্তাই, বিধায়ক মহোদয়ে কৈছে, যে যোৱা চৰকাৰত MSDP আৰু এনৰেগাত ন্যায় কৰা হোৱা নাছিল। উপাধ্যক্ষ মহোদয়,মই সুধিব বিচাৰিছোঁ যে এতিয়া কি MSDP ত ন্যায় কৰা হৈছে? আজি MSDP ৰ Block Level Committee য়ে Scheme খিনি Approve কৰাৰ পিছত District Level Committee ত Approve হয়। বিজয়া চক্ৰৱৰ্তী বাইদেউ, তেখেত লোক সভাৰ সাংসদ তেখেত আৰু আমি বহি সেইখিনি ফাইনেল কৰিম। বাইদেও বি জে পি ত থাকিব পাৰে সেইটো বেলেগ কথা মোৰ লগত কিন্তু সম্পৰ্ক ভাল। তেখেত M.P হয় যদিও তেখেতৰ লগত আমি এটা সৌহাদ্যপূৰ্ণ সম্পৰ্ক বজাই আমি কাম কৰো । কিন্তু কথা এটা কওঁ উপাধ্যক্ষ মহোদয়, Block Level Committee য়ে বাছনি কৰি যিখিনি আঁচনি দিয়ে, তাৰ পিছত আমি এটা স্কিম সুমুৱাৰ কাৰণে বিভিন্ন ধৰণে আলপেচান ধৰিব লগীয়া হয়। এইটো কি ন্যায় অথবা Transparancy? এইটো শূণ্য সহনশীলতা যদি MSDP ৰ Funding বোৰত আজি মোৰ সতীৰ্থ বিধায়িকা আছে, মই আকৌ প্ৰণৱ দাক ফোন কৰিব লগা হয়। যদি MSDP ত ন্যায় হৈ আছে, এই বিলাক কি ? আজি স্কিম বিলাকত নিৰ্বাচিত বিধায়ক থকাৰ পিছতো বেলেগে Prepare কৰি দিয়ে নেকি ? কমিটিখন বেলেগে Prepare কৰি দিয়ে নেকি ? মাননীয় উপাধ্যক্ষ মহোদয়, আইন শৃংখলা ভাল বুলি সকলোৱে কয়। মই এটা কওঁ হাতীচুলা -ভুলুকাবাৰী

পঞ্চায়তৰ বি জে পি ৰ সভাপতিক আজি কেইদিন মান আগতে অগপ দলৰ লোকে মাৰি একেবাৰে হস্পিতালত ভৰ্তি কৰিবলগীয়া কৰিলে । মই খবৰ লবলৈ গৈছো, Law & Order Situation ভাল। যদি এইয়া কি চলি আছে। এইবোৰ কথা আমি চাব লাগিব।

**মাননীয় উপাধ্যক্ষ ঃ** Mr. Rekibuddin Ahmed your time is already over, please make it short.

**শ্ৰী ৰেকিবুদ্দিন আহমেদ (ছয়গাঁও) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া মই শান্তি লৈ যাম, (তেখেতে এটা জিকিৰৰ এফাকি গায়) শ্ৰী মন্ত শংকৰদেৱ গুৰুজনাৰ সেই বৈষ্ণৱ কৃতি সমূহ, অথবা হজৰত আজান পীৰ চাহাবে এই জিকিৰ ৰচনা কৰিছিল, সকলোকে একত্ৰিত কৰাৰ কথা কৈছিল। উপাধ্যক্ষ মহোদয়, আৰু এটা কথা কম, আজি চিন্দিকেটৰ কথা আহি আছে। মই দক্ষিণ কামৰূপৰ Golden Temple ৰ সদৃশ "বালি" আজি উপাধ্যক্ষ মহোদয়, ইলেকট্ৰনিক মিডিয়া, কেমেৰা লৈ তালৈ আপুনি যাওঁক। একেবাৰে এয়াৰপোৰ্ট পাৰ হৈ গধুলি অলপ সময় লক্ষ্য কৰক হাজাৰ হাজাৰ শ শ ট্ৰাক লাইন হৈ যায়। ট্ৰাক বিলাক গুৱাহাটীত সোমায়। উপাধ্যক্ষ মহোদয়, কুলচীপথ, উকিয়ামপথ, ভূমিপথ, PWD বনাই থাকিলে কি হ'ব। যিমান ট্ৰাকৰ কেপাচিটি আছে, তাৰ তুলনাত বেছি ট্ৰাক যায়। আমাৰ অসমৰ ফৰেষ্ট ডিপাৰ্টমেণ্টে কিমান ৰাজহ পায় আছে? এইটো কোনোবাই পৰিচালনা কৰিছে নেকি ? যেতিয়া প্ৰশ্ন কৰিম তেতিয়া ক'ব। আমি Tender কৰিছো। Tender কৰি bidder ক দিছোঁ। কিন্তু উপাধ্যক্ষ মহোদয়, এই Tender কৰাৰ ক্ষেত্ৰত এক নিকৃষ্ট পন্থা অৱলম্বন কৰি কেইজন মানক বিশেষ সুবিধা দিয়াৰ কাৰণে সেই Tenderটো পাছ কৰিলে। যিমানখিনি ৰাজহ পাব লাগে, অসম চৰকাৰে সেইখিনি ৰাজহ নাপায়। চালান কেইজনৰ মানৰ হাতত হে থাকে। কিছুমান যুৱ ব্যৱসায়ে অভিযোগ কৰিছে আৰু এই ক্ষেত্ৰত মই প্ৰণৱ দাৰ লগত বহুবাৰ বহিছো। আজি মই এটা কথা কম, এই বালিৰ ক্ষেত্ৰত মাত্ৰ বিশেষ কেইজন মান ব্যক্তিক শক্তি দিয়া হৈছে। তেওঁলোকে ৰাতি ১২বজাৰ পিছত চালান দিলে গাড়ী পাৰ হয়। ১জন যুৱকে ছয়গাওঁ দক্ষিণ কামৰূপৰ ১ট্ৰাক বালি যদি ৩৫০০টকাত কুকুৰমাৰ নদী পাৰ কৰে গুৱাহাটী আহিলে, ১৪/১৫হাজাৰ টকা হয়। সেই কাৰণে গুৱাহাটীত দাম বৃদ্ধি হয়। ইয়াৰ কাৰণে মই প্ৰমীলাৰাণী ব্ৰহ্ম বাইদেও ক কৈছো বাইদেও এ এই কথা জানে, আৰু বাইদেও কয় এক বিশেষ লবীয়ে এই কামটো কণ্ট্ৰ'ল কৰিছে, মই চম্ভালিব পৰা নাই। এনেদৰে ক'লে হ'ব নেকি ? মুখ্যমন্ত্ৰীৰ মুখ্য কাৰ্য্যবাহী বিষয়া তেওঁ। তেওঁক ক্ষমতা দিব লাগিব, ইয়াৰ ওপৰত তদন্ত হব লাগিব। হত্যা কাণ্ড হৈ গ'ল। এই ধৰণৰ ঘটনা ঘটাৰ মূল কাৰণ হৈছে পুলিচ আৰু বন বিষয়া লাইনত পইচা লোৱাত ব্যস্ত।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি চুটি কৰক। আপোনাৰ ২০ মিনিট হৈ গল।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ (মাননীয় বিধায়ক) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সমস্যা হ'ব, কিন্তু তাৰ সমাধান কৰিব লাগিব, চৰকাৰে ব্যৱস্থা ল'ব লাগিব। বিৰোধী পাৰ্টী হিচাপে আমি এটা কথা কৈছোঁ চৰকাৰখনৰ স্থিতাৱস্থা বাহাল থকাটো আমি কামনা কৰো। আমাৰ সেইটো কৰ্তব্য। আমাৰ কুটনীতি কৰা স্বভাৱ নাই, কিন্তু নিৰ্বাচনৰ সময়ত দেখা যাব। আমিও দেখুৱাম তৃণমূল পৰ্য্যায়ত আমাৰ শক্তি আছে নে নাই। যোৱাবাৰ আমাৰ অৱস্থা বেয়া হ'ল, কিন্তু আমিও এইবাৰ দেখুৱাম। আমি পিছ দুৱাৰেৰে কাম নকৰো আমি সন্মুখৰ পৰা যুদ্ধ কৰিম। অসমখন সকলো ফালৰ পৰা ভালে থকাটো বিচাৰো। অসমৰ সমস্যাবোৰ সমাধান হোৱাটো বিচাৰো। তাৰ ক্ষেত্ৰত বেয়া পালেও উপায় নাই। " এটা শ্বায়েৰী গায় দিয়ে"

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (মাননীয় বিধায়ক) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মহা মান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত যিটো প্ৰস্তাৱ আনিছে, সেই প্ৰস্তাৱটোৰ প্ৰতি মই পূৰ্ণ সমৰ্থন জনাই মই মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত কিছু কথা ক'ব বিচাৰোঁ। মই মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত কিছু কথা কব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, অসমৰ অৰ্থনৈতিক আৰু সামাজিক দিশটো শক্তিশালী ৰূপত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত বৰ্তমান মিত্ৰ জোটৰ চৰকাৰ খনে এক বিহৎ পৰিকল্পনা হাতত লৈছে। সেই বিহৎ পৰিকল্পনাৰ অংশ অনুযায়ী যোৱা ৩ আৰু ৪ ফেব্ৰুৱাৰীত গুৱাহাটীত দুদিনীয়া কাৰ্যসূচীৰে Advantage Assam শীৰ্ষক বিশ্ব বিনিয়োগকাৰী সন্মিলন অনুষ্ঠিত কৰি আজি অসমৰ অৰ্থনৈতিক আৰু সামাজিক দিশটো সৱল কৰাত যি বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিলে তাৰ বাবে মই মাননীয় মুখ্য মন্ত্ৰী আৰু চৰকাৰলৈ ধন্যবাদ জ্ঞাপন কৰিছো। কাৰণ আমি অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ৰাইজে সদায় অনুভৱ কৰো যে আমি অবহেলিত হৈ আছো আৰু আমাৰ অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ যিবিলাক জলন্ত সমস্যা আছে এই সমস্যা সমূহ সমধানৰ ক্ষেত্ৰত বিগত কংগ্ৰেছ আই চৰকাৰে যি বলিষ্ঠ পদক্ষেপ লব লাগিছিল সেই বলিষ্ঠ পদক্ষেপ গ্ৰহণ নকৰাৰ কাৰণে আমি বহু ক্ষেত্ৰত অৱহেলিত হৈ থাকিলো। কিন্তু, আজি মিত্ৰজোটৰ চৰকাৰ খন হবৰ ডেৰ বছৰ হ'ল। এই ডেৰ বছৰৰ ভিতৰতে আমি দেখা পাইছো অসমৰ জনসাধৰণ এতিয়া আশাবাদী যে এই চৰকাৰ খনে ভবিষ্যতৰ দিনত এক নতুন দিগন্তৰ সূচনা কৰিব আৰু নতুন দিগন্তৰ সূচনা কৰিবলৈ হলে, আমাৰ দূৰদৰ্শিতা থাকিব লাগিব, আমাৰ বৃহৎ পৰিকল্পনা থাকিব লাগিব আৰু তাৰ অংশ হিচাপে বিশ্ব বিনিয়োগকাৰী সন্মিলন অনুষ্ঠিত কৰিলে। আজি আমি দেখিছো যে এই সন্মিলনৰ যোগেদি আজি দেশ বিদেশৰ শীৰ্ষ উদ্দ্যোগপতি, ব্যৱসায়ী আৰু লগতে কুটনীতিবিদ আহি এই সন্মিলনত অংশ গ্ৰহণ কৰিছে। লগতে সুখৰ কথা যে এই সন্মিলনৰ যোগেদি আজি দেশ বিদেশৰ যি শীৰ্ষ উদ্দ্যোগী বা ব্যৱসায়ী আছিল আৰু কুটনীতিবিদ আহিছিল সেই সকলে এই দুদিনীয়া কাৰ্যসূচীতে ১৭৬ খন এম ও চহী কৰাটো মই ভাৰো ভাৰত স্বাধীন হোৱাৰ পাছত এইটো এটা যুগান্তকাৰী পদক্ষেপ। কাৰণ যুগান্তকাৰী পদক্ষেপ এই কাৰণেই যে আমি সদায় ভাৰো যে আমাক যিবিলাক দেশী বিদেশী বিনিয়োগকাৰী আছে সেইসকলে বিভিন্ন কাৰণত অসমত ব্যৱসায় কৰিব নাহে। কিন্তু, আজি এই কথা পৰিলক্ষিত হৈছে যে দেশ বিদেশৰ বিনিয়োগ কাৰী আহি ১৭৬ খন চুক্তি চাক্ষৰ কৰি প্ৰায় ৭৭ হাজাৰ লাখ কোটি টকা বিনিয়োগ কৰাৰ কাৰণে এটা প্ৰচেষ্টা হাতত লৈছে। এতিয়া মই বিশেষ ভাৱে আমাৰ যি সকল বিৰোধী দল আছে, এই বিৰোধী দল সমূহকো এটা কথা অনুৰোধ জনাব বিচাৰিছো যে আমাৰ অসম খনৰ অৰ্থনৈতিক দিশটো যদি সৱল কৰিব লাগে তেনেহলে এই চৰকাৰৰ এই প্ৰচেষ্টাক সকলোৱে সহযোগিতা কৰা উচিত। কাৰণ এটা গছ পুলি ৰুলেই সেই গছ পুলিৰ পৰা দুদিনতে যদি আমি ফল পাবলৈ বিচাৰো সেইটো কেতিয়াও সম্ভৱ নহয়। তাক ডাঙৰ দীঘল কৰিলেহে আমি সময়ত গৈ ফল পাব পাৰো। গতিকে আজি এনেধৰণৰ এখন সন্মিলন হোৱাৰ পিছত এই সন্মিলনৰ পিছত যিখন চুক্তি হ'ল সেইখিনি কাৰ্যকৰী কৰোতে কিছু সময়ৰ প্ৰয়োজন হব, গতিকে সেই সময়খিনিৰ ভিতৰতে আজিৰ অসমৰ জনসাধৰণৰ মাজত যি এটা আশাৰ সঞ্চাৰ হৈছে, এই আশাৰ সঞ্চাৰটো যাতে ধূলিসাৎ কৰা নহয় তাৰ বাবে মই বিৰোধী দল সমূহক বিশেষ ভাৱে অনুৰোধ জনাইছো। কাৰণ অসম খনক উন্নতিৰ শীষৰলৈ নিয়াৰ দায়িত্ব আমাৰ সকলোৰে। বিশেষ ভাৱে ৰাইজৰ প্ৰতিনীধিৰ এই ক্ষেত্ৰত আৰু বেছি দায়িত্ব আছে। গতিকে এনে এটা হব নালাগে যাতে আমি ঋণাত্বক কিছু কথা কৈ আমি আমাৰ ৰাইজৰ যাতে মনোবল ভঙা নহয় আৰু তাৰ লগে লগে যোগাত্মক দিশত আমি আমাৰ অসমৰ জনসাধৰণৰ যিটো আশাৰ সঞ্চাৰ হৈছে সেই আশাৰ সঞ্চাৰটো যাতে

ধূলিসাৎ কৰিব পৰা তেনে কোনো পন্থা অৱলম্বন নকৰি আমি মানুহক উৎসাহিত কৰি আগবঢ়াই নিয়াৰ পৰিকল্পনাহে হাতত লোৱাটো মই যুগুত বুলি ভাৱিছো। বিশেষ ভাৱে এই যি বিনিয়োগকাৰী সন্মিলন হ'ল, যিখিনি চুক্তি হ'ল তাৰ পাৰম্ভিক কিছু আন্তঃগাঠনিৰ প্ৰয়োজন হ'ব আৰু যিটো পাৰম্ভিক আন্তঃগাঠনি এই আন্তঃগাঠনিৰ ক্ষেত্ৰত চৰকাৰে চিন্তা নকৰা নহয়। মই ভাল পাইছো। চৰকাৰে এই সন্মিলনৰ আগতেই কিছু আন্তঃগাঠনিৰ চিন্তা কৰিছে আৰু সেইটো হৈছে যে আমাৰ বিশেষ ভাৱে তিনিটা যোগাযোগ ব্যৱস্থা শক্তি শালী আৰু উন্নত হ'ব লাগিব। এটা হৈছে স্থল পথ, এটা জল পথ আৰু আনটো আকাশী পথ। ইতিমধ্যে চৰকাৰে International এয়াৰপোৰ্ট কৰাৰ যি Intrigate Terminal নিৰ্মাণৰ ক্ষেত্ৰত ব্যৱস্থা লৈছে, তাত Domestic আৰু International passanger থাকিব। কাৰণ এই ব্যৱস্থাটো কৰাৰ লগে লগে আমাৰ ভাৰতবৰ্ষৰ লগত অন্যান্য ৰাষ্ট্ৰৰ যোগাযোগ ব্যৱস্থাটো থাকিব। যদি যোগাযোগ ব্যৱস্থাটো সৰল হয়, তেতিয়াহ'লে বহিঃৰাষ্ট্ৰৰ পৰাও অসমত নিশ্চয় বিনিয়োগ কৰাৰ কাৰণে যথেষ্ট বিনিয়োগকাৰী আহিব। ঠিক তেনেধৰণে আমাৰ ইতিমধ্যে ভূটান চৰকাৰৰ লগত এটা এগ্ৰিমেন্ট হৈছে আৰু ভূটান চৰকাৰে ইতিমধ্যে ভূটানৰ পৰা গুৱাহাটী হৈ থাইলেণ্ডলৈকে Flight দিয়াৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে, এইটো আমাৰ কাৰণে এটা সুখবৰ। অকল ভূটান চৰকাৰে নহয়, ইতিমধ্যে আমি Airport Authority পৰা জনা মতে আৰু চিভিল এভিয়েশ্যন মিনিষ্ট্ৰিৰ পৰা জনা মতে এতিয়া বহিঃ ৰাষ্ট্ৰৰ লগত যোগাযোগ কৰাৰ ক্ষেত্ৰত বা দেশৰ লগত যোগাযোগ শক্তিশালী কৰাৰ ক্ষেত্ৰত প্ৰায় ২০০ খন Flight দৈনিক চলাৰো প্ৰচেষ্টা এটা হাতত লৈছে। গতিকে এই প্ৰচেষ্টা সমূহ আদৰণীয়। ঠিক তেনেকৈ বিশেষ ভাৱে আমাৰ জল পথটো ও যদি শক্তিশালী কৰিব পাৰো, আৰু এই জলপথটো ইতিমধ্যে আমি জনা মতে আমাৰ মহাবাহু ব্ৰহ্মপুত্ৰ আছে আৰু মহাবাহু বহ্মপুত্ৰৰ পৰা বাংলাদেশ, বাংলাদেশৰ পৰা চিতাগং, যিটো বন্দৰ আৰু চিতাগঙৰ পৰা আমি যদি ¯মহাবাহু ব্ৰহ্মপুত্ৰৰ পৰা বাংলাদেশ, বাংলাদেশৰ পৰা চিতাগং আৰু চিতাগঙৰ পৰা আমি যদি ৰেংগুন লৈকে জল পৰিবহণৰ ব্যৱস্থা কৰিব পাৰো আৰু ৰেংগুনৰ পৰা যদি আমি জাপান আৰু অন্যান্য দেশলৈকে জলপথেৰে যাতায়াত ব্যৱস্থাটো কৰিব পাৰো তেতিয়াহ'লে আমাৰ যিটো লক্ষ্য আৰু উদ্দেশ্য ,সেই লক্ষ্য আৰু উদ্দেশ্যটো মই ভাৱো যথেষ্ট পৰিমাণে সফল হ'ব। ঠিক তেনেদৰে আমাৰ স্থলপথৰ ক্ষেত্ৰতো বিশেষ ব্যৱস্থা ল'ব লাগিব। ইতিমধ্যে আমাৰ স্থল পথৰ ক্ষেত্ৰত Trans Asian Highway বুলি ভাৰত চৰকাৰৰ ইতিমধ্যে ম্যানমাৰত তিনিশ কি.মি. হাইৱেৰ কাম বোধহয় সম্পূৰ্ণ হৈছে। ম্যানমাৰৰ লগত বিশেষভাৱে মণিপুৰৰ ম'ৰেৰ পৰা ইম্ফল হৈ (য'ত এন চি হিলচ্ৰ জিৰিপাম হয়) শিলচৰলৈকে আমি যদি এটা স্থলপথ নিৰ্মাণ কৰিব পাৰোঁ, তেতিয়াহলে যথেষ্ঠ সুফল পোৱা যাব। ঠিক তেনেকৈ শিলচৰৰ পৰা বাংলাদেশ হৈ আফগানিস্থান লৈকে যদি আমাৰ স্থলপথটো সংযোগ কৰা হয়, তেতিয়াহলে বহি ৰাষ্ট্ৰৰ লগত আমাৰ যোগাযোগ যথেষ্ট সবল হোৱাৰ সম্ভাৱনা আছে। ইম্ফলৰ পৰা কহিমা ডিমাপুৰহৈ নুমলীগড়ক যদি নেচনেল হাইওৱেত সংযোগ কৰা হয়, তেতিয়াহ'লে ম্যানমাৰ হৈ বহিৰাষ্ট্ৰত যাবলৈ যথেষ্ট সুবিধা হ'ব। গতিকে আমি বিশেষভাৱে আকৌ যদি বাংলাদেশ হৈ বেঙ্গলত সোমাওঁ, বেংগলৰ পৰা গংগা নদী হৈ হলদিয়ালৈকে এই পথটো যদি হয় তেতিয়াহলে বহিৰাষ্ট্ৰৰ লগত আমাৰ এটা সুন্দৰ যোগাযোগ হ'ব। আকৌ ম্যানমাৰৰ পৰা আমি যদি থাইলেণ্ড, মালয়েছিয়া হৈ ইণ্ডোনেচিয়া লৈকে লৈ যাব পাৰো তেতিয়াহলে আমাৰ বহিৰাষ্ট্ৰখিনিৰ লগত উত্তৰ পূৰ্বাঞ্চলৰ এটা যোগাযোগ ব্যৱস্থা যথেষ্ট শক্তিশালী হ'ব।তেতিয়া এছিয়ান কাউণ্টৰী সমূহত আমাৰ অসম তথা উত্তৰ পূৰ্বাঞ্চলখন দুৱাৰমুখ হ'ব। এনেধৰণে যদি আমি অনাগত দিনবোৰত কিছুমান যোগাযোগ

ব্যৱস্থা কৰিব পাৰো তেনেহলে নিশ্চয় আমাৰ মিত্ৰজোঁটৰ চৰকাৰ যি লক্ষ্য আৰু উদ্দেশ্য সেইটো সফল হ'ব। মই কোৱা নাই এইটো দুদিনতে হ'ব , কিন্তু আমাৰ চেষ্টা লাগিব আৰু মই দেখিছো মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সেই চেষ্টা আৰু আন্তৰিকতাটো আছে। ভাৰত স্বাধীন হোৱাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত এনেকুৱা এখন সন্মিলন দেখিছো যিয়ে অসমৰ অৰ্থনৈতিক অৱস্থা বা সামগ্ৰিক ভাৱে অসমৰ যিটো আমুল পৰিবৰ্তনৰ কথা কৈছোঁ সেইয়া সফল হ'ব। গতিকে মই আশাঁ ৰাখিছো এনেকুৱা যুগান্তক দিশত সকলোৱে সকলো ধৰণৰ সহায় সহযোগিতা আগবঢ়ায়। অসমৰ অৰ্থনৈতিক দিশটোৰ লগতে আমাৰ ক্ৰমশঃ বাঢ়ি অহা নিবনুৱা সমস্যাটোৰো যাতে তেনেধৰনে সমাধান কৰাৰ কাৰণে ব্যৱস্থা কৰিব পাৰো তাৰ কাৰণে আমি চেষ্টা কৰিম। যদি আমি ইয়াতে উদ্যোগ স্থাপন নকৰো, বহি ৰাজ্যৰ লগত যোগাযোগ নাথাকে ব্যৱসায় বাণিজ্য বৃদ্ধি নকৰো, উদ্যোগৰ ক্ষেত্ৰত অসম কেতিয়াও প্ৰগতিৰ দিশত আগবাঢ়ি যাব নোৱাৰে। গতিকে মই বিশেষভাৱে মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে ৰাজ্য চৰকাৰৰ মুৰব্বী মাননীয় মুখ্যমন্ত্ৰী মহোদয় খিলঞ্জীয়া মানুহৰ ভূমিৰ অধিকাৰৰ ওপৰত যাতে আমাৰ চৰকাৰে বিশেষভাৱে গুৰুত্ব আৰোপ কৰি অনতিপলমে যাতে এখন নতুন ভূমি নীতি আইন প্ৰনয়ণ কৰে তাৰ কাৰণে বিশেষ ব্যৱস্থা লবলৈ মই অনুৰোধ কৰিছোঁ। আজি সন্মিলনৰ যোগেদি গুৱাহাটীখনৰ কিছু উন্নয়ন হৈছে। এটা কথা কব লাগিব যে, আজি বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত গুৱাহাটী মহানগৰীখন উত্তৰ পূৰ্বাঞ্চলৰ দুৱাৰমুখ, আৰু উত্তৰ পূৰ্বাঞ্চলৰ একমাত্ৰ মহানগৰ ।গুৱাহাটী মহানগৰখনৰ দায়িত্ব যে অকল গুৱাহাটী ৰাইজৰ প্ৰতিনিধি কেইজনৰে আছে বা গুৱাহাটীবাসী ৰাইজৰে আছে এনে নহয়। উত্তৰ পূৰ্বাঞ্চলৰ ৰাইজেও এই গুৱাহাটীখনৰ সৰ্বাঙ্গ সুন্দৰ কৰাৰ কাৰণে দায়িত্ব লব লাগিব। আমি ইয়াতে ৰাইজৰ ১২৬ গৰাকী প্ৰতিনিধি আছো। আমি চেষ্টা কৰিছো যে, গুৱাহাটীখনৰ উন্নতি হওঁক, বিকাশ হওঁক।মই আশা ৰাখিছো ১২৬ জন বিধায়কে আজি গুৱাহাটী সৰ্বাঙ্গীন সুন্দৰ কৰাৰ ক্ষেত্ৰত সহযোগিতা কৰিব। গতিকে মই আশা ৰাখিছো অনাগত দিনবোৰত আমাৰ কৃত্ৰিম বানপানীৰ সমস্যা , মেট্ৰ' ৰেল পৰিবৰ্তনৰ আচঁনি বা আমাৰ স্মাৰ্ট চিটিৰ যিখিনি আচঁনি সেই আচঁনিখিনিৰ কাম অতি শীঘ্ৰে সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত ব্যৱস্থা কৰিব লাগে। লগতে এক নতুন দৃষ্টিভঙ্গীৰে আগবাঢ়ি গৈ খোৱাপানীৰ সমস্যা সমাধান কৰিবৰ ব্যৱস্থা কৰিব লাগে। তাৰোপৰি শিক্ষাবিভাগৰ ক্ষেত্ৰত মই দুটা কথা ক'ব বিচাৰিছোঁ। শিক্ষা বিভাগে যথেষ্ট কাম কৰিছে। মই শিক্ষা বিভাগে কাম কৰা নাই বুলি কোৱা নাই কিন্তু তাৰ ভিতৰত দুই তিনিটা মান কাম কৰিবলগীয়া আছে। বিগত বিধান সভাত ভেঞ্চাৰ স্কুলৰ প্ৰাদেশীকৰণ কৰাৰ ক্ষেত্ৰত যিখন বিল আনিছিল সেই বিলখন মই ভাৱোভেঞ্চাৰ স্কুলৰ কাৰণে আজি শিক্ষক ঐক্যমঞ্চই বিভিন্ন সময়ত বিভিন্ন আন্দোলন চলাই আহিছে। গতিকে আমাৰ এটা সুস্থ পৰিবেশ আনিব লাগে, বিদ্যালয় সমূহত আমি সুস্থ পৰিৱেশৰ কথা কৈছো, গুণোৎসৱৰ কথা কৈছে, যদি আমাৰ শিক্ষাৰ মানদণ্ড উন্নত কৰিবলৈ এটা পৰিৱেশ আনিব লাগে তেনেহ'লে ভেঞ্চাৰ স্কুল বিলাকৰ এই যিখন bill অনাগত বিধান সভাত অনাৰ প্ৰতিশ্ৰুতি দিছিল, সেই bill খন এই বিধান সভাতে আনি সেই সমস্যাটো সমাধান কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আমাৰ যি সকল নিম্ন আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত কৰ্মৰত graduate teacher আছে, সেই সকলক ইতিমধ্যে আমিনুল ইছলাম ডাঙৰীয়াই শূন্যকালীন ঘণ্টাৰ জড়িয়তে চৰকাৰক দৃষ্টিগোচৰ কৰিছে। গতিকে মই in details ক'বলৈ নাযাওঁ, তেওঁলোকৰ ক্ষেত্ৰত বিত্ত বিভাগে যিটো সমস্যাৰ সৃষ্টি কৰিছে, এই সম্পৰ্কত শিক্ষা বিভাগে বিত্ত বিভাগৰ লগত আলোচনা কৰি তেওঁলোকে ৮৭০০ টকাকৈ পোৱাৰ ব্যৱস্থা কৰাৰ কাৰণে অতি শীঘে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰি এই সমস্যাটো যাতে সমাধান কৰিব পৰা যায়,

তাৰ বাবে মই বিশেষ ভাৱে অনুৰোধ জনাইছো। তাৰোপৰি শেষত মই এটা কথা ক'ব বিচাৰিছো যে বিগত চৰকাৰৰ দিনত আমাৰ 'ৰাজীৱ গান্ধী কম্পিউটাৰ শিক্ষা আঁচনি আছিল যাৰ কাৰণে আমাৰ উচ্চ, উচ্চতৰ মাধ্যমিক আৰু হাই মাদ্ৰাছাত কম্পিউটাৰ শিক্ষা প্ৰদান কৰিছিল। কিন্তু মাজতে ৰাজীৱ গান্ধী কম্পিউটাৰ শিক্ষা আঁচনিটো বন্ধ কৰি 'ডঃ বাণীকান্ত কাকতি কম্পিউটাৰ শিক্ষা আঁচনি নামেৰে নামাকৰণ কৰা হ'ল। অসমৰ এজন মহান পুৰুষৰ নামত মিত্ৰজোঁটৰ চৰকাৰখনে এনেধৰণে পদক্ষেপ লোৱাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু যি সকল প্ৰায় ৩০৫৭ শিক্ষকে কম্পিউটাৰ শিক্ষক হিচাপে কাম কৰি আছিল, সেই সকলক ইতিমধ্যে 'ডঃ বাণীকান্ত কাকতি কম্পিউটাৰ শিক্ষা আঁচনি'ৰ বাবে নিজ নিজ জিলাত আবেদন কৰিববলৈ দিয়া হৈছিল। এতিয়া কম্পিউটাৰ শিক্ষক নোহোৱাকৈ আজি স্কুল সমূহ চলি থাকিব লগীয়া এটা পৰিস্থিতি হৈছে। গতিকে মই আশা ৰাখিছো যে 'ডঃ বাণীকান্ত কাকতি কম্পিউটাৰ শিক্ষা আঁচনিৰ জড়িয়তে যিসকল কম্পিউটাৰ শিক্ষকে কাম কৰি আছিল, সেই সকলৰ ক্ষেত্ৰটো বিবেচনা কৰি, তেখেত সকলকো ডঃ বাণীকান্ত কাকতি কম্পিউটাৰ শিক্ষা আঁচনি'ত অন্তৰ্ভূক্ত কৰি এই সমস্যাটো যাতে সমাধান কৰে তাৰ বাবে মই বিশেষভাৱে আপোনাৰ জড়িয়তে ৰাজ্য চৰকাৰক অনুৰোধ কৰিছো। বোধ কৰো, সদনত মোৰ বক্তব্য ৰখাৰ সময় শেষ হ'ল আৰু কেইটামান বিষয় আছিল কিন্তু উপস্থাপন কৰিব নোৱাৰিম। পৰৱৰ্তী সময়ত সুবিধা পালে নিশ্চয় ক'ম। উপাধ্যক্ষ মহোদয়, আপুনি এই খিনি কথা কোৱাৰ সুযোগ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো আৰু বিৰোধী দলকো মই আশা কৰিছো যাতে তেখেত সকলে এই ক্ষেত্ৰত চৰকাৰৰ যোগাত্মক দিশৰ কাম-কাজ সমূহত সমৰ্থন দি অসমৰ উন্নত্তিৰ ক্ষেত্ৰত যাতে আগবাঢ়ি যোৱাত সহায়-সহযোগিতা কৰে তাৰ বাবে মই অনুৰোধ ৰাখি মোৰ বক্তব্য ইমানতে সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া মামুন ইমদাদুল হ'ক চৌধুৰী ডাঙৰীয়া।

**শ্ৰী মামুন ইমদাদুল হ'ক চৌধুৰী (নাওবৈচা)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ বিৰোধিতা কৰি বিতৰ্কত অংশ গ্ৰহণ কৰিববলৈ অনুমতি দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। বিগত প্ৰায় ২০ মাহত আমি প্ৰায় ৩ জনকৈ ৰাজ্যপালৰ ভাষণ শুনিববলৈ পাইছো। প্ৰথমে ০২-০৬-২০১৬ ত, তাৰ পিছত ৩০-০১-২০১৭ ত আৰু সিদিনা ০৬-০২-২০১৮ ত। আমি সকলোৱে জানো যে, ৰাজ্যপালৰ ভাষণ মানে চৰকাৰৰ কৰ্মৰ খতিয়ান বা চৰকাৰৰ দৃষ্টি ভংগী ৰাজ্যপালৰ মুখেৰে, তেওঁৰ ভাষণেৰে প্ৰকাশ কৰা।

বিজেপি যদিও rulling party, তেওঁলোকৰ Alliance Partner আছে যাক মিত্ৰজোঁটৰ চৰকাৰ বুলি কোৱা হয়। বিজেপিৰ যিটো Vision Document আছিল, এই Vision Document ৰ যিবোৰ কথা, সপোন, Vision তেওঁলোকে দেখুৱাইছিল, এই সপোন বোৰ কাগজত মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ জড়িয়তে ইয়াত প্ৰকাশ কৰিববলৈ তেওঁলোকে চেষ্টা কৰিছে। কিন্তু বাস্তৱত ই অলপ ব্যতিক্ৰম। মই দুই-এটা উদাহৰণ দি শেষ কৰিম। Vision Document ত অসম চুক্তি সম্পৰ্কে তেওঁলোকে এটা কথা কৈছিল,"Implementing the Assam Accord in its letter and speech" একেখিনি কথাকে ৰাজ্যপাল ডাঙৰীয়াইও কৈছে। অলপ আগত ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই ক'লে যে চৰকাৰৰ যোগাত্মক দিশক আমি সমৰ্থন কৰিব লাগে। গতিকে এই কথাটোত আমি সমৰ্থন কৰি আছো। ৰাজ্যপাল মহোদয়ে কৈছে, "My Government is committed to the speedy implementation of the Assam Accord in its letter and speech" প্ৰায় একে বাক্য ইয়াত ব্যৱহাৰ কৰিছে

ভাল কৰিছে। মই যোৱা ১৩-০২-২০১৭ তাৰিখত হিন্দু বাংলাদেশী আৰু অসম চুক্তি ৰূপায়ণৰ সম্পৰ্কত সেই একে প্ৰশ্নকে উত্থাপন কৰিছিলো। সেই সম্পৰ্কত অসম চৰকাৰে কৈছিল যে অসম চুক্তি মানি ল'বলৈ তথা ৰূপায়ণ কৰাৰ বাবে অসম চৰকাৰ দায়বদ্ধ। আমি বিৰোধী পক্ষতথকাৰ স্বত্তেও এই যোগাত্মক ক্ষেত্ৰত চৰকাৰৰ লগত আছো। ইয়াৰ লগতে আৰু এটা কথা ক'ব বিচাৰিছো এই যে Vision Document, ৰাজ্যপালৰ ভাষণ আৰু মাননীয় মন্ত্ৰীৰ উত্তৰ এই তিনিওটা কথাৰে আমি মিল দেখিছো। তাৰ কাৰণে চৰকাৰ ধন্যবাদৰ পাত্ৰ । লগতে, "Citizenship Ammendment Bill 2016", এই পত্ৰখনৰ সম্পৰ্কত মই এটা কথা কওঁ যে উপৰোক্ত তিনিওটা কথাৰ লগত এই "Citizenship Ammendment Bill 2016" খন সম্পূৰ্ণ ৩৬০ ডিগ্ৰী বিপৰীত। এইখন মাননীয় কেন্দ্ৰীয় গৃহমন্ত্ৰী ৰাজনাথ সিং ডাঙৰীয়াই ১৫ জুলাই, ২০১৬ত দিছে। সেইখন চৰকাৰৰ হাতত নিশ্চয় আছে। চৰকাৰৰ মন্ত্ৰী সভাই জানে, মহামান্য ৰাজ্যপাল মহোদয়ে হয়তো জানে আৰু হয়তো সংসদতো দাখিল কৰিছে। মাত্ৰ দুটা বাক্য মই পঢ়ি দিব বিচাৰিছো, under the existing provision of the Act, persons belonging to the minority communities such as Hindus, Sikhs, Buddhist, Jains, Parsians and Christians from Afghanistan, Bangladesh and Pakistan who have either entered into India without valid travel document or the validity of their document have expired regarded as illegal migrants and hence eligible to apply for Indian citizenship. It is proposed to make them eligible for applying for Indian citizenship. অৰ্থাৎ এই অসম চুক্তি উলংঘন কৰি হিন্দু বাংলাদেশীক নাগৰিকত্ব দিয়াৰ পক্ষপাতী কৰি মাননীয় গৃহ মন্ত্ৰী ডাঙৰীয়াই এই পত্ৰ প্ৰেৰণ কৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জড়িয়তে এই পৱিত্ৰ সদনত চৰকাৰৰ প্ৰতি অনুৰোধ জনাইছো যে এই যিটো Vision Document, ৰাজ্যপালৰ ভাষণ আৰু মাননীয় মন্ত্ৰীৰ যিটো উত্তৰ এই তিনিওটা কথাৰ যাতে সাদৃশ্য থাকে। তেতিয়াহ'লে আমি চৰকাৰৰ লগত থাকিম। মাননীয় উপাধ্যক্ষ মহোদয়, অসম চুক্তি সম্পৰ্কত তথা কথিত Citizenship Ammendment Bill ৰ কথা ক'বলৈ যাওঁতে আমি দুখেৰে এটা কথা ক'ব লগা হয় যে অসম চৰকাৰৰ দুই-এজন দায়িত্বশীল মন্ত্ৰী, আৰু বিধায়ক সকলে কয় যে, ভাৰতবৰ্ষ যেতিয়া ভাগ হৈছিল তেতিয়া ধৰ্মৰ ভিত্তিত ভাগ হৈছিল আৰু এই কথাষাৰ সঁচা যদিও ভাৰত বৰ্ষ ভাগ হোৱাৰ একমাত্ৰ কাৰণ আছিল মুছলিম লীগ আৰু কংগ্ৰেছৰ কাজিয়া। পাকিস্তানৰ প্ৰথম আইন মন্ত্ৰী, শ্ৰী যোগেন্দ্ৰ নাথ মণ্ডল, scheduled caste হিন্দু মানুহআছিল আৰু ভাৰতবৰ্ষৰ প্ৰথম শিক্ষা মন্ত্ৰী মৌলানা আব্দুল কালাম আজাদ আছিল মুছলমান ধৰ্মালম্বী মানুহ। গতিকে এটা নিৰ্দিষ্ট সম্প্ৰদায়ক target কৰি কোৱা হয় যে, এই মানুহখিনি যাবৰ বাবে বেলেগ বেলেগ দেশ আছে। মই সন্মানিত সদনত এটা data produce কৰিব বিচাৰিছো, ১৯৪৭ চনত যেতিয়া ভাৰতবৰ্ষ ভাগ হৈছিল, মাত্ৰ ৩% মুছলমান মানুহ পাকিস্তানলৈ প্ৰব্ৰজন কৰিছিল আৰু ৯৭% মুছলমান মানুহ ভাৰতবৰ্ষত আছিল। মই নিজে ইছলাম ধৰ্মালম্বীৰ মানুহ। ইয়াতেই জন্ম হৈছো, ইয়াতেই পঢ়া-শুনা কৰিছো আৰু এই সন্মানিত সদনৰ মই সদস্য, elected representative. সমষ্টি আৰু ধৰ্মৰ কথা বেলেগ। মই এটা সম্প্ৰদায়ক represent কৰো আৰু ধৰ্মটো মোৰ personal matter. এইবোৰ কথাকে যদি মাননীয় মন্ত্ৰী মহোদয়, বিধায়কে টি.ভি., বাতৰি কাকতত TRP বঢ়াবৰ বাবে কয়, তেনেহ'লে আমি ক'ত যাম ? আৰু কিয়নো এৰি যাম? ভাৰতবৰ্ষ যেতিয়া ভাগ

হৈছিল, মাত্র ৩% মুছলমান মানুহ পাকিস্তানলৈ গৈছিল, আমাৰ পূৰ্বপুৰুষ সকল যোৱা নাই। আমি ইয়াতেই জন্মগ্রহণ কৰিছো আৰু ইয়াতেই মৃত্যুবৰণ কৰিম। গতিকে আপোনাৰ জৰিয়তে মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ প্রতি মোৰ এটাই অনুৰোধ যে উপৰোক্ত তিনিটা কথাৰ লগত যাতে এই কথাটো নিমিলে আৰু যদি উপৰোক্ত তিনিটা কথা অটুট থাকে তেতিয়া আমি চৰকাৰৰ লগত থাকিম। মাননীয় উপাধ্যক্ষ মহোদয়, সময়ৰ অভাৱত মই বেছি গভীৰলৈ নাযাওঁ। ৰাজ্যপাল ডাঙৰীয়াই কৃষি সম্পৰ্কত যি কৈছে সেইখিনি Vision Document ত তেওঁলোকে বৰ সুন্দৰকৈ লিখিছে আৰু সেই একে কথাকে ইয়াত উল্লেখ কৰিছে যে, providing irrigation facility to the entire agricultural land in Assam. আমি সকলোৱে জানো যে অসমৰ ৭০% মানুহেই কৃষিভিত্তিক, কৃষিৰ ওপৰত নিৰ্ভৰ্শীল। অসমত ৫৪.১১% কৃষি ভূমি আছে. তেওঁলোকৰ ভাগত কিন্তু এতিয়ালৈকে irrigated land হৈ আছে মাত্র ১৪ শতাংশ । এইটো হৈছে Govement record. গতিকে আমি ধন্যবাদটো চৰকাৰক কেনেকৈ দিওঁ। সন্মানীয় উপাধ্যক্ষ মহোদয়, উদ্যান শস্যৰ ক্ষেত্ৰটো তেখেতে এটা কথা কৈছে কালি চৰকাৰী পক্ষৰ বিধায়ক মাননীয় ৰনোজ পেগু ডাঙৰীয়াই এই কথাটো ধুনীয়াকৈ কৈছে আৰু মাননীয় মন্ত্রী মহোদয়ে ৰিপ্লাই দিছে। গতিকে মাত্র এটা উদাহৰন মই দিছো। ইয়াত উদ্যান শস্যৰ ক্ষেত্ৰত সৰিয়হৰ কাৰণে মাত্র ২০১ খন বীজ গাওঁ, মাটিমাহৰ কাৰণে মাত্র ১৮০খন বীজ গাওঁ চৰকাৰে লক্ষ্য কৰি লৈছে। কিন্তু আমাৰ গাওঁ হ'ল ২৬,২৪৭ খন। ক'ত চাৰ চৰকাৰৰ বিকাশ হৈছে? এইটো মই কোৱা কথা নহয়। কালি চৰকাৰী ফালৰ বিধায়ক শ্ৰী ৰনোজ পেগু ডাঙৰীয়াই দিয়া তথ্য মই সদনত দি আছো। গতিকে চাৰ, Governor Address বাস্তৱ ক্ষেত্ৰত মিলা নাই। পৰিৱেশ আৰু বনৰ ক্ষেত্ৰত যদিও চৰকাৰে ভাল ভাল কথা কৈ আছে কিন্তু বাস্তৱ সত্যটো হ'ল মোৰ হাতত থকা তথ্য মতে অসমৰ বনাঞ্চল হ্রাস হৈ হৈ গৈ ২৭,৬৮০ বৰ্গ কিঃ মিঃ আছে। যিটো ৭৮,৪৩৮ বৰ্গ কিঃ মিঃ আছিল। তাৰমানে আধাতকৈ বেছি বনাঞ্চল ধংস হৈ গৈ আছে। ৩,১০০ বৰ্গ কিঃ মিঃ বনাঞ্চল ইতিমধ্যে ধংস হৈছে। গৃহ বিভাগৰ ক্ষেত্ৰত আমাৰ মাননীয় মুখ্যমন্ত্রী মহোদয় তেখেত নিজ গৃহ বিভাগৰ দায়িত্বত আছে। আমাৰ এজন বিধায়কে ইতিমধ্যে কৈছে যে তেওঁ অকল বি জে পি ৰ মুখ্যমন্ত্রী নহয়। গোটেই অসমৰ মুখ্যমন্ত্রী। গতিকে তেওঁক আমি চবেই মুখ্যমন্ত্রী হিচাবে জানো আৰু মানিবও লাগিব। গৃহবিভাগৰ ক্ষেত্ৰত Law and order situation সম্পৰ্কে সকলোৱে কৈছে যে Law and order situation খুব ভাল। এই ক্ষেত্ৰত চৰকাৰে অথাৎ মিনিষ্টাৰে দিয়া তথ্য হৈছেঃ যোৱা ডেৰ বছৰত ৯৪,০৬৯ ক্রাইম হৈছে। গতিকে যদি ৯৪,০৬৯ ক্রাইম হয় ডেৰ বছৰত তেন্তে Law and order situation ভাল বুলি কোনটো sense ত কয় এই defination মই বুজা নাই। ঠিক তেনেদৰে পৰ্য্যটনৰ ক্ষেত্ৰতো ভাল priority Govt. এ দিছে। প্রিয়ঙ্কা চোপ্রাৰ লেখিয়া অভিনেত্রী Brand Ambassador তেওঁলোকে কৰিছে। কিন্তু দূৰ্ভাগ্যৰ বিষয় যে Government এ দিয়া ৰেকৰ্ড মতে প্রিয়ঙ্কা চোপ্রা ক Brand Ambassador কৰাৰ পিছত ১৬ লাখ ৬০ হাজাৰ টুৰিষ্ট কমি গৈছে অসমত। তাৰমানে প্রিয়ঙ্কা চোপ্রাক Brand Ambassador কৰাৰ কাৰণে অসমত বহুত ৰাজহ ক্ষতি হৈছে। মই কোৱা কথা নহয়, Government এ কোৱা কথা। শেষত জলসম্পদৰ ক্ষেত্ৰত আমাৰ বিধায়ক শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই অলপ আগতে কমকৈ হ'লেও বহুত ভালকৈ কথাখিনি কৈ গৈছে। জলসম্পদৰ ওপৰত Governor এ ইয়াত কৈ গৈছে যে A 'proposal for procrument of Brahmaputra dredge has been approved" আৰু BJP ৰ Vision document টো ব্রহ্মপুত্র খননৰ কথাটো কোৱা হৈছে। আৰু সেই

কথাটো Governor এ ইয়াত কৈছে। গতিকে দেখাত ভাল যেন লাগিলেও আচলতে ব্ৰহ্মপুত্ৰ খননৰ পিছত যিখিনি বালি ওলাব এই সম্পৰ্কত থকা মাৰাত্মক ভয়ঙ্কৰ তথ্য চৰকাৰে সদনত দাখিল কৰিছে। এইটো চৰকাৰে দিয়া তথ্য। যোৱা ৭-৯-২০১৭ ত মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰ খননৰ পিছত কি হ'ব সদনত দিছে। "The State Government agrees & undertakes that it shall give rise for uses of sand, seeds of suitable and acceptable quality, deraged materials dump on banks for the national water ways within the state boundary of IWAI or NHAI at reasonable"আটাইতকৈ ডাঙৰ কথাটো হৈছে no cost. তাৰমানে কোনো মূল্যৰ বিনিময়ত এই যে Authority কেইটাৰ কথা ক'লে National Highway Authority of India আৰু Inland Water Authority of India এওঁলোকে কোনো ধৰণৰ মূল্য অসম চৰকাৰক দিয়াৰ বিনিময়ত , অসমৰ মানুহক দিয়াৰ বিনিময়ত জিৰ' বিনিময়ত তেওঁলোকে বালি খিনি লৈ যাব পাৰিব। জলসম্পদ তেওঁলোকে লৈ যাব পাৰিব। এনেকুৱা এটা মাৰাত্মক তথ্য মাৰাত্মক এগ্ৰিমেণ্ট চৰকাৰে কৰিছে। গতিকে কোনোপধ্যেই আমি চৰকাৰক ধন্যবাদ দিব নোৱাৰো। দেখাত ভিজন ডকুমেণ্ট আৰু Governor Address এই দুটা হ'ল একে কথা। এই ভিজন ডকুমেণ্ট আৰু Governor Address দেখাত আখৰে আখৰে মিল আছিল। কিন্তু এইখিনি হ'ল চৰকাৰৰ তথ্য। চৰকাৰৰ তথ্যৰ সৈতে মিল নাই। যিহেতুকে কথা আৰু কামত চৰকাৰৰ মিল নাই গতিকে আমি কোনো পধ্যেই চাৰ ধন্যবাদ দিব নোৱাৰো। গতিকে ধন্যবাদ সূচক প্ৰস্তাৱৰ দূৰ্ঘোৰ বিৰোধিতা কৰি মোৰ বক্তব্য শেষ কৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া ডাঃ ৰনোজ পেগু ডাঙৰীয়া।

**ডঃ ৰনোজ পেগু, ধেমাজী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপালৰ ভাষনৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ আহিছে, এই প্ৰস্তাৱক ১০০ শতাংশ সমৰ্থন জনাই মই দুটামান কথা কব বিচাৰিছো। ইতিমধ্যে আমাৰ কেইবাজনো মাননীয় সদস্যই চৰকাৰখনৰ ইতিবাচক, সফলতাৰ বহুখিনি দৃষ্টান্ত তেওঁলোকৰ বক্তব্যৰ যোগেদি দাঙি ধৰিছে। Advantage Assam ৰ কথা আহিছে। যোগাযোগ, যাতায়াত উন্নযনৰ কথা আহিছে। শিক্ষাৰ কথা আহিছে। মাননীয় উপাধ্যক্ষ মহোদয়, মই দুটামান বেলেগ দিশ লৈ সদনৰ দৃষ্টি আকৰ্ষন কৰিব বিচাৰিছো। এখন দেশ, এখন চৰকাৰ কিমান সফল, কিমান যোগাত্মক ভাৱে কাম কৰিব পাৰিছে সেই কথাটো বহু পৰিমাণে নিৰ্ভৰ কৰে সেই দেশখনৰ আটাইতকৈ অৱহেলিত, বঞ্চিত যিসকল লোক তথা জনগোষ্ঠী অঞ্চল আছে সেই দৰিদ্ৰ শ্ৰেণীৰ লোক, জনগোষ্ঠীৰ লোক বা সেই পিছপৰা অৱহেলিত অঞ্চলৰ লোক বিলাকে এই চৰকাৰখনৰ অধীনত বৰ্তমান কেনেকুৱা অনুভৱ কৰে আৰু ইয়াত আটাইতকৈ ডাঙৰ কথাটো হ'ল যে শক্তি কেন্দ্ৰৰ পৰা ক্ষমতাৰ যি উৎস আছে এই উৎসৰ ক্ষেত্ৰৰ পৰা দূৰত বসবাস কৰা কোনোবা ব্ৰহ্মপুত্ৰ নদীৰ চৰ-চাপৰি অঞ্চলৰ, দুৰ্গম পাহাৰীয়া অঞ্চলত যিসকল বসবাস কৰা সাধাৰণ শ্ৰেণীৰ মানুহ, সাধাৰণ খেতিয়ক, দুখীয়া দৰিদ্ৰ মানুহ আছে তেওঁলোকে চৰকাৰখনৰ পৰা বহুত কিবাকিবি নিবিচাৰে। কিন্তু তেওঁলোকে চৰকাৰ খনৰ পৰা মূলতঃ বিচাৰে নিৰাপত্তা, শান্তি আৰু যদি কেতিয়াবা বিপদ হয়, দুৰ্যোগ হয় সেই বিপদৰ সময়ত নিঃসহায় মানুহখিনিৰ ও চৰত এখন চৰকাৰ থিয় দিয়ে নে নিদিয়ে। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ চৰকাৰখনৰ যোৱা দুটা বছৰৰ কাম-কাজ যদি আমি পৰ্য্যবেক্ষণ কৰো, ইয়াত আটাইতকৈ ডাঙৰ সফলতাটো হৈছে শিক্ষাৰ ক্ষেত্ৰত হোৱা গুণোৎসৱ। প্ৰত্যেকটো পৰিয়ালে, কোনো মানুহে নিজৰ ল'ৰা ছোৱালীক মই নপঢ়াও, শিক্ষিত নকৰো এই কথাটো কেতিয়াও

নাভাবে। সাধাৰণ মানুহ যি দিন হাজিৰা কৰি জীৱন নিৰ্বাহ কৰিছে সেই পৰিয়ালটোৰেও বিচাৰে যে মোৰ ল'ৰা ছোৱালী কেইটাক মই ভাল মানুহ, শিক্ষিত কৰিম। কিন্তু আগতে আমাৰ দেশখনত শিক্ষাখণ্ডটো এনেকুৱা এটা অনুন্নত অৱস্থাত আছিল যে যাৰ পইচা নাই তেওঁলোকৰ বাবে কোনো সুবিধা নাই। যিসকলৰ সুবিধা আছে তেওঁলোকে হয়তো পইচা খৰচ কৰি ব্যক্তিগত মাধ্যমৰ স্কুলত বা ভাল ভাল নিৰ্বাচিত শিক্ষানুষ্ঠান কেইখনত তেওঁলোকে নিজৰ ল'ৰা ছোৱালীক শিক্ষাদান কৰাব। কিন্তু গাওঁ অঞ্চল, চৰ-চাপৰি, ভিতৰুৱা অঞ্চলবিলাকত যিবিলাক চৰকাৰী বিদ্যালয় আছে, আছিল আৰু এতিয়াও আছে সেই বিদ্যালয় সমূহৰ প্ৰতি যি ধৰণৰ মনোযোগ চৰকাৰখনে দিব লাগিছিল সেইটো নাছিল বাবেই সেই বিদ্যালয়সমূহ ধ্বংসৰ গৰাহলৈ গতি কৰিছিল। কিন্তু গুনোৎসৱৰ জৰিয়তে আকৌ এবাৰ পৰিবেশ ঘুৰি আহিছে। গুণোৎসৱৰ জৰিয়তে সাধাৰণ মানুহে এটা আস্থা বুকুৰ ভিতৰত ল'বলৈ সক্ষম হৈছে। এখন চৰকাৰ আছে। আমাৰ গাওঁৰ স্কুলখন ভাল হ'ব, উন্নত হব। হঠাৎ সেই স্কুল খনত খোজকাঢ়ি খোজকাঢ়ি গৈ কান্ধত বেগ এটা লৈ কোনোবা এজন শিক্ষক উপস্থিত হৈছে। গাওঁৰ ৰাইজক কৈছে, মই টেট শিক্ষক। মানুহে দেখিছে এইখন স্কুলত মাত্ৰ এজনেই শিক্ষক আছিল। এই শিক্ষকজনৰ ঠাইত আজি নগৰৰ পৰা কোনোবা আহিছে। গোৱালপাৰাৰ পৰা, কোনোবা দূৰ-দূৰণি জিলাৰ পৰা টে'ট শিক্ষকসকল আহিছে। আমি এই গাওঁখনত শিক্ষাদান কৰিবলৈ আহিছো। মানুহৰ মনত সেই কাৰণে চৰকাৰখনৰ প্ৰতি আস্থাটো ঘুৰি আহিছে যে আমাৰ গাওঁৰ স্কুলখন ভাল হ'ব। আমাৰ গাওঁৰ স্কুলখনতে আমি বিনামূলীয়া কৈ আমাৰ ল'ৰা-ছোৱালীক পঢ়াব পাৰিম। দুখীয়া মানুহে স্কুলৰ ফিজ দিব নোৱাৰে। কিতাপৰ বোজা বহন কৰিব নোৱাৰে। দিন হাজিৰা কৰে বা সাধাৰণভাৱে খেতি কৰে। সেই মানুহৰ ল'ৰা-ছোৱালী যেতিয়া ঘূৰি গৈ মাক দেউতাকক কৈছে যে, দেউতা এইবাৰ মোক এডমিশ্যনত পইচা নালাগে। অসম চৰকাৰে মোৰ এডমিশ্যনৰ পইচা দিব। স্কুলৰ পৰা কিতাপৰ টোপোলা এটা লৈ গৈ মাক-বাপেকক কৈছে যে, চৰকাৰে দিয়া বিনামূলীয়া মোৰ ক্লাছ নাইন, টেনৰ এইখিনি পাঠ্যপুথি, তহঁতে আৰু মোৰ কাৰণে কিতাপ কিনিব নালাগে। এই আস্থাটো, এই বিশ্বাসটো দুৰ্বল মানুহকিনিক পিচপৰা মানুহখিনিক এই চৰকাৰখনে দিবলৈ সক্ষম হৈছে আৰু তাৰবাবে চৰকাৰখন ধন্যবাদৰ পাত্ৰ। তাৰবাবেই এই ৰাজ্যপালৰ ভাষণত, যি ধন্যবাদসূচক প্ৰস্তাৱ আছে, তাক গৃহীত কৰিবই লাগিব। তাক ধন্যবাদ জনাবই লাগিব। বহু মানুহৰ জীৱনলৈ হঠাতে এটা বেয়া খবৰ আহে। দেউতাকৰ কেঞ্চাৰ হৈছে। কাৰোবাৰ ঘৰলৈ হঠাৎ এটা দুৰ্য্যোগৰ দৰে বেয়া খবৰ আহে যে বাইদেউৰ দুয়োটা কিডনি বেয়া হৈছে। ক'ত যাব, কি কৰিব হাহাকাৰ এটা অৱস্থা। যিসকল মানুহে নগৰ দেখা নাই, যিসকল মানুহে এক লাখ টকা একেলগে দেখা নাই, তেনে মানুহৰ কাৰণে আজি অটল অমৃত যাৰ জৰিয়তে এটা আশ্বাস যে তোমাৰ ঘৰত কাৰোবাৰ এনেকুৱা বেমাৰ হয়, হাহাকাৰ কৰিব নালাগে। মাটি বেচিব নালাগে, গৰু বেচিব নালাগে। চৰকাৰ এখন আছে, এই চৰকাৰখনে আপোনাক দুইলাখ টকালৈকে আপোনাক চিকিৎসা সাহায্য দিব। প্ৰয়োজন সাপেক্ষে স্বাস্থ্য মন্ত্ৰীয়ে ঘোষণা কৰিছে, আৰু দিব। এখন আঁচনি, যি অন্তৰ স্পৰ্শ কৰি যায়। মোৰ নিজৰ সমষ্টিতে নৱজাতক শিশু, কাৰোবাৰ চাৰিমহীয়া শিশু, পাঁচমহীয়া শিশু মোৰ ওচৰলৈ কেতিয়াবা কেতিয়াবা আহে, মই ডাক্তৰ হিচাপেও জানো যে, তেখেতে জন্মগতভাৱে কলিজাত এটা বেমাৰ লৈ আহিছে। এটা জটিল বেমাৰ লৈ আহিছে। যিটো বেমাৰ ওপেন হাৰ্ট চাৰ্জাৰী কৰি যদি চিকিৎসা কৰা নাযায়, সেই শিশুটোৱে এই পৃথিৱীত জীয়াই থাকিব নোৱাৰিব। যিকোনো সময়ত, যিকোনো দুঘৰ্টনাত সেই শিশুটোৰ মৃত্যু হ'ব। কিন্তু আমাৰ চৰকাৰখনে এখন আঁচনি আনিছে। নৱজাতক শিশু, এনেকুৱা জটিল যি যদি বেমাৰ হয়, যি বেমাৰৰ চিকিৎসা ব্যয়

কেতিয়াবা পঁচিছ লাখ পৰ্য্যন্ত হ'ব পাৰে। কিন্তু পৰিয়ালটোৱে পঁচিছ হাজাৰ টকা বা দুই হাজাৰ পাঁচশ টকাত খৰচ কৰিব পৰা সেই পৰিয়ালটোৰ ক্ষমতা নাথাকিবও পাৰে। কিন্তু সেই পৰিয়াল সকলক আজি চৰকাৰখনে আশ্বস্ত কৰিছে আপোনালোকে কোনো চিন্তা কৰাৰ দৰকাৰ নাই। আপোনালোক আতংকিত হোৱাৰ প্ৰয়োজন নাই। আপোনালোকে ভয় খোৱাৰ প্ৰয়োজন নাই। এখন চৰকাৰ আছে। আপোনাৰ শিশুটিক এই স্নেহ স্পৰ্শ আঁচনিৰ অধীনত সম্পুৰ্ণ বিনামূলীয়াকৈ চিকিৎসা কৰোৱা হয়। মোৰ সমষ্টিৰে এতিয়ালৈকে প্ৰায় ছয় গৰাকী শিশুক এনেধৰণৰ অপাৰেশ্যন যাৰ জন্মগত ভাৱে কলিজাৰ বেমাৰ আছিল, কনজিনিটেল হাৰ্ট ডিজিজ তেওঁলোকক চিকিৎসা কৰাই, এতিয়া হাঁহিমুখে তেওঁলোকে জীয়াই থাকিবলৈ  সক্ষম হৈছে। এই চৰকাৰখন, আমি যদি চাওঁ সমাজত দুৰ্বল কোন, মহিলাসকল আৰু শিশু সকল। তেওঁলোকৰ প্ৰতি যিসমূহ আঁচনি লৈছে, আজি হাজাৰ হাজাৰ মহিলা তেওঁলোকে আত্মসহায়ক গোট গঠন কৰি এই National Rural Livelihood Mission ৰ জৰিয়তে দেশৰ অৰ্থনৈতিক ব্যৱসায় বাণিজ্যত অংশ ল'বৰ কাৰণে আগবাঢ়ি ওলাই আহিবলৈ সক্ষম হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, আৰু এটা অতি গুৰুত্বপূৰ্ণ কথা আমাৰ শ্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ চৰকাৰখনে কৰিবলৈ সক্ষম হৈছে। অসমখন এখন বিভিন্ন জাতি-জনগোষ্ঠী, ধৰ্ম-বৰ্ণ সম্প্ৰদায়ৰ লোক। তেওঁলোকে বসবাস কৰা এখন ৰাজ্য। অসমৰ ইতিহাস যদি চোৱা যায়, ইয়াৰ ইতিহাসত যি জনগোষ্ঠীয় আন্দোলন মইও তেনেকুৱা আন্দোলনৰ লগত জড়িত আছিলোঁ। আৰু বহু জনগোষ্ঠীয় নেতাৰ লগত, সংগঠনৰ লগত যেতিয়া আলাপ-আলোচনা কৰোঁ, তেওঁলোকে ব্যক্ত কৰে যে এই দেশখন আমাৰ নহয় নেকি ? আমাৰ কথাবিলাক যে কোনেও নুশুনে, এই চৰকাৰখন আমাৰ নহয় নেকি ? আমি বঞ্চিত, আমি দ্বিতীয় শ্ৰেণীৰো নহয়, আমি তৃতীয় শ্ৰেণীৰ নাগৰিকৰ নিচিনা। কিন্তু আমাৰ চৰকাৰখনে প্ৰতিটো জাতি-জনগোষ্ঠী সম-মৰ্য্যদা দি আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সদায়েই কয়,পাহাৰ-ভৈয়াম বৰাক-ব্ৰহ্মপুত্ৰ। কোনোবাই উপলুঙা কৰিলেও এইটোৱে সঁচা। যে বৰাক ব্ৰহ্মাপুত্ৰৰ সমন্বয়ৰ অবিহনে, পাহাৰ-ভৈয়ামৰ অবিহনে, এই  অসমখন থাকিব নোৱাৰে। আৰু এই অসমখন যে আমাৰ প্ৰত্যেকৰে প্ৰতিটো ক্ষুদ্ৰ জাতি-জনগোষ্ঠীয়ে উপলব্ধি কৰিব লাগিব, বুকুৰ ভিতৰত তেওঁলোকে উপলব্ধি কৰিবলৈ সক্ষম হ'ব লাগিব। কিছুমান এনেকুৱা জনগোষ্ঠী আছে, যাৰ জনসংখ্যা মাত্ৰ কেইহাজাৰমান। সেই জনগোষ্ঠীটোৱে চৰকাৰখনৰ বুকুৰ উম যাক, আমি কওঁ Warmth of love and care. এই Warmth of love and care কৰে নে নকৰে। কাৰণ সেই ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি-জনগোষ্ঠীসমূহ সংখ্যাৰ ৰাজনীতিত তেওঁলোক অপ্ৰাসংগিক। ভোটৰ ৰাজনীতিত তেওঁলোক অপ্ৰাসংগিক। তেওঁলোকে কোনো প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। এই অসমত কাৰ চৰকাৰ হ'ব, কাৰ চৰকাৰ নহ'ব। যাৰ এক লাখ জনসংখ্যা আছে, সেই একলাখ জনসংখ্যা দহটা সমষ্টিত বিভক্ত হৈ আছে, তেওঁলোকে অসমত কি চৰকাৰ হ'ব, এইটোত কোনো প্ৰভাৱ পেলাব নোৱাৰে। সেই কাৰণে তেওঁলোক গুৰুত্বহীন, সেই কাৰণে তেওঁলোক উপেক্ষিত আৰু  সেই কাৰণে তেওঁলোকৰ প্ৰতি কোনো চৰকাৰে আগতে কাণসাৰ দিয়া নাছিল। কিন্তু বি জে পি নেতৃত্বাধীন এই মিত্ৰদলৰ চৰকাৰ অহাৰ পাছত আজি মই দৃঢ়তাৰে কব বিচাৰো আটাইতকৈ ক্ষুদ্ৰতম জাতি-জনগোষ্ঠীটোৱেও অসম চৰকাৰখনৰ বুকুৰ উম,অসম চৰকাৰখনৰ Warmth of love and care তেওঁলোকে অনুভৱ কৰে। আৰু ইয়াত নেতৃত্ব লৈছে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই। বহুতে উপলুঙা কৰে, অসমৰ মাননীয় মুখ্যমন্ত্ৰী, তেখেতে কি ঘূৰিয়েই ফুৰে নেকি ? ঘূৰি ফুৰা নহয়। অসমখনক ঐক্যবদ্ধ কৰি ৰখাৰ কাৰণে বৃহত্তৰ অসমীয়া জাতিটোক শক্তিশালী কৰাৰ কাৰণে সৰু ডাঙৰ প্ৰত্যেকটো জাতি-জনগোষ্ঠীৰ ওচৰলৈ মুখ্যমন্ত্ৰীজন নিজে যায়। দেউৰী এটা ক্ষুদ্ৰ জনগোষ্ঠী। সিদিনা বাতৰিত

পাইছো, দেউৰী সাহিত্য সভাত তেওঁ গৈছে। কোনটো জনগোষ্ঠী আছে, যি জনগোষ্ঠীৰ অনুষ্ঠানলৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া যোৱা নাই। এইখনেই একমাত্ৰ চৰকাৰ, যিখন চৰকাৰে ঘোষণা কৰিলে যে, অসমৰ প্ৰত্যেকটো জনগোষ্ঠীৰ যি মূল জাতীয় উৎসৱ, সেইটো তেওঁলোকে পইচা তুমি চান্দা তুলি পাতিব নালাগে। এইটো অসম চৰকাৰে কেন্দ্ৰীয়ভাৱে প্ৰত্যেক বছৰে প্ৰত্যেকটো জনগোষ্ঠীৰ কাৰণে অনুষ্ঠিত কৰিব। তাৰ কাৰণে চৰকাৰীভাৱ মে-দাম-মে-ফি হৈছে। আলি-আই -লীগাং হৈছে। অহা ১৪ তাৰিখে আলি-আই- লিগাং, মাজুলিত হ'ব। অহাবাৰ হয়তো কোনোবা এখন ঠাইত হ'ব। অসমৰ বিভিন্ন জাতি-জনগোষ্ঠী তেওঁলোকৰ Sence of belonging, অসমখন আমাৰ, এই চৰকাৰখন আমাৰ। এই অনুভৱটো দিব পৰাটোৱে হ'ল অসম চৰকাৰখনৰ আটাইতকৈ ডাঙৰ সফলতা। Advantage Assam ত ভূটানৰ ডাঙৰ এটা প্ৰতিনিধি দল আহিছিল। মাননীয় উপাধ্যক্ষ মহোদয়, মই তেওঁলোকৰ এগৰাকী মন্ত্ৰী, Economic Affairs ৰ মন্ত্ৰী তেখেতৰ লগত ব্যক্তিগত ভাৱে কিছুসময় আলোচনা কৰিছিলোঁ। তেওঁ গৰ্বৰে কৈছিল যে, আমাৰ দেশখনক আমি যিটো কথাক লৈ আমি আটাইতকৈ বেছি গৰ্ব কৰো, সেই কথাটো হ'ল যে আমাৰ Happiness index পৃথিৱাৰ ভিতৰত আটাইতকৈ বেছি। অৰ্থনৈতিক বাকী index বিলাক গুৰুত্বহীন যে মোৰ দেশৰ মানুহ, মোৰ দেশৰ জনগণ সুখী হয় নে নহয়। আৰু ভূটানে যদি গৰ্ব কৰি কব পাৰে আজিও মই দেখিছো এইখন অসমত যোৱা দুটা বছৰত আমি মানুহবিলাক সুখী হয় নে নহয়। গাওঁত যাওঁক, বাগান অঞ্চলত যাওঁক, চৰ চাপৰি অঞ্চলত, ব্ৰহ্মপুত্ৰ সোৱনশিৰি চাপৰিত, পাহাৰত, আমি সকলোতে দেখিছো মানুহ সুখী তেওঁলোকে নিৰাপত্তাহীনতাত ভোগা নাই। তেওঁলোকে অশান্তিৰ মাজত বসবাস কৰিব লগা হোৱা নাই। তেওঁলোকে অনিশ্চয়তাৰ মাজত বসবাস কৰিব লগা হোৱা নাই। বিপদৰ সময়ত এই চৰকাৰখন আছে। মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা বিধান সভাৰ অধিবেশনত আমাৰ মাননীয় জলসম্পদ মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়াই গৰ্বেৰে এটা কথা কৈছিল, সেই কথাটো মই আজি পুনৰ উল্লেখ কৰিব বিচাৰিছোঁ। বানপানী প্ৰাকৃতিক পৰিঘটনা। বানপানী হয়, বানপানী আহে মথাউৰি ভাগে। আগতে আমি কি দেখো ? যে মথাউৰি এটা ভাগিলে আতংকময় এটা বিধ্বস্ত পৰিবেশ সৃষ্টি হ'ল। কিন্তু সেইটো পৰিবেশ সৃষ্টি হোৱাৰ পিছত আৰু আতংক হয় যে সেই মথাউৰিটো কেতিয়া বনাব ? যেতিয়ালৈকে মথাউৰি নবনায় তেতিয়ালৈকে সেই মুক্ত অঞ্চলেদি বানপানী সদায়ে আহিব আৰু সদায়ে গাওঁখন ডুবাব। ইয়াৰ যদি উদাহৰণ দিব লাগে মোৰ ধেমাজি জিলাত, মোৰ সমষ্টিতেই ৯০ দশকতে এটা মথাউৰি চিগিলে, আজিলৈকে সেই মথাউৰিটোৰ পুনৰ নিৰ্মাণ নহল। এই বছৰ নিৰ্মাণ আৰম্ভ হৈছে। আমাৰ চৰকাৰ অহাৰ পাছত সেই মথাউৰিটো পুনৰ নিৰ্মান কৰাৰ কাৰণে দ্ৰুতগতিত কাম আৰম্ভ হৈ এতিয়া সমাপ্ত হোৱাৰ দিশত। যোৱা বছৰ লক্ষীমপুৰত ৰঙানদীয়ে এটা মথাউৰি চিঙিলে। আগৰ নিয়ম মতে যদি যোৱা যায়, ৰঙানদীৰ মথাউৰি চিগিলে সেই চিগা মথাউৰিটো কেতিয়া বনাব। কিমান টকা ব্যয় সাপেক্ষে বনাব? সি এক অনিশ্চয়তাৰ গৰ্ভত থাকি যায়। কিন্তু যোৱাবাৰ কেশৱ মহন্ত ডাঙৰীয়াই গৰ্বেৰে ঘোষণা কৰিছিল যে এই খনেই প্ৰথম চৰকাৰ,যিয়ে মথাউৰি যিটো বছৰত চিগিছে সেই বছৰত এই মথাউৰি পুনৰ নিৰ্মাণ কৰাৰ কাম আৰম্ভ কৰিছে আৰু সম্পূৰ্ণও হৈছে খৰতকীয়াভাৱে। ইতিমধ্যে মন্ত্ৰী গৰাকীয়ে কৈছে, ইয়াত এই শিতানত পুঁজিৰ যথেষ্ট নাটনি আছে। তাৰ পাচতো এচ ডি আৰ এফ ৰ জৰিয়তে বা অন্য পুঁজিৰ জৰিয়তে এই মথাউৰি সমুহ পুনৰ নিৰ্মাণৰ কাম চলিছে। যেতিয়া বানপানী হয়, তেতিয়া যিসকল বিধ্বস্ত মানুহ তেওঁলোকৰ কাৰণে ৰিলিফ কেম্পত এটা হাঁহাকাৰ অৱস্থাৰ সৃষ্টি হয়। এই ৰিলিফ কেম্পসমূহৰ চাউল, খৰি, খোৱাপানীৰে পৰা আদি কৰি আঠুৱা এখনৰ কাৰণেও হাঁহাকাৰ সৰিস্থিতি হয়। যোৱা বছৰো অসমত ডাঙৰ বানপানী

হৈছিল। কিন্তু ডাঙৰ বানপানী হোৱাৰ পাছতো সেই হাহাকাৰ অৱস্থাটো হোৱা নাই। কাৰণ চৰকাৰখন আছে, চৰকাৰখনে লগে লগে হস্তক্ষেপ কৰি প্ৰত্যেক ঠাইত পৰ্য্যাপ্ত পৰিমানে ৰিলিফ দিয়া, সাহায্য দিয়াৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়, এনেকুৱা এখন চৰকাৰ যিখন চৰকাৰে সকলো ডিপাৰ্টমেণ্টক সকলো ক্ষেত্ৰত এটা ভাৰসাম্য আনিবলৈ সক্ষম হৈছে। Advantage Assam ৰ জৰিয়তে যেনেকৈ private fund Mobelised কৰি public fund ৰ লগত সমন্বয় সাধন কৰি এটা অৰ্থনৈতিক বিপ্লৱৰ যেনেকৈ সূচনা কৰিবলৈ সক্ষম হৈছে, ঠিক একেটা সময়তে গুনোৎসৱৰ দৰে কাৰ্য্যসূচীৰ জৰিয়তে সামাজিক পুঁজি মবিলাইজ কৰি শিক্ষা ব্যৱস্থাটোক এটা নতুন ৰূপ দিবৰ কাৰণে অসম চৰকাৰখন সক্ষম হৈছে । গতিকে মই ভাবোঁ যে এই চৰকাৰখনে পূৰ্বৰ সকলো ব্যৰ্থতা, সকলো স্থবিৰতা মচিমূৰ কৰি এখন নতুন অসম গঢ় দিয়াৰ ফালে যাত্ৰা আৰম্ভ কৰিবলৈ সক্ষম হৈছে, আৰু ইয়াৰ লগত আমাৰ কেন্দ্ৰীয় চৰকাৰখনৰ সম্পূৰ্ণ সহায় সহযোগিতা সমৰ্থন আমি পাবলৈ সক্ষম হৈছোঁ। মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই অসমখনক কিমান গুৰুত্ব দিছে, অসমখনক কিমান ভাল পায়, কিমান সঁহাৰি জনাইছে সেই কথা বেলেগ তথ্যৰে জানিবলৈ দৰকাৰ নাই। তেওঁ অসমলৈ কিমানবাৰ আহিলে, সেইখিনি তথ্য ল'লে বা তেখেতৰ মন্ত্ৰী সভাৰ মাননীয় মন্ত্ৰী সকল অসমলৈ কিমানবাৰ আহিলে সেই তথ্যখিনি ল'লেই আমি গম পাওঁ কেন্দ্ৰীয় চৰকাৰখনে অসমখনক কিমান গুৰুত্ব দিছে, উত্তৰ-পূৰ্বাঞ্চলক কিমান গুৰুত্ব দিছে, মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই অসমৰ বিভিন্ন জিলাত বিভিন্ন অঞ্চলত কিমান গুৰুত্ব দিছে সেই কথা আমি জানিব পাৰোঁ। সেই জিলাখনলৈ, সেই অঞ্চল বিলাকলৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া কিমানবাৰ গৈছে। কিমানবাৰ পোনপতীয়াভাৱে তেওঁ সেই অঞ্চল বিলাকৰ সমস্যা সমূহৰ বুজ লৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, মই আৰু দীঘলীয়া নকৰো। মই মাত্ৰ এটা পৰামৰ্শৰে মোৰ বক্তব্যৰ সামৰণি মাৰিব বিচাৰিছোঁ। চৰকাৰখনৰ সদিচ্ছা আছে, চৰকাৰখনৰ পলিটিকেল উইল আছে, এখন নতুন অসম গঢ়াৰ কাৰণে। এটা মাত্ৰ সমস্যা আছে। সেইটো হ'ল যে কাৰ্য্যসূচী বিলাক ৰূপায়ণ কৰিবলৈ যাওঁতে প্ৰশাসনিক ব্যৱস্থাৰ যিটো বিলম্ব যাক মই ইংৰাজীত কʼবলৈ গ'লে Administrative procedural delay, এই Administrative procedural delay টোৱে বহু সময়ত আমাক উজুটি খুৱাইছে। আমাৰ হাতত অসমখন এনেকুৱা এখন ৰাজ্য য'ত বানপানী হয়, য'ত বৰষুণৰ মাত্ৰা বেছি, কাম কৰাৰ চিজনটো খুব সীমিত। আমাৰ ১২টা মাহতেই উন্নয়ণৰ কাম কৰিব পৰা পৰিবেশ পৰিস্থিতি নাথাকে। আৰু তাৰ লগত যদি Administrative procedural delay বিলাক যদি বেছি হয়, তাক যদি আমি সমাধান কৰিব নোৱাৰোঁ তেনেহলে বহু সময়ত একোটা কাম কৰাৰ বাবে একোটা মূল্যবান সময় আমাৰ হাতৰ পৰা ওলাই যায়। চৰকাৰখনে এই ক্ষেত্ৰত নিৰ্দীষ্ট ভাৱে ব্যৱস্থা গ্ৰহণ কৰি এই কাম সমূহ, কাৰ্য্যসূচী সমূহ ৰূপায়ণ কৰাৰ ক্ষেত্ৰত এই Administrative procedural delayটো হ্ৰাস কৰি ক্ষিপ্ৰতাৰে কামসমুহ যাতে সমাধান কৰে, তেনেহলে অসমখন ভাৰতবৰ্ষৰ আগশাৰীৰ ৰাজ্য হিচাপে সকলো ক্ষেত্ৰত মুৰ দাঙি থিয় হবলৈ সক্ষম হ'ব। তাৰ কাৰণে মাননীয় মহামান্য ৰাজ্যপালৰ যি ধন্যবাদসূচক প্ৰস্তাৱ আছে সেই প্ৰস্তাৱটোৰ ১০০ শতাংশই পূৰ্ণ সমৰ্থন জনাই মোৰ বক্তব্য সামৰণি মাৰিছো ধন্যবাদ।

(অধ্যক্ষই নিজৰ আসন গ্ৰহণ কৰে)

**মাননীয় অধ্যক্ষ ঃ**- চৰণ বড়ো --- চৰণ বড়ো অনুপস্থিত, পবিন্দ্ৰ ডেকা---

**শ্ৰীপবিন্দ্ৰ ডেকা, সদস্যঃ**- মাননীয় অধ্যক্ষ মহোদয়, মোৰ আজি নহয় কালিহে আছে ছাৰ।

**মাননীয় অধ্যক্ষঃ**- ---টাইম শেষ হ'ল, দূৰ্গা ভূমিজ---

**শ্ৰীদূৰ্গা ভূমিজ, সদস্যঃ**- মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় ৰাজ্যপালৰ ভাষণৰ ধন্যবাদ সূচক প্ৰস্তাৱটো বিৰোধীতা কৰি দুষাৰ কথা ক'ব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষঃ**- মই সন্মানীয় যি সকল সদস্যৰ নাম আপোনালোকৰ প্ৰত্যেক Respective legislature party এ আমাক দিছে, তেওঁলোকে কিন্তু হাউচত প্ৰেজেন্ট থকাটো বিচাৰিছে। কিন্তু আমি নাম বিলাক তেখেত সকলে দিয়া মতেহে লিখিছোঁ। গতিকে অন্ততঃ তেওঁ নকলেওঁ তেখেতে সেই সময়ত উপস্থিত থকাটো বিচাৰিছো। গতিকে মই প্ৰত্যেক political party যি সকল ইয়াত আছে, legislature party যিসকলৰ নাম দিছে, তেওঁলোকক কিন্তু হাউচত থাকিবলৈ কৈছোঁ মই চৰণ বড়োৰ ক্ষেত্ৰত consider কৰিম, কাৰণ মই কোৱাৰ আগতেই এইটো হৈছে। এতিয়া মই কৈছো, ইয়াৰ পাছত যদি কাৰোবাৰ নাম কওঁ পিছত তেওঁ যাতে টাইম নিবিচাৰে।

**শ্ৰী দূৰ্গা ভূমিজ, ডুমডুমাঃ**- মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদৰ প্ৰস্তাৱক বিৰোধীতা কৰি দুষাৰ কথা কব বিচাৰিছোঁ। আচলতে সচাঁকৈয়ে ৰাজ্যপালৰ ভাষণৰ বহু কথা ইয়াত প্ৰতিফলন হোৱা নাই। চৰকাৰৰ তৰফৰ পৰা বহু কথা কোৱা হৈছে। এতিয়া কথা হ'ল অসমৰ ৬ জনগোষ্ঠীৰ ছাত্ৰ সংগঠনে জয় জয়কৰণৰ কাৰণে সুদীৰ্ঘ দিন ধৰি আন্দোলন কৰি আহিছে। কিন্তু এই আন্দোলনক কোনো গুৰুত্ব দিয়া হোৱা নাই। আজি ৰাজ্যপালৰ ভাষণতো এইটো প্ৰতিফলন হোৱা নাই। ৬ জনগোষ্ঠীৰ ছাত্ৰ সংগঠনৰ যি দাবী তাক গুৰুত্ব সহকাৰে লোৱা নাই। আৰু সেয়ে ভাবোঁ এয়া এক অপমানসূচক। ইয়াৰ উপৰিও শিক্ষাৰ ক্ষেত্ৰতো আমি দেখিছো, শিক্ষাৰ আচলতে চাহ বাগিচাৰ যিটো প্ৰকৃত ছবি সেইটো আমাৰ ৰাজ্যপালৰ ভাষণত অহা নাই। শিক্ষাটো অসমৰ চাহ বাগিচাত প্ৰায় ৫০০ প্ৰাথমিক বিদ্যালয় আছে। সেই বিদ্যালয় বিলাক চৰকাৰীকৰণৰ ক্ষেত্ৰত বা প্ৰাদেশীকিকৰণৰ ক্ষেত্ৰত কোনো ইয়াত প্ৰস্তাৱ বা বক্তব্য নাই। আজি আচৰিত হ'ব যে চাহ বাগিচাত যিবোৰ এল পি স্কুল সেই স্কুল বিলাকৰ যি শিক্ষক কোনো বুনিয়াদী ট্ৰেইনিং নাই। তেওঁলোকৰ শিক্ষা কলিতে চিঙি দিয়া হৈছে। আমি আশা ৰাখিছিলোঁ যে, অসমৰ সুদীৰ্ঘ দিন ধৰি বঞ্চিত হৈ থকা চাহ শ্ৰমিকৰ সন্তান সকল পঢ়ি থকা স্কুল বিলাক প্ৰাদেশীকিকৰণ হ'লহেঁতেন, তেতিয়া চাহ বাগিচাসমূহ শিক্ষাৰ ক্ষেত্ৰত এখোপ আগবাঢ়ি গ'লহেঁতেন। কিন্তু ৰাজ্যপালৰ ভাষণত দেখা পোৱা নগ'ল। এতিয়া চাহবাগিচাৰ আশে-পাশে থকা যিবিলাক চাহবাগিচাৰ কৰ্তৃপক্ষৰ অন্তৰ্গত নহয়, এল পি স্কুল, এম ই স্কুল, হাই স্কুল যিবিলাক চৰকাৰী হিচাপে চলি আছে, সেই স্কুলবিলাকতো কিছু নীতি-নিৰ্দ্দেশ কৰি বা আইনৰ অন্তৰ্ভূক্ত কৰি প্ৰাদেশীকিকৰণ কৰা হ'লে তেতিয়া নিশ্চয় এখোপ আগুৱাই গ'লহেঁতেন। কিন্তু এইটোও দেখা নগ'ল। চাহবাগিচা সমূহত সৰ্বশিক্ষাৰ এল পি স্কুলৰ বিল্ডিং গ্ৰ্যাণ্ট কৰিছে, কাৰ্য্যকৰণ হৈছে, শিক্ষক গৈছে কিন্তু তাত ডেস্ক আৰু বেঞ্চ নাই। তিনিচুকীয়া জিলাত প্ৰায় ৪০ খন বিদ্যালয় তেনেধৰণে আছে। বাৰিষা কালত সেই স্কুল বিলাকত শিক্ষক সকলে পাঠদান কৰাত অসুবিধা হয়। ছাত্ৰ-ছাত্ৰী সকলৰ বহিবলৈ অসুবিধা হয়। ছাত্ৰ-ছাত্ৰী সকলে বস্তা লৈ যায়। বস্তা বৰষুণত তিতি যায়। গতিকে পঢ়াৰ পৰিৱেশ নোহোৱা হয়। চাহবাগিচাত এই শিক্ষাৰ পৰিৱৰ্ত্তন দেখা পোৱা নাই। এই কথা আমি ৰাজ্যপাল গৰাকীৰ ভাষণত দেখা নাপালো। "সবকা সাথ, সবকা বিকাস"- আমি আশা ৰাখিছিলো চাহবাগিছাৰ শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব দিব। কিন্তু কোনো গুৰুত্ব দিয়া নহ'ল।

এতিয়া চাহ শ্ৰমিক সকলক ধন পুৰস্কাৰ আঁচনি গ্ৰহণ কৰিছে, আমাৰ ক'ব লগা নাই। কিন্তু চাহ শ্ৰমিক সকলৰ খোৱাপানীৰ অভাৱ। তেওঁলোকে এতিয়াও খাল-বিল, নদীৰ পানী খাব লগা হৈছে। এটা টিউবেল আছে যদিও পোন্ধৰ-বিশ ঘৰৰ মাজত আছে। গতিকে চাহ বাগিচাৰ ক্ষেত্ৰত যিধৰণে বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা হ'ব লাগিছিল, বা আঁচনি ল'ব লাগিছিল আৰু এইবোৰ ৰাজ্যপালৰ

ভাষণত উল্লেখ থাকিব লাগিছিল। এইটো আমি দেখা নাপালো। পানীৰ ক্ষেত্ৰত বিশুদ্ধ খোৱা পানী নোপোৱাৰ কাৰণে বিভিন্ন ৰোগে দেখা দিয়ে।

ইয়াৰ উপৰিও চাহ বাগিচাত অনাময় ব্যৱস্থা একেবাৰে দুৰ্বল আৰু তেওঁলোকক কোম্পানীয়ে যি দিয়ে সেইটোও নামমাত্ৰ। মই আশা ৰাখিছিলো যে ৰাজ্যপাল গৰাকীৰ ভ্ষণত এইখিনিও উল্লেখ থাকিব, কিন্তু নাথাকিল। আজি যি দীনদয়াল আঁচনি আছে, সেই আঁচনিও চাহবাগিচাত অন্তৰ্ভূক্ত হোৱা নাই। শ্ৰমিকৰ ৰেচন কাৰ্ড নাই। বিদ্যুৎৰ শোচনীয় অৱস্থাৰ কাৰণে লাইটৰো পোহৰ পোৱা নাই আৰু ৰেচন কাৰ্ড নোহোৱা কাৰণে কেৰাচিন তেলও পোৱা নাই। যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে। এইবোৰ সমাধান হ'ব বুলি ভাৰিছিলো। কিন্তু সমাধান নহ'ল। অসমৰ চাহবাগিছাত যিবিলাক লাইটৰ ব্যৱস্থা কৰা হৈছে, বিদ্যুৎৰ ব্যৱস্থা কৰা হৈছে তাত ক্লাষ্টাৰ মিটাৰ দিয়া হৈছে। অধ্যক্ষ ডাঙৰীয়া, আপুনি আচৰিত হ'ব যে চা হ বাগিছাৰ শ্ৰমিকে লাইট জ্বলালেও বিল দিব লাগিব, নজ্বলালেও বিল দিব লাগিব। যদি বিল নিদিয়ে তেন্তে পি এফৰ টকা কৰ্তন কৰি চাহ কৰ্তৃপক্ষই বিলৰ বাবদ লয় । ফলত হাহাকাৰৰ সৃষ্টি হয়। এইখিনি কেতিয়া পৰিত্ৰাণ হ'ব। আমি আশা ৰাখিছিলোঁ, ৰাজ্যপাল গৰাকীৰ ভাষণত অন্তৰ্ভূক্ত হ'ব।

ইয়াৰ উপৰিও চাহ জনজাতিৰ উন্নয়নৰ কাৰণে এটা বিভাগ আছে। এই বিভাগটোত আমি চাইছিলো, যথেষ্ট পৰিমাণে পুঁজি আবণ্টন দিব বুলি ভাবিছিলোঁ। কিন্তু দেখা গ'ল পুঁজি আবণ্টন দিয়া নহ'ল। একেবাৰে দুৰ্বল। প্ৰথম বাজেটত আছিল ৫৪ কোটি ৫০ লাখ টকা, তাকো উলিয়াব নোৱাৰিলে। ইয়াৰ দ্বাৰা এই ৭০-৮০ লাখ জনগোষ্ঠী লোকৰ উন্নয়ন কেতিয়াও সম্ভৱ হ'ব নোৱাৰে। ইয়াৰ উপৰিও বিগত বাজেটত চাইছিলো ৬০ কোটি টকা বাজেটত আছে। এইখিনি যথেষ্ট নহয়। চৰকাৰে প্ৰতিশ্ৰুতি দিয়া মতে ১০০ কোটি টকা হ'ব লাগিছিল। কিন্তু এই পৰ্য্যন্ত নহ'ল। ৰাজ্যপাল গৰাকীৰ ভাষণত দেখা নাপালো। দুখীয়া ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে প্ৰতিবছৰে এটা পুঁজি দিয়া হয়, বৃত্তি দিয়া হয়, সকলোবোৰ বন্ধ হৈ গ'ল। এল পি স্কুলৰ ছাত্ৰ-ছাত্ৰীয়ে আগতে যিবিলাক পাইছিল এতিয়া সকলোবোৰ বন্ধ হৈ গ'ল। এইবোৰ বন্ধ কৰাত আমাৰ দুখীয়া চাহ শ্ৰমিকৰ ছাত্ৰ-ছাত্ৰীয়ে সেইবিলাক বৃত্তিৰ পৰা বঞ্চিত হৈছে। সেইখিনি বিগত দিনবোৰত হৈছিল যদিও এইবাৰ আমি দেখা পাইছো কৰ্ত্তন কৰা হৈছে। গতিকে এই ধৰণেই চাহ শ্ৰমিক সকলক বা চাহ জনজাতি সকলক যথেষ্ট অন্যায় আৰু বঞ্চিত কৰা হৈছে। আমি আশা ৰাখিছিলো, পৰিৱৰ্ত্তনকামী চৰকাৰখনে বা ৰাজ্যপাল গৰাকীৰ ভাষণত এইখিনি কথা আহিব লাগিছিল, কিন্তু অহা দেখা নাপালো। যেতিয়া দীনদয়াল আঁচনিয়ে ঢুকি পোৱা নাই, এতিয়া আমি দেখিছো, আমাৰ ৰাজ্যপালৰ ভষণত ১ লাখতকৈও অধিক এল ই ডি বাল্ব দিব, উজ্বলা আঁচনিৰ যোগেদি। এইটো একো কামত নাহিব। কাৰণ যেতিয়ালৈকে দীনদয়াল আঁচনি অন্তৰ্ভূক্ত নহয়, তেতিয়ালৈকে এল ই ডি বাল্ব ৰ একো অৰ্থ আৰু মূল্য নাই। কাৰণ তেওঁলোকে এতিয়া জ্বলালেও বিল দিব লাগিব, নজ্বলালেও বিল দিব লাগিব। এল ই ডি বাল্ব দিয়াতকৈ আমি ভাৰিছিলো গোটেই অনাময় ব্যৱস্থাটো হওক। অনাময়, অসমৰ সকলো চাহ বাগিছা যাতে দীনদয়াল আঁচনিত অন্তৰ্ভূক্ত হওক। চৰকাৰৰ তৰফৰ পৰা বিশুদ্ধ খোৱা পানী ব্যৱস্থাটো আঁচনিত অন্তৰ্ভূক্ত হ'ব লাগিছিল। কিন্তু নহ'ল। অসমত এতিয়া যিবিলাক চাহবাগিছা আছে, সেই চাহ বাগিছাবিলাকত পি এফৰ ধন দিয়া হোৱা নাই। এ টি চি চাহ বাগিছাত প্ৰায় ২১ কোটি টকা পি এফৰ ধন দিবলৈ বাকী আছে। আমি আশা ৰাখিছিলো এইবিলাক পি এফৰ ধন যদি এ টি চিৰ যিবিলাক সমস্যা আছে তাৰ সমাধান হ'ব। সেয়াও নহ'ল। অন্যান্য চাহ বগিছা "আসাম কোম্পেনীৰ" ১৪ খন চাহবগিছাৰ মালিকে আজি অসমৰ চাহ বাগিছা একেবাৰে দুৰ্বল দেখুৱাইছে। কিন্তু সেই চাহ

বাগিছাতো প্ৰায় ২০ কোটি টকা পি এফৰ ধন দিবলৈ বাকী আছে। সেইবিলাক দিয়া হোৱা নাই। এইখিনি পি এফৰ ধন যদি দুখীয়া অৱসৰপ্ৰাপ্ত শ্ৰমিকে পালেহেঁতেন নিশ্চয় আজি অৰ্থনৈতিক ভাৱে কিছু হলে'ও আগবাঢ়িব পৰা গ'লহেঁতেন। কিন্তু সেইখিনি কথাও আমাৰ ৰাজ্যপাল গৰাকীৰ ভাষণত আমি দেখা নাপালো। ধন পুৰস্কাৰৰ দৰে অসমৰ নিবনুৱা এতিয়া টেট পৰীক্ষাত চাহ জনগোষ্ঠীৰ লোক সকলে competion কৰিব নোৱাৰে বাবে নিযুক্তি নহয়, বৃত্তি নাপায়। স্পেচিয়েলি টেট পৰীক্ষা পাতি চাহজনগোষ্ঠী নিৱনুৱা যুৱক-যুৱতী সকলৰ নিযুক্তিৰ ব্যৱস্থা কৰিব লাগিছিল চৰকাৰ খনে। কিন্তু আমি সেইটোও দেখা নাপালো।

মাটিৰ পট্টা দিয়াৰ ক্ষেত্ৰতো আজি বহু যুগ ধৰি চাহ জনগোষ্ঠীৰ লোকসকলে ভোগ দখল কৰি থকা স্বত্বেও মাটিৰ পট্টা দিয়া হোৱা নাই। মাটিৰ পট্টা দিব বুলি আমি আশা ৰাখিছিলো কিন্তু, কোনোধৰণৰ মাটিৰ ম্যাদী পট্টা আবণ্টণ দিয়া আমি দেখা পোৱা নাই। বিভিন্ন ঠাইত দেখিছো চাহ জনগোষ্ঠীৰ মাটিবিলাক বিক্ৰীৰ ক্ষেত্ৰত জুৰ-জুলুম চলিছে, হস্তান্তৰৰ ক্ষেত্ৰত এখন আইন হ'ব লাগিছিল। হস্তান্তৰবিহীন ভাৱে এখন আইন হ'ব লাগিছিল তেতিয়াহে চাহ জনগোষ্ঠিৰ মাটি বিলাক থাকিব, নহ'লে মাটিবিলাক ধ্বংস হৈ শেষ হৈ যাব। ৰেভিনিউ ভিলেজ বিলাকত গাওঁবুঢ়াৰ ব্যৱস্থা আছে। কিন্তু চাহ বাগিছাবিলাকত গাওঁ বুঢ়াৰ ব্যৱস্থা নাই। এটা সাধাৰন চিনাক্তকৰণৰ বাবে গাওঁবুঢ়াৰ প্ৰমান পত্ৰৰ প্ৰয়োজন হয় কিন্তু আজি গাওবুঢ়া নথকাৰ কাৰণে চাহ বাগিছাৰ কমিউনিটিয়ে যথেষ্ট অসুবিধাৰ সন্মূখীন হৈছে। আমি আশা ৰাখিছিলো চাহ বাগিছাবিলাকত গাওবুঢ়াৰ ব্যৱস্থা হওক কিন্তু সেয়া দেখা নাপালো। কাষ্ট চাৰ্টিফিকেটৰ ক্ষেত্ৰত ক'বই লাগিব। চাহ জনগোষ্ঠীৰ লোকক আমি নিজাকৈ কাষ্ট চাৰ্টিফিকেট দিব নোৱাৰো। অ' বি চি এচোচিয়েচনৰ তৰপৰ পৰা দিয়া হয় কিন্তু চাহ জনগোষ্ঠীৰ লোকক অলপ আজি এম বি বি এচ - বা ইঞ্জিনিয়াৰিঙত চৰকাৰখনে কিছু আৰন্টণ দিছে যদিও আমি কাষ্ট চাৰ্টি ফিকেটখনৰ কাৰণে নিজা ববীয়াকৈ চিনাক্তকৰণ কৰিব নোৱাৰাৰ কাৰণে সেইখিনি আমি পাইও হেৰুৱাব লগা হৈছে। চাহ শ্ৰমিকৰ দৰমহা প্ৰতি ৩ বছৰৰ মূৰে মূৰে কোম্পানী আৰু মালিক মিলি বৃদ্ধি কৰি আহিছিল ।আজি দুমাহতকৈ অধিক সময় ওকলি গ'ল কিন্তু চৰকাৰখনৰ বা আমি দেখা নাপালো যে দুমাহ উকলি গ'ল চুক্তি হোৱা কিন্তু কোনো চাহ শ্ৰমিকৰ দৰমহা বৃদ্ধি কৰা দেখা নগ'ল। বগীধোলা চাহ বাগিছাৰ শ্ৰমিকসকলে নিজৰ প্ৰাপ্য বিচাৰি গৈছিল কিন্তু তেওঁলোকক গুলীয়াই দিয়া হ'ল। তেওঁলোকক গুলীয়াই মৰা হ'ল । আজি চৰকাৰে তেওঁলোকৰ বাবে ব্যৱস্থা ল'ব লাগিছিল, কিন্তু একো ব্যৱস্থা গ্ৰহণ কৰা নহ'ল।

**মাননীয় অধ্যক্ষঃ** কনক্লুড প্লিজ...। আপোনাক টাইমটো দিছে ১০ মিনিট , আপুনি ইতিমধ্যে ১৫ মিনিট লৈছে।

আপোনালোকৰ আৰু কেইবাজনো স্পীকাৰ আছে সেই কাৰণে কৈছো।

**শ্ৰীদুৰ্গা ভূমিজ, ডুমডুমাঃ** ঠিক আছে অধ্যক্ষ মহোদয়, এতিয়া বেমাৰৰ কথা কৈছো। চাহ বাগিছাৰ বেমাৰ বিলাক অলপ বেলেগ। অন্য বেমাৰ বিলাক অলপ বেলেগ। চিকেলচিল বুলি এটা বেমাৰ আছে । কিন্তু আমাৰ চৰকাৰে এই বেমাৰটো আঁচনিত অন্তৰ্ভূক্ত কৰা নাই। বেমাৰৰ ডাক্তৰ কেইবাজনো আছে। ডাঃ ৰণোজ পেগু আছে, আৰু কেইবাজনে ডাক্তৰ আছে আমাৰ মাননীয় সদস্যৰ মাজত তেখেতসকলে ভালকৈ জানিব । এই বেমাৰটো অন্ততঃ অন্তৰ্ভূক্ত কৰিব লাগিব। বহু হাহকাৰ হৈছে বাগিছাবিলাকত। মানে আৰু কি ক'ব ? এই বেমাৰৰ কাৰণে কোনোধৰনৰ চিকিৎসা আমি এতিয়ালৈ অসমত দেখা নাই। গতিকে বেমাৰ টো আঁচনিত অন্তৰ্ভূক্ত কৰি যাতে চিকিৎসাৰ বাবে চৰকাৰে পুঁজি দিয়ে তাৰ কাৰণে এটা চৰকাৰে ব্যৱস্থা কৰিব লাগিছিল। যি হওক পুনৰ বাৰ মহামান্য

ৰাজ্যপাল ৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱটিৰ বিৰোধিতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষঃ** কমল সিং নাজাৰী ডাঙৰীয়া----।

**শ্ৰীকমল সিং নাজাৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত দেৱানন্দ হাজৰিকা ডাঙৰীয়াই ধন্যবাদসূচক প্ৰস্তাৱ অনাৰ পিচত বিৰোধী দলে যি সংশোধনী প্ৰস্তাৱ আনিছে। তাৰে বিৰোধিতা কৰি মই বক্তব্য ৰাখিব বিচাৰিছো। অধ্যক্ষ মহোদয়, আমাৰ দৃষ্টিগোচৰ হৈছে, আজিলৈকে ভাৰতৰ প্ৰধান মন্ত্ৰী যিসকল হৈছে তেওঁলোকৰ কাৰ্য্যৰ হিচাপ যদি আমি ল'বলৈ যাও মাননীয় অটল বিহাৰী বাজপেয়ীয়ে যেতিয়া ভাৰতৰ প্ৰধান মন্ত্ৰী আছিলে তেতিয়াৰে পৰা অসমৰ সৰ্ব্বাঙ্গীন উন্নয়ণৰ ক্ষেত্ৰত বা উত্তৰ পূৰ্ব্বাঞ্চলৰ উন্নয়ণৰ ক্ষেত্ৰত তেখেতে বেছিকৈ গুৰুত্ব দিয়াটো আমি দেখিবলৈ পাইছিলো। যাৰ ফলত তেখেতে পি এম জি এচ ৱাই ৰ যিটো পকী পথ নিৰ্মানৰ আঁচনি তাৰ আধাৰত তেখেতে গোটেই অসমত যেনেকৈ ৰাস্তা ঘাট নিৰ্মান কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছিল সেইটো যদি চাওঁ ভাৰতৰ স্বাধীনতাৰ পিচত যিখিনি ৰাস্তা নিৰ্মান কৰিবলৈ আমি সক্ষম হৈছো তাৰ তুলনাত আমি অতিকৈ আনন্দেৰে ক'ব পাৰো যে তেখেতৰ দিনৰ পৰাই আমাৰ অসম নিৰ্মানৰ যি কাৰ্য্যসূচী হাতত লোৱা হৈছিল, এই কাৰ্য্যসূচী সফলভাৱে ৰূপায়ণ কৰিবলৈ তেওঁ ব্যৱস্থা কৰিছিল। মাননীয় অটল বিহাৰী বাজপেয়ীৰ পাচতে বৰ্ত্তমানৰ ভাৰতৰ প্ৰধান মন্ত্ৰী মহোদয়, শ্ৰীনৰেন্দ্ৰ মোডী ডাঙৰীয়াই অসমখনক আগবঢ়াই লৈ যাবলৈ যি ব্যৱস্থা গ্ৰহণ কৰিছে সি সচাঁকৈ য়েআমাৰ অসমবাসীৰ বাবে বিশেষভাবে আদৰণীয় বুলি আমি ক'ব লাগিব। ইয়াৰ আগতে কোঁচৰজা নৰনাৰায়নৰ ভাতৃ সেনাপতি বিশ্ব মহাবীৰ চিলাৰায়ে উত্তৰ পূৰ্ব্বাঞ্চলত যিসকল সৰু সৰু ৰজাই ৰাজত্ব কৰি আছিল এই ৰজাসকলক তেওঁ নিজৰ তলতীয়া ৰজা হিচাপে লৈ বৰ অসম গঢ়াৰ বাবে চিন্তা কৰিছিল , পৰিকল্পনা কৰিছিল। উত্তৰ পূৰ্ব্বাঞ্চলত যি সৰু সৰু ৰজা সকলে ৰাজত্ব কৰি আছিল । এই ৰজা সকলক তেওঁৰ নিজৰ তলতীয়া হিচাপে লৈ পেলাই বৰঅসম গঢ়ি তোলাৰ চিন্তা কৰিছিল, পৰিকল্পনা কৰিছিল। সেই পৰিকল্পনা তেওঁ বাস্তৱ ৰূপ দিয়াৰ পিছত আমি খুউব পৰিতাপৰে কবলৈ বাধ্য হম যে প্ৰথম ভাৰতৰ প্ৰধান মন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ দিনত গোটেই উত্তৰ পূৰ্ব্বঞ্চলত বৰ অসম সৃষ্টি হোৱাৰ পিছত অসমীয়া ভাষাৰ গোটেই বোৰ উত্তৰ পূৰ্ব্বঞ্চলত প্ৰচলন হৈ আছিলে, নে ফাত প্ৰথম বাৰৰ বাবে বৰ্তমান অৰুণাচল প্ৰদেশত হিন্দী ভাষা জাপি দি পেলাই গোটেই উত্তৰ পূৰ্ব্বঞ্চলক ভাগ কৰাৰ যিটো পৰিকল্পনা সেই পৰিকল্পনা আমি পণ্ডিত জৱাহৰলাল নেহৰু ভাৰতৰ প্ৰধান মন্ত্ৰী হোৱাৰ দিনৰ পৰা সৃষ্টি হৈছে বুলি আমি কব পাৰো। গতিকে সেইদিনটো চিন্তা কৰি আজিলৈ ৭০ বছৰৰ পিছত , আজি এই অসমৰ কথা যদি আমি চিন্তা কৰো, তেন্ত আমি দেখিবলৈ পাওঁ যে ভাৰতৰ বৰ্তমান প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ নেতৃত্বত অসমত যি এটা কৰ্ম সংস্কৃতি সৃষ্টি কৰিবৰ কাৰণে যেনেকৈ উঠি পৰি লাগিছে ই নিশ্চয় আমাৰ অসমৰ বাবে এটি কল্যাণমুলক বুলি অভিহিত কৰিব পাৰো। ইয়াৰ উদাহৰণ সেইদিনাখন **Advantage Assam** । ইয়াৰ দ্বাৰা অসমখনক অৰ্থনৈতিকত যিটো বুনিয়াদৰ সৃষ্টি কৰি পেলাই অৰ্থনৈতিক ভাৱে স্বৰলম্বী হোৱাৰ পথত যেনেকৈ আগবঢ়াই লৈ যাবৰ কাৰণে চিন্তা কৰিছে ই সচাঁকৈ আদৰণীয় আৰু ইয়াক যদি আমি অসমৰ সকলো জনগোষ্ঠীৰ মানুহে যদি আদৰণী জনাওঁ, নিশ্চয় ইয়াতে বিশেষকৈ অসম লাভান্বিত হব বুলি কব পাৰো। যাৰ বাবে গৃহবিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই এটা অনুৰোধ কৰিব বিচাৰিছো যে অসমত এইযে উগ্ৰপন্থিৰ তাণ্ডৱ লীলা। সেই সমস্যা যদি সমাধান কৰিব নোৱাৰো তেনেহলে নিশ্চয় আমি দেশী-বিদেশী যিসকল বিনিয়োজনকাৰী মাতি আনিছো, সেইসকলে অসমত বিনিয়োজন কৰিবৰ কাৰণে আগবাঢ়ি নাহিব। গতিকে তাৰ কাৰণে এই সমস্যাটো প্ৰথমতে নিশ্চয় সমাধান কৰাৰ

কাৰণে পদক্ষেপ গ্ৰহণ কৰিব লাগিব। নহ'লে যিমানে আমি চিঞৰি চিঞৰি কথা নকওঁ কিয় যে আজি গোটেই দেশী -বিদেশী বিনিয়োজনকাৰী যেনেকৈ আগবাঢ়ি আহিছে ১৭৬ খন **MoU** চক্তি হৈছে । এই চুক্তি, চুক্তি হৈ যাতে নাথাকে তাৰ কাৰণে এই যিটো সমস্যা প্ৰথমতে সমাধান কৰি লব লাগিব।

আজি আমি দেখিবলৈ পাইছো এই যে **Advantage Assam** খন ইয়াৰ যিটো ১৭৬ খন **MoU** চুক্তি হৈ গৈছে। এই চুক্তিখন আমি কাৰ্য্যকৰী কৰিবৰ কাৰণে নিশ্চয় পৰবৰ্তীসময়ত ব্যৱস্থাটো লব। সেই ব্যৱস্থা লোৱাৰ কাৰণে আজি গোটেই অসমত দেখিবলৈ পাইছো যে **Industry** স্থাপন কৰিবৰ কাৰণে গুৱাহাটীৰ পৰা টিহুলৈকে ৰাষ্টাৰ পৰা দুয়োকাষে ৫০০ মিটাৰ মাটি দিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে। জনজাতীয় যিটো আৱাসস্থলী সেইটো বাদদি তেওঁলোকক দিয়াৰ ব্যৱস্থা কৰিছে। গতিকে মই এটা কথা কব বিচাৰিছো যে পশ্চিমৰ পৰা গুৱাহাটীলৈ আহোতে শ্ৰীৰামপুৰ গেট পাৰ হৈ পেলাই শ্ৰীৰামপুৰ পাওঁ। সেই শ্ৰীৰামপুৰৰ পৰা গোটেই খিনি আমি যদি অসমৰ দুৱাৰমুখ বুলি ভাৱো । ইয়াৰ পৰা আৰম্ভ কৰি **Industrial belt** কৰিবৰ কাৰণে ৫০০ মিটাৰ এলেকা অন্তৰ্ভূক্ত কৰি যিখিনি **Industrial belt** কৰিব বিচাৰিছো সেইখিনি এলেকাসমূহ সামৰি লৈ যদি আমি সেই ব্যৱস্থাটো কৰো তেনেহলে নিশ্চয় ইয়াক মই বি টি চিক যিহেতু **represent** কৰিছো, বি টি চি কে আদি কৰি পেলাই যাতে বি টি চি অসমৰ ভিতৰত আছে এটা স্বচ্ছ মনোভাৱৰে এই এলেকা সমূহ সাঙুৰি লৈ পেলাই এহ **Advantage Assam** জৰিয়তে উন্নয়নৰ যিটো চিন্তা কৰি আছে সেইটো যদি আমি সাঙুৰি লব পাৰো, নিশ্চয় গোটেই অসম উপকৃত হ'ব। গতিকে এইখিনি আজি এই সদনৰ মজিয়াত আমাৰ মহামন্য ৰাজ্যপালৰ ভাষণ, সেই ভাষণৰ প্ৰসংগত যিটো বিতৰ্কত ভাগ লৈছো ইয়াৰ পৰা এইখিনি অন্তৰ্ভূক্ত কৰি লোৱাৰ কাৰণে এই সদনৰ জৰিয়তে মই আহ্বান জনাইছো।

এইখিনিতে আমাৰ অশোক পেপাৰ মিল তাৰ পিছত আমাৰ বঙাইগাঁও জিলাৰ বৈতামাৰীৰ **spinning mill** আছিল । সেই বৈতামাৰীৰ **spinning mill** থকা বহুখিনি মাটি তাত আছে। অশোক পেপাৰ মিল, অসম চুক্তিৰ আধাৰত অশোক পেপাৰ মিলতো স্থাপন কৰা হৈছিল। স্থাপন হোৱাৰ পিছত আজি অশোক পেপাৰ মিলতো মৃতপ্ৰায় অৱস্থাত আছে। সেই পুনৰজ্জীৱিত কৰিবৰ কাৰণে যদি আমি ব্যৱস্থা লও, যদি ব্যৱস্থা লবও নোৱাৰো, তাত **Advantage Assam** জৰিয়তে যিখিনি **Industry** স্থাপন কৰিবৰ কাৰণে অসম চৰকাৰে আজি ব্যৱস্থা লৈছে । সেই মাটিবোৰ যিহেতু আজি বহু ক্ষেত্ৰত **encroachment** হবলৈ গৈ আছে। সেই **encroachment** হবলৈ গৈ থকা মাটি যদি আমি মুক্ত কৰি পেলাই থও তাত যিহেতু **Industrial belt** হিচাপে আগতে ঘোষণা কৰা হৈছে । গতিকে তাত যদি এটা নতুন উদ্দ্যোগ স্থাপন কৰিবৰ কাৰণে পদক্ষেপ লওঁ, তাৰ দ্বাৰা সেই এলেকাকে আদি কৰি পেলাই আমাৰ **Lower Assam** নিশ্চয় বহুখিনি উপকৃত হব। যাতে এইখিনি ব্যৱস্থা লয় তাৰ বাবে মই এই চৰকাৰক অনুৰোধ কৰিছো।

ৰাজ্যপালৰ ভাষণৰ ওপৰত আমি দেখিবলৈ পাইছো যে তেখেতে আমাৰ মহিলা সৱলীকৰণৰ ক্ষেত্ৰত অসম চৰকাৰে যিখিনি গুৰুত্ব দিছে, আমাৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্ব্বনন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত যি মহিলা সাবলীকৰণৰ বাবে আজি আমি কনকলতা মহিলা সাবলীকৰণ জৰিয়তে যিখিনি আমি কাম কৰিছো সচাঁকৈ আমি মহিলা সকলক যদি আগবঢ়াই লৈ যাব নোৱাৰো, মহিলাসকলক যদি কৰি সমাজিক কামৰ মাজেৰে আগবঢ়াই লৈ যাব নোৱাৰো তেন্তে অসমৰ যিটো সামগ্ৰীক উন্নয়ন কথা চিন্তা কৰাতো একেবাৰে তাচ্ছিল্য কৰাৰ নিচিনা হব । গতিকে আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ

সোণোৱাল ডাঙৰীয়া নেতৃত্বত যি মহিলা সৱলীকৰণৰ বাবে আজি কনকলতা মহিলা সৱলীকৰণ যোজনাৰ ব্যৱস্থা কৰিছে সচাঁকৈ আমি দেখিছো ইয়াত ১৪ হাজাৰ যুৱতীক **skill development** ৰ জৰিয়তে প্ৰশিক্ষণ দি আজিলৈকে ৩২০০ গৰাকী যুৱতী **engagement** ৰ ব্যৱস্থা কৰিছে, এই কথা সচাঁকৈ আদৰণীয়। মই অনুৰোধ কৰিম যে গোটেই অসমত কেৱল ১৪ হাজাৰ যুৱতীক কিয় প্ৰশিক্ষণ দিম ? গোটেই অসমত যিমান যুৱতী আছে তেওঁলোক আমি উৎসাহিত কৰি যদি ইয়াতকৈ আৰু বেছি **engage** কৰিব পাৰো, নিশ্চয় আমাৰ অসমখন গোটেই ভাৰতবৰ্ষৰ ভিতৰত লেখত লবলগীয়া অসম হ'ব বুলি চিন্তা কৰিব পাৰোঁ।

আজি অসম বা উত্তৰ-পূৰ্ব্বঞ্চলৰ পৰা চেন্নাইলৈ বিভিন্ন বেমাৰী মানুহ কবলৈ গ'লে যিসকল কৰ্কত ৰোগী আছে তেখেতসকলে চেন্নাইত গৈ হোটেল বা নান নান ধৰণৰ ফুটপাথত থাকি চিকিৎসা লবলৈ বাধ্য হয়। তেওঁলোকক সকাহ দিবলৈ আজি অসম চৰকাৰে যে অসম ভৱণ নিৰ্মাণ কৰাৰ জৰিয়তে তাত যোৱা যিসকল মানুহ আছে তেওঁলোকক সকাহ দিব কাৰণে ব্যৱস্থা কৰিছে । এইটো নিশ্চয় আমাৰ বাবে এটি আদৰণীয় বস্তু। অসমৰ জনসাধাৰণক সকাহ দিয়াৰ বাবে এই ব্যৱস্থাটো কৰা হৈছে। নিশ্চয় জল জল পত পত কৈ ওলাই যোৱা বুলি কব পাৰিম।

**MGNREG** ৰ ক্ষেত্ৰত, ভাৰতবৰ্ষৰ এখন আইন বুলি কব লাগিব। এই ভাৰতীয় আইনে **MGNREG** ৰ জৰিয়তে যিবিলাক **PWD department** বা বিভিন্ন **department** তে ঢুকি নাপায় সেইবোৰ এলেকাত, গাওঁ অঞ্চলত গৈ গাওঁৰ উন্নতিসাধনৰ বাবে ভাৰত চৰকাৰে এই আইন খন প্ৰবৰ্তন কৰিছে । সেই আইনৰ জৰিয়তে আজি গোটেই অসমৰ গ্ৰাম্যাঞ্চল বিলাক বহুতো উপকৃত হৈছে। সেই উপকৃত হোৱাতো আমি নিশ্চয় ভাৰত চৰকাৰৰ লগত অসম চৰকাৰক শলাগিব লাগিব। মাননীয় উপাধ্যক্ষ মহোদয়, এম.জি.এনৰেগা আইনখন এখন ভাৰতবৰ্ষৰ ভাল আইন বুলি ক'ব লাগিব। এম.জি.এনৰেগা আইনে আমাৰ বিভিন্ন বিভাগে ঢুকি নোপোৱা ঠাই সমূহত কাম কৰাৰ সুবিধা প্ৰদান কৰিছে। এই আইনৰ জৰিয়তে অসমৰ গ্ৰামাঞ্চল বিলাক উপকৃত হৈছে এই বিষয় আমি ভাৰত চৰকাৰ লগতে অসম চৰকাৰকো শলাগিব লাগিব। কিন্তু এযাৰ কথা মই মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক কব বিচাৰিছো যে এম.জি.এনৰেগাত আজি কিছুবছৰ ধৰি পাইপলাইনৰ জৰিয়তে কিছুমান কাম কৰিবলৈ দিয়া হৈছে ২০১৪-১৫, ২০১৫-১৬, ২০১৬-১৭, ২০১৭-১৮ লৈকে। এম.জি.এনৰেগা আইনত এটা কথা লিপিবদ্ধ আছে যিটো ব্লকে যিমান কাম কৰিব সেই অনুপাতে টকা পাব। পাইপলাইনৰ জৰিয়তে কৰা কামৰ আজিলৈকে টকা দিয়া হোৱা নাই। কি কাৰণত টকা দিব পৰা নাই সেই বিষয়টো চালি জাৰি চাই টকাখিনি মোকলাই দিয়াৰ ব্যৱস্থা কৰিলে ভাল হয়। ২০১৫-১৬ ত যিবিলাক জৱকাৰ্ড কৰ্মীয়ে কাম কৰিছিল তেওঁলোকক এতিয়ালৈ টকা দিয়া হোৱা নাই। এই টকাখিনি সোনকালে দিয়াৰ ব্যৱস্থা কৰিব লাগে যাতে তেওঁলোকৰ প্ৰাপ্যখিনি পায়। অসমৰ অন্য ব্লকতটো আছেই, মই বিশেষকৈ চিৰাং জিলাৰ চিদ্‌লী, মানিকপুৰ আৰু বৰবজাৰ ব্লকৰ কথা ক'ব বিচাৰিছো। সেই তিনিটা ব্লকত কাম কৰা লোকসকলে টকা পোৱা নাই। এই কথাবোৰ মন্ত্ৰী মহোদয়ে চিন্তা কৰিব বুলি আশা কৰিলো। মই যিহেতু বি.টি.চিক প্ৰতিনিধিত্ব কৰো, সেয়ে বি.টি.চি সম্পৰ্কত কেইটামান কথা কওঁ। মহামান্য ৰাজ্যপাল আমাৰ ৰাজ্যখনৰ সাংবিধানিক মুৰব্বী। ৰাজ্যখনত যি চৰকাৰ আহিব সেই চৰকাৰখনৰ কাম-কাজ সমূহৰ প্ৰতিবেদন বিধান সভাত বক্তব্য হিচাপে দাঙি ধৰে। ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰীত বি.টি.চি চুক্তি হৈছিল। বি.টি.চি চুক্তি হোৱাৰ পিছত বি.টি.চি আইন প্ৰস্তুত কৰা হ'ল। সেই আইন বি.টি.চিত প্ৰবৰ্তন হোৱাৰ পিছত কাম-কাজ চলাবলৈ ইউনিয়ন লিষ্টত থকা ৩৯ টা বিষয় ট্ৰেন্সফাৰ্ড কৰি দিয়া হৈছে আৰু বি.টি.চিক হস্তান্তৰ কৰা

হৈছে। কিন্তু ষ্টেট লিষ্টত থকা আইনসমূহ বি.টি.চিক হস্তান্তৰ নকৰাৰ ফলত বি.টি.চিয়ে নিজাববীয়াকৈ কৰ সংগ্ৰহ কৰিব পৰা নাই। মহামান্য ৰাজ্যপাল মহোদয়ে বি.টি.চিক এই অধিকাৰ দিয়াৰ ব্যৱস্থা যদি কৰে, তেতিয়া বি.টি.চিৰ ৰাইজ উপকৃত হ'ব। আমাৰ মাননীয় সৰ্বানন্দ সোনোৱালৰ নেতৃতত গঠিত চৰকাৰখনে যাতে এই ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে অনুৰোধ জনালো। আমি দেখিছো ২০১০ চনত আমাৰ ৰাভা, তিয়া, মিচিং আদি কৰি ছয়টা স্বায়ত্ব পৰিষদৰ সংবিধানৰ ষষ্ঠ অনুসূচীৰ অন্তৰ্ভূক্ত কৰিব বিচাৰিছে, তাত বি.টি.চিক মডেল হিচাপে ৰিক'মেণ্ড কৰা হৈছে। তিনিটাৰ পৰিষদ হৈছে আৰু তিনিটাৰ বাবে ৰিক'মেণ্ডেশ্যন দিছে। গতিকে বি.টি.চিক যদি মডেল হিচাপে লৈ এই ছয়টা জনগোষ্ঠীক ষষ্ঠ অনুসূচীৰ এলেকাৰ অন্তভূক্ত কৰিব বিচাৰিছো। তেতিয়া হ'লে সেই ট্ৰেন্সপাৰ্ট চাবজেক্টসমূহৰ যাতে আইন বনাব পাৰে তাৰ ব্যৱস্থা কৰি দিলে আমাৰ কিবা অসুবিধা আছেজানো? দুই হাজাৰ তিনি চনৰ পৰা আজি দুই হাজাৰ ওঠৰ চন আহি পালে তথাপি বি.টি.চিয়ে প্ৰাপ্য অধিকাৰ নাপালে। সেয়ে মই অনুৰোধ জনাম যে বি.টি.চি, কাৰ্বিআংলং, ডিমাহাচাওআৰু ছয়টা স্বায়ত্ব শাসিত পৰিষদ হ'বলৈ গৈ আছে গতিকে এই স্বায়ত্ব শাসিত পৰিষদ কেইখনক সম্পূৰ্ণ অধিকাৰ দি ৰাইজৰ আশা-আকাঙ্খাক বাস্তবায়িত কৰিব বুলি আশা ৰাখিলো। অধ্যক্ষ মহোদয় মই আপোনাৰ যোগেদি মহামান্য ৰাজ্যপালক অনুৰোধ জনাম তেখেতে অনুমোদন দিয়াৰ যিটো কাম, সেইটো কৰি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰে যেন। এইখিনিকে কৈ মোৰ আপোনাক এইখনি কবলৈ দিয়াৰ বাবে ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণী মাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীৰূপক শৰ্মা।

**শ্ৰীৰূপক শৰ্মা (নগাওঁ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ছয় তাৰিখে চলিত বাজেট অধিবেশনৰ সংগতি ৰাখি মহামান্য ৰাজ্যপাল মহোদয়ে যি বক্তব্য আগবঢ়াইছিল আৰু আমাৰ সন্মানীয় বিধায়ক শ্ৰীদেবানন্দ হাজৰিকাই আগবঢ়োৱা ধন্যবাদ সূচক প্ৰস্তাৱৰ সমৰ্থন জনাই আমি কিছু কথা কবলৈ আগবাঢ়িছো। আজিৰ পৰা প্ৰায় দুবছৰ আগতে অসম বিধান সভা নিৰ্বাচনত অসমৰ ৰাইজে এটা পৰিবৰ্তন বিচাৰি ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বত মিত্ৰজোটৰ চৰকাৰ গঠন কৰিছিলে আৰু সেই আশাৰ প্ৰতি সন্মান জনাই বৰ্তমানৰ ৰাজ্য চৰকাৰখনে অকল পৰিবৰ্তনেই নহয় এক মহাপৰিবৰ্তনলৈ আগবাঢ়িছে। প্ৰথম অধিবেশনতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বক্তব্য দাঙি ধৰিছিলে চাৰিটা বিশেষ কথাৰ ওপৰত এখন দুৰ্নীতি মুক্ত অসম, এখন প্ৰদূষণ মুক্ত অসম, এখন বিদেশী মুক্ত অসম আৰু এখন সন্ত্ৰাস মুক্ত অসম। পৰবৰ্ত্তী সময়চোৱাত এই প্ৰতিটো দিশতে চৰকাৰখন আগুৱাই গৈছে বিশেষকৈ দূৰ্নীতিৰ ক্ষেত্ৰত আমাৰ চৰকাৰখনে আপোচ কৰা নাই। অধ্যক্ষ মহোদয় আমি আজি দেখা পাইছো কেইবাজনো দুৰ্নীতি পৰায়ণ বিষয়া ইতিমধ্যে জেলহাজোতলৈ গৈছে। আজি প্ৰথম অৱস্থাতে শিক্ষা বিভাগৰ ফালৰ পৰা যিখিনি দুখীয়া ছাত্ৰ-ছাত্ৰী আছে যিসকলে মেট্ৰীক বা হাইচেকেণ্ডাৰী পাছ কৰাৰ পিছত কলেজত নামভৰ্ত্তি কৰিবলৈ সক্ষম নাছিলে সেই ছাত্ৰ-ছাত্ৰীসকলক নামভৰ্ত্তিৰ লগতে মাহেকীয়া মাচুল ৰেহাই দি প্ৰায় অসমৰ চাৰি লাখ ছাত্ৰ-ছাত্ৰীক উপকৃত কৰিছে। আমি সমষ্টিত যেতিয়া ঘুৰি ফুৰো তেতিয়া দেখিবলৈ পাও যে বহুত দুখীয়া ছাত্ৰ-ছাত্ৰী আছে খুউব মেধা সম্পন্ন ভাল ফলাফল দেখুৱাইছে কিন্তু আৰ্থিক ভাবে সৱল নোহোৱা বাবে উচ্চ শিক্ষা গ্ৰহণ কৰিব নোৱাৰে। আমাৰ চৰকাৰে কেৱল নৱম দশমে নহয় একাদশ, দ্বাদশ আৰু স্নাতকোত্তৰ পৰ্য্যায়টো অকল পাঠ্যপুঠিয়ে নহয় বিনামূলীয়া নামভৰ্ত্তি আৰু মাহেকীয়া মাচুলৰ ব্যৱস্থা কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, ১১৭.১৬ কোটি টকা এই শিতানত মোকলাই দিছে। শিক্ষা বিভাগে যি ধৰণে নিৰ্বাচনৰ প্ৰাকক্ষণত প্ৰতিশ্ৰুতি দিছিল, যে আমি স্কুটী দিম। আজি প্ৰায় কেইদিন মান আগতে

১০০০ মেধা সম্পন্ন ছাত্রীক স্কুটী দিয়া হৈছে। অকল সেয়া নহয়, আজি "সুহৃদ" আঁচনিৰ জৰিয়তে আমাৰ প্ৰায় ১২৬ টা সমষ্টিৰ প্ৰত্যেকজন বিধায়ককে ৫০ লাখ কৈ টকা দি এই ছাত্ৰ-ছাত্ৰীৰ লগতে শাৰীৰিক ভাৱে যি সকল দুৰ্বল ব্যক্তি আছে। তেওঁলোকক সহায় কৰাৰ কাৰণে ইতিমধ্যে আমি বিভিন্ন ধৰণে সহায় আগবঢ়াইছো। আজি শিক্ষা বিভাগত যি গুণোৎসৱৰ আয়োজন কৰিলে আমি বিধায়ক সকলে নিজৰ নিজৰ সমষ্টিৰ যেতিয়া বিদ্যালয় সমূহত যাওঁ আমি দেখা পাইছো। Community Involvement অকল পৰিচালনা সমিতিয়ে নহয়, তাৰ লগতে আমাৰ অভিভাৱক সকল মাতৃগোট গাওঁৰ সেই অঞ্চলৰ ৰাইজে যি সহযোগ কৰিছে, বিদ্যালয় বিলাকত আমাৰ অসমীয়া মাধ্যমৰ বিদ্যালয়বোৰৰ যি এটা বদনাম আছিলে যি সময়ত, মধ্যবিত্ত উচ্চ মধ্যবিত্ত যি সকল ব্যক্তিয়ে অসমীয়া মাধ্যম বাদ দি ইংৰাজী মাধ্যমলৈ ধাপলি মেলিছিলে সেই মূহুৰ্তত এটা সময় উপযোগী পদক্ষেপ লৈ এই 'গুণোৎসৱ'ৰ জৰিয়তে স্কুল বিলাকৰ বহুত উন্নতি সাধন কৰিছে, অকল আন্তঃগাঠনি নহয় বৌদ্ধিক দিশটো ও বহুতখিনি আগুৱাই গৈছে। আজি সেই সময় ছোৱাত গুণোৎসৱৰ প্ৰাকক্ষণত বিভিন্ন ধৰণৰ সমোলচনা হৈছে। কিন্তু গুণোৎসৱৰ পাছত তাৰ ফলাফল আমি দেখা পাইচো, সকলোৰে কিন্তু এই ব্যৱস্থাটোক আকোৱালি লৈছে, আজি স্বাস্থ্য বিভাগত আমি জানো যে স্বাস্থ্য আৰু শিক্ষা জাতিৰ মেৰুদণ্ড স্বৰূপ স্বাস্থ্যৰ ক্ষেত্ৰত বৰ্তমান চৰকাৰে যি অৰিহণা আগবঢ়াইছে, আমি সলাগ লব লাগিব। আজি প্ৰায় ৪খন মেডিকেল কলেজ ধুবুৰী নগাওঁ, ডিফু আৰু উত্তৰ লক্ষীমপুৰ ইয়াৰ উপৰিও তিনিচুকীয়া, নলবাৰী, কোকৰাঝাৰত নতুন চিকিৎসা মহাবিদ্যালয়ৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে। নগাওঁ চিকিৎসা মহাবিদ্যালয়ত, মই নিজে সেই সমষ্টিৰ বিধায়ক হোৱা হিচাপে তাত পূৰ্ণ গতিত কাম আগবাঢ়িছে আৰু অতি সোনকালে সেই চিকিৎসা মহাবিদ্যালয় হৈ উঠিব। নগাওঁ কামৰূপ জিলাৰ পিছতে জনসংখ্যা বহুল হোৱা হিচাপে স্বাস্থ্য ক্ষেত্ৰত কিছু আমাৰ অসুবিধা আছিলে আৰু আমি আশা কৰিছো যে এই চিকিৎসা মহাবিদ্যালয়খনে এই ক্ষেত্ৰত আমাক বহুদুৰ আগবঢ়াই লৈ যাব পাৰিব। যোৱা ২০১৬ বৰ্ষৰ ডিচেম্বৰ মাহতে যি অটল অমৃত অভিযান আৰম্ভ কৰি ৬টা বিশেষ ৰোগ হৃদ ৰোগ, কৰ্কট ৰোগ, বৃক্ক ৰোগ, নৱজাতকৰ ৰোগ আৰু স্নায়ু জনিত ৰোগ আৰু জুয়ে পুৰা ৰোগী সকলৰ ক্ষেত্ৰত ২ লাখ টকা পৰ্য্যন্ত চৰকাৰে যি দিয়াৰ ব্যৱস্থা আছে, সেই ব্যৱস্থাৰ যোগেদী অসমৰ বহু ৰোগী উপকৃত হৈছে আৰু বিশেষকৈ আমাৰ কৃষি ক্ষেত্ৰত আমি কব লাগিব যে ২০২২ চনৰ ভিতৰত কৃষকৰ আয় দুগুণ কৰাৰ যি পৰিকল্পনা আছে সেই ক্ষেত্ৰত চৰকাৰে বহুদুৰ আগবাঢ়ি গৈছে। বিশেষকৈ সময়ে সময়ে আমাৰ কৃষক সকলক খেতিৰ সা-সজুলিৰ লগতে বীজ দি যি অৰিহণা আগবঢ়াইছে ইয়াৰ ফলত আমাৰ কৃষক সকল বহুত উপকৃত হৈছে। বিশেষকৈ আমি দেখা পাওঁ যে যেতিয়া আমি ৰাস্তাৰে যাও আমাৰ ৰাস্তাৰ দুয়োফালে যি পথাৰ থাকে সেই পথাৰবোৰ এটা সময়ক বাদ দি বাকী সময়ত উদং দেখা পাও। ইয়াৰ তুলনাত পাঞ্জাৱ, ৰাজস্থান বা হাৰিয়ানাত বছৰৰ ১২ মাহে কিবা নহয় কিবা এটা খেতি চলি থাকে আৰু সেই ধাৰণা লৈ আজি অসমতো বিভিন্ন সময়ত এটা বছৰত কেইবাটাও খেতি হোৱাকৈ বৰ্তমান চৰকাৰখনে ব্যৱস্থা লৈছে আৰু এই ক্ষেত্ৰত আমাৰ কৃষক সকল বহুগুণে উপকৃত হৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে, আমাক এটা কথা সদায় কৈ আহিছিলে যে আমাৰ অসমখনৰ প্ৰায় ৮০ শতাংশই গ্ৰাম্য অঞ্চল আৰু এই গ্ৰাম্য অঞ্চলত কৃষি ক্ষেত্ৰত হওঁক বা অন্যান্য ক্ষেত্ৰত হওঁক আমি যদি গ্ৰাম্যৰ উন্নয়ন কৰিব নোৱাৰো তেতিয়া হ'লে আমাৰ অৰ্থনীতি কেতিয়াও উন্নয়ন নহয়। আমি বিচাৰিছো যে আমাৰ খেতিয়কৰ ভড়াল বিলাক ধানেৰে ভৰপূপ হওঁক আমাৰ খেতি পথাৰ বিলাক শস্য শ্যামলা হওঁক সেই হিচাপে ২৬০০০ হাজাৰখন ৰাজহ গাওঁ বিলাকত যি ট্ৰেক্টৰ দিয়াৰ পৰিকল্পনা কৰা হৈছে আৰু ইতিমধ্যে ১০০০০

হাজাৰ ট্ৰেক্টৰ দিয়া হৈছে। বৰ্তমান গড়কাপ্তানী বিভাগৰ যি কাম-কাজ আমাৰ "চবকা চাথ চবকা বিকাশ" নীতিয়ে প্ৰত্যকজন বিধায়ককে সমানে পইচা দি প্ৰতিটো সমষ্টিতে তেওঁলোকৰ সেই ৰাস্তা-ঘাটৰ ক্ষেত্ৰত উন্নয়ন কৰা ব্যৱস্থা কৰিছে। আজি PMGSY ৰ ক্ষেত্ৰত হওঁক আজি ৰাষ্ট্ৰীয় পথ-পুজিৰ ক্ষেত্ৰত হওঁক চৰকাৰখনে যি ধৰণে আগবঢ়াই নিছে। আজি অসমৰ ইমুৰৰ পৰা সিমুৰলৈ ৰাস্তা-ঘাটৰ ক্ষেত্ৰত এটা পৰিবৰ্তন আহিছে। আজি প্ৰত্যকটো বিভাগতে এটা কাম কৰাৰ প্ৰতিযোগীতা আহিছে। মীন বিভাগত NABARD আৰু গ্ৰাম্য আন্তঃ গাঠনি উন্নয়ণ পুজিৰে ১০০০ হেক্টৰ ভূমিত ব্যক্তিগত পুখুৰি আৰু ৪৩০ হেক্টৰ ভূমিত ৰাজহুৱা পুখুৰী খন্দাৰ বৃহত আঁচনি ৰূপায়ন কৰা হৈছে। অধ্যক্ষ মহোদয়, আজি বিশেষবাৰে আমি কব লাগিবযে আজি কেইদিন মান আগতে হৈ যোৱা Advantage Assam ৰ জৰিয়তে আজি অসমৰ মানচিত্ৰ গোটেই বিশ্বত খুৱ ভালদৰে আমি দাঙি ধৰিবলৈ সক্ষম হৈছো আৰু যি ধৰণে ইয়াত Investors আহিছিল, উদ্যোগীকৰণ কৰাৰ কাৰণে আৰু আহি যি ধৰণে আমাৰ ইয়াত প্ৰায় ২০০ চুক্তিয়ে অকল নহয় প্ৰায় ১লাখ হাজাৰ টকা ইয়াত বিনিয়োগ কৰাৰ কাৰণে তেওঁলোকে থিৰাং কৰিছে। আমি জানো যে অসমৰ পৰা বহু নিৰনুৱা যুৱক-যুৱতীয়ে অসমত কোনো ধৰণৰ কৰ্ম সংস্থাপন নাপায় তেওঁলোকে অসমৰ বাহিৰলৈ গৈ পুনে বা মুম্বাইৰ নিচিনা ঠাইত তেওঁলোকে Security Guard ৰ নিচিনা কৰ্ম কৰিবলগীয়া হৈছে। আজি আমাৰ দুখ লাগে যেতিয়া সেই সকল ব্যক্তিয়ে যি সকলে অসমত চাকৰি নাপায়, আজি অসমৰ বাহিৰত গৈ যি সৰু সুৱা Security Guard ৰ নিচিনা চাকৰি কৰে আৰু সেই লৰা-ছোৱালী বিলাকে যেতিয়া বিহুৰ সময়ত ঘৰলৈ আহিব নোৱাৰা অৱস্থা হয়, তেওঁলোকৰ মাক - দেউতাকে কিমন দুখ কৰে। আেজি আমি বিচাৰিছো যে অসমত উদ্যোগ হওঁক আৰু আমাৰ এই নিৰনুৱা যুৱক-যুৱতি সকলৰ সংস্থাপন হওঁক । অধ্যক্ষ মহোদয়, আজি NRC ৰ ক্ষেত্ৰত এইখন চৰকাৰে ভাৰতৰ মাননীয় উচ্চতম ন্যায়লয়ৰ নিৰ্দেশক যি ধৰণে সহযোগিতা আগবঢ়াইছে এই ক্ষেত্ৰত আমি শলাগ লব লাগিব। আজি আমাৰ এজন বিৰোধী দলৰ বিধায়কে কৈছে যে বৰ্তমান চৰকাৰে কাঠৰ চচমা, নীলা চচমা পিন্ধি পেলাই অকমান যাতে Discrimination নহয় সেই বিষয়ে যাতে এটা মনোযোগ আকৰ্যণ কৰিছে, আগৰ চৰকাৰে NRC ৰ ক্ষেত্ৰত কি কাম কৰিলে আমি সকলোৱে গম পাওঁ যে বৰপেটা আৰু ছয়গাওঁত Pilot Project কৰিব গৈ কি অৱস্থা হল। আৰু বৰ্তমান চৰকাৰে NRC ৰ ক্ষেত্ৰত সহযোগীতা কৰি আজি ৰঙীণ চচমাযোৰ পিন্ধি এটা ৰঙীণ সপোন দেখিছে আৰু অসমৰ ৰাইজে ইয়াক আকোৱালি লৈছে। কাৰণ বিৰোধী দলে চচমা এ নিপিন্ধে তেওঁলোকে সেই ৰঙীণ সপোন দেখিব কৰ পৰা। আজি ৰাইজে সন্তোষ প্ৰকাশ কৰিছে যে NRC খন হোৱাৰ লগে লগে অন্তত সকলো ৰাইজে ভালকৈ জীৱন যাপন কৰিব পাৰিব। অধ্যক্ষ মহোদয়, নমামী ব্ৰহ্মপুত্ৰ, নমামী বৰাক এই দুটা উৎসৱে অসমৰ নাম বহুখিনি আগবঢ়াই লৈ গৈছে। আজি ব্ৰহ্মপুত্ৰ উপত্যাকাৰ দুয়ো পাৰে থকা আমাৰ জনগোষ্ঠী সমূহৰ যি সংস্কৃতি সেইবোৰ বিকাশ পাইছে। এই ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে, সদায় যি ধৰণে কৈ থাকে ব্ৰহ্মপুত্ৰ, বৰাক, পাহাৰ - ভৈয়ামৰ এটা সম্প্ৰীতি গঢ়ি উঠিছে। আজি ক্ৰীড়াৰ ক্ষেত্ৰত অসমৰ নাম বহুখিনি আগবাঢ়ি গৈছে, আজি ভাৰত বৰ্ষৰ ভিতৰতে অসমক এখন ক্ৰীড়াৰ ৰাজধানী হিচাপে গঢ়াৰ এটা প্ৰচেষ্টা হাতত লোৱা হৈছে। আজি গ্ৰাম্য অঞ্চলত, বিশেষকৈ আমাৰ যি সমূহ প্ৰতিভা লুকাই আছে, সেই প্ৰতিভা খিনিক উলিয়াই অনাৰ ক্ষেত্ৰত চৰকাৰে পদক্ষেপ লৈছে। আজি চাহ বাগিচা সমূহত ফুটবল আয়োজন কৰিছে, বিভিন্ন ধৰণৰ ইয়াত প্ৰতিযোগীতা আৰম্ভ হৈছে। আজি বিভিন্ন বিভাগত যি কাম আমাৰ হৈছে, আমি আশা কৰিছো, নিশ্চয় অসমখন এটা নতুন দিশত আগবাঢ়িব। আমাৰ বিৰোধী দলে এটা

কথা তেওঁলোকে কৈছে যে আমাৰ ৰাজ্যখনৰ প্ৰতি মাননীয় প্ৰধান মন্ত্ৰী মহোদয়ৰ সদিস্যা নাই। প্ৰধানমন্ত্ৰী হিচাপে তেখেতৰ অসমৰ প্ৰতি যি সদিচ্ছা এটা সময়ত আছিলে, যে কেন্দ্ৰই অসমক মাহী আইৰ চকুৰে চাই । এই গোটেই পৰিবৰ্তন আহিছে, কেন্দ্ৰই অসমৰ কাৰণে বৃহৎ ধনৰ পুজি আৱণ্টন দিছে, যাৰ কাৰণে প্ৰধান মন্ত্ৰী মহোদয়ে সদায় কৈ আহিছে যে A for Assam অসম হৈছে উন্নয়নৰ সৈতে এটা নতুন ইঞ্জিন আৰু সেই ক্ষেত্ৰত তেওঁৰ যি হৃদয়ঙ্গম আৰু সৌ সিদিনা তেখেতে যে Advantage Assam ত আহিছিলে তেওঁ এটা কথা কৈছিলে যে আমাৰ সকলোৰে শ্ৰদ্ধাৰ প্ৰিয় শিল্পী ড° ভূপেন হাজৰিকা দেৱৰ এটা উদ্ধৃতি কৈছিলে যে সেই সময়তে ১৩ বছৰ বয়সতে ড° ভূপেন হাজৰিকাই এটা গীত ৰচনা কৰিছিল যে "অগ্নি যুগৰ ফিৰিঙতি মই নতুন অসম গঢ়িম" আৰু সেই ধৰণে আমি দেখিছো যে বিগত স্বাধীনতাৰ পিছত প্ৰায় ৬০ বছৰ কংগ্ৰেছে অসমত যি লুণ্ঠন চলালে, যি ধৰণে আমাৰ অসমৰ সম্পদ বিনষ্ট হল আৰু সেই দৃষ্টিত আজি বিভিন্ন ধৰণৰ সংগঠনে অস্ত্ৰ হাতত তুলি লবলগীয়া অৱস্থাৰ সৃষ্টি হৈছিল। বৰ্তমান কিন্তু চৰকাৰখনে এক পৰিবৰ্তনৰ দিশত আগবাঢ়িছে আৰু আমি আশা কৰো যে সেই ভূপেন হাজৰিকাৰ গীতেৰে মই সামৰণি মাৰিব বিচাৰিছো যে ভূপেন দাই কৈছিল যে "অসম আমাৰ ৰূপহী গুণৰো নাই শেষ" আমাৰ অসমত যিমান সম্পদ আছে হয়তো ভাৰতৰ বেলেগ ৰাজ্যত ইমান নাই। অসমৰ আজি সংস্কৃতিৰ ক্ষেত্ৰতে কওঁক বা সম্পদৰ ক্ষেত্ৰতে কওঁক অসম আজি বহু চহকী। এতিয়া অন্ততঃ ভাৰতৰ বহু উদ্যোগী বা বিনিয়োগকাৰী অসমৰ যিহেতু চিনাকী হৈছে, অসমখন বহু আগবাঢ়ি যাব। আমি আশা কৰিছো অসমখন আগবাঢ়ি যাব। মাননীয় ৰাজ্যপাল মহোদয়ে যি বক্তব্য আগবঢ়াইছিল আমি তাত পূৰ্ণ সমৰ্থন জনাইছো আৰু আমি আশা কৰিছো যে অসমখন এই ধৰণে আগবাঢ়ি যাব। এইখিনি কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আজি আৰু অলপ সময় আছে। এতিয়া শ্ৰীভূৱন পেগু ডাঙৰীয়াই কওঁক তাৰ পিছত বাকী সময় শ্ৰী কমলাক্ষ দে পুৰকায়স্থক কবলৈ দি দিম। সময় কম আছে, ৩ মিনিট মান হয় তথাপি আপোনাক ৫- ৬ মিনিট মান দিছো। তাৰ পিছত You will finish today.

**শ্ৰীভূৱন পেগু ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত আমাৰ চৰকাৰী পক্ষৰ পৰা যি খতিয়ান আনিছে তাৰ সমৰ্থন জনাই, যিহেতু সময় কম সেইবাবে মই দীঘলীয়াকৈ প্ৰত্যেকটো বিষয়ত ট্ৰাষ্ট নকৰো। কেৱল মই ইতিমধ্যে আমাৰ চৰকাৰী ফালৰ পৰা যি সকলে বক্তব্য দাঙি ধৰিছে সুন্দৰ ভাৱে কৈছে আৰু কেৱল এটা কথা মই দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে যোৱা ডেৰ বছৰ, বিশেষকৈ এতিয়া দুবছৰ হোৱাই নাই চৰকাৰ খনে যিখিনি কাম কৰিছে, সবাটোকৈ ডাঙৰ কামটো হ'ল যে এটা বাতাবৰণ সৃষ্টি কৰিছে গোটেই অসমত, এটা আশাৰ বাতাবৰণ সৃষ্টি কৰিছে, এটা পজিটিভ বাতাবৰণ সৃষ্টি কৰিছে আৰু অসমৰ মানুহক পুনৰবাৰ সপোন চাবলৈ শিকাইছে। আগতে অসমৰ মানুহে লাহে লাহে নিৰাশ হোৱাৰ আৰম্ভ হৈছিল। মই ৬ মাহৰ আগৰ দুটামান কথা আমাৰ বিৰোধী পক্ষৰ সদস্যৰ লগত চাহ খাই থাকোতে আৰু মই বাতৰি কাকততো পাইছিলো, আমাৰ মন্ত্ৰী সকল যেতিয়া বিদেশ ভ্ৰমণ কৰি বিদেশী পুঁজিক ইয়াত নিমন্ত্ৰণ জনাই, অসমত ইনভেষ্ট কৰাৰ যিটো এটা বাতাবৰণ সৃষ্টি কৰাৰ বাবে ঘুৰি ফুৰিছিল তেতিয়া বহুত মানুহৰ মুখত শুনিছিলো এই চৰকাৰী ধন লৈ বিদেশত এনেই ফুৰিবলৈ গৈছে। ফুৰ্তি কৰিব গৈছে। অসমলৈনো ক'ত ইনভেষ্টৰ আহিব ? ইয়াৰ আগত কংগ্ৰেছ চৰকাৰে ১৫ বছৰ চেষ্টা কৰিলে এটা ভাল ইনভেষ্টৰ আনিব নোৱাৰিলে, ইহতে এতিয়া ডেৰ বছৰতে গোটেই পৃথিৱীযোৱা ভ্ৰমণ কৰিছে, Road show কৰিছে কিন্তু ক'তনো আহিব ? সেই বাতাবৰণৰ পিছত সিদিনা যেতিয়া Advantage Assam Global

Summit তেতিয়াও শুনিছিলো যে গুজৰাটক দেখি ফেৰ মাৰিব ওলাইছে। অসম খনেও Global Summit পাতি কেইজন ইনভেষ্টৰ পাব? কিন্তু, এতিয়া সেই Global Summit হ'ল Advantage Assam ভাৰত বৰ্ষৰ লগতে গোটেই পৃথিৱীত অসমৰ Potential ত, অসমত যে এটা ইনভেষ্ট কৰাৰ পৰিবেশ আছে, খুব সুন্দৰ ভাৱে এইটো পৃথিৱীত দাঙি ধৰিলে। ২০০ খনতকৈও অধিক চুক্তি কৰি এক লাখ কোটি টকাতকৈও অধিক টকা ইনভেষ্ট কৰাৰ চুক্তি হৈছে। তাৰমানে এইটোয়ে আমাৰ উঠি অহা যুৱক যুৱতী সকলৰ নতুন আশাৰ সৃষ্টি কৰিছে। মোক সৌসিদিনা বেঙ্গলোৰ পৰা বহুত লৰাই ফোন কৰিছে যে এনেকে যদি অসমত ইমান ইনভেষ্ট হয়, ইমান ধুনীয়া ধুনীয়া আন্তঃ গাঠনি হয়, ডাঙৰ ডাঙৰ কোম্পানীবোৰ যদি হয় আমি বাঙ্গালোৰুত ৩০ হাজাৰ, ৪০ হাজাৰ, ৫০ হাজাৰ টকাত চাকৰি কৰি আছো, তাত খাওতে বহুত খৰচ হয়, গতিকে অসমতে থাকি আমি এতিয়া চাকৰি কৰিব পাৰিম। ইয়াত টুইন টাৱাৰ বহাব। টুইন টাৱাৰ বহাব বুলি ৬ মাহৰ আগত কথাটো ওলাইছিল, তেতিয়া মানুহে কৈছিল যে বৰ টুইন টাৱাৰ। আমেৰিকাত দেখি ডেৰ বছৰতে ফেৰ মাৰিছে। কিন্তু, সৌসিদিনা যেতিয়া চুক্তি হৈছে, যেতিয়া টুইন টাৱাৰ মডেল ইয়াত প্ৰদৰ্শণ হৈছে, তেতিয়া অকল অসমৰে নহয় বাহিৰৰ আমাৰ যিমান ছাত্ৰ-ছাত্ৰী আছে সিহঁতে কৈছে যে এতিয়া অসমৰ নিজৰ ভূমিত নিজে কষ্ট কৰি খাব পৰা ৰাস্তা ওলাব। তাৰমানে এটা পজিটিভ বাতাবৰণ। মাজত যেতিয়া যোৱাবাৰ বাজেট অধিবেশনৰ সময়ত ঘোষণা হৈছিলে ২৬০০০ ৰেভিনিউ গাঁৱত ২৬০০ ট্ৰেক্টৰ বিলোৱা হ'ব বুলি মুখ্য মন্ত্ৰী মেগামিছনৰ দ্বাৰা কওঁতে মানুহে কৈছিল এইটো ডাঙৰ ডাঙৰ কথা এনেই লিখিছে, এইটো ক'ত হ'ব? প্ৰত্যেক গাঁৱত ১কোটি ২০ লাখ টকাকে ইনভেষ্ট হ'ব, ২৬ হাজৰ গাঁৱত, তাৰমানে ৩৫০০০ কোটি টকা অসমৰ গাঁৱে গাঁৱে ইনভেষ্ট হ'ব বুলি যেতিয়া কৈছে মানুহে কৈছিলে যে বাজেটক শুৱনি কৰিবলৈ লিখিছে। এতিয়া বাস্তৱ যে ২৬০০০ গাঁৱত ট্ৰেক্টৰ দিয়াৰ পৰিকল্পনা আৰম্ভ হৈছে, এতিয়া ট্ৰেক্টৰ বিতৰণ আৰম্ভ হৈ গ'ল। এতিয়া কৃষক সকলে কৈছে, কৃষক সকলে নহ'লে ভাৱিছিলে এইবোৰ এনেই ডাঙৰ ডাঙৰ কথা কয় চৰকাৰে, চৰকাৰৰ আঁচনি কাগজত থাকিব আমিনো ক'ত পাম কিন্তু, এতিয়া গাঁৱে গাঁৱে কৃষকে আশা কৰা আৰম্ভ কৰিছে, এই কেকোৰা নাঙল ৫০০ হাজাৰ বছৰ আগৰ পৰা হাল বোৱা কাৰবাৰটো এতিয়া Modern machinery ৰ দ্বাৰা, এটা Farm Mechanism ৰ দ্বাৰা উন্নত ৰাষ্ট্ৰৰ দৰে, পাঞ্জাৱ, হাৰিয়ানাৰ ৰাজ্যৰ দৰে ট্ৰেক্টৰেৰে হাল বায় পাৰাৰ টিলাৰে হাল বায় আমিও খেতিৰ পদ্ধতি এতিয়া উন্নতি কৰিব পাৰিম বুলি আশাৰ এটা বাতাবৰণ দেখিছে। অধ্যক্ষ মহোদয়, যোৱা বাজেটত যেতিয়া অটল অমৃত যোজনা ঘোষণা কৰা হৈছিল, প্ৰত্যেক ঘৰত প্ৰত্যেক জন ব্যক্তিক ২ লাখ টকা বেমাৰ আজাৰৰ বাবে Critical illness ৰ কাৰণে কাৰ্ড দিয়া হব বুলি যেতিয়া কৈছিলে তেতিয়া বহুতে কৈছিলে ২ লাখ ২ লাখ টকা প্ৰত্যেক সদস্যক এটা এটা ঘৰত দিব বুলি শুনা নাছিলো। প্ৰত্যেক ঘৰতে প্ৰত্যেক জনকে বছৰে ২ লাখ টকাৰ Treatment ৰ কাৰ্ড দিব বুলি কওঁতে বহুতে কৈছিলে ইমান অভিলাষী আঁচনি আগত বহুত ইঞ্চুৰেঞ্চ কিবা কিবি নাটক শুনিলো এইটো চাগে এনেকুৱা এটা কাৰবাৰ। কিন্তু এতিয়া গাৱে গাৱে Registration আৰম্ভ হৈ গৈছে, গাঁৱে গাঁৱে এতিয়া মানুহে কাৰ্ড পোৱা আৰম্ভ হৈ গৈছে আৰু এতিয়া মানুহে Treatment ৰ সুবিধা পোৱা আৰম্ভ কৰিছে। এইবোৰ সপোন আছিল এটা সময়ত। যোৱা কংগ্ৰেছ চৰকাৰৰ দিনত এইবোৰ সপোন আছিল। মানুহে ভাবিলে এইবোৰ ভবা কথা। বাস্তৱ নহয় বুলি ভাবিছিলে। কিন্তু এই যে সপোন চৰকাৰ এখনে যে সপোন চাব পাৰে এনেকুৱা অসমৰ নিচিনা Land lock state ক Open up কৰি এচিয়ান দেশৰ লগত যোগাযোগ কৰাই গোটেই পৃথিৱীক ইয়াত ইনভেষ্ট কৰি এই এচিয়ান

মাৰ্কেটক Potential ক Explore কৰাৰ কাৰণে সুবিধা দিব পাৰে এইটো কেতিয়াও ভৰা নাছিলে। এতিয়া বাংলাদেশলৈ Airport লৈকে, সাগৰলৈকে আমাৰ বাট মুকলি কৰাৰ পৰিকল্পনা কৰিছে। এইখন চৰকাৰে আমাক সপোন চাব শিকাইছে। এটা সময়ত চৰকাৰী শিক্ষা ব্যৱস্থা খণ্ডটো ধ্বংস হৈ গৈছিলে, মানুহে লাহে লাহে অলপ পইচা থাকিলেই বা সক্ষম হলেই চৰকাৰী ব্যৱস্থাত নপঢ়াই কৰাবাত প্ৰাইভেট স্কুলত পঢ়োৱাৰ ব্যৱস্থা আৰম্ভ কৰিছিলে। চৰকাৰী স্কুল গাঁৱত সকলোতকে পিছপৰা বুলি ভাবিবলৈ ধৰিছিল। কিন্তু চৰকাৰে আমাক সপোন চাবলৈ শিকাইছে গুণোৎসৱ পাতি। কৈছে আমাৰ গাঁৱে ভূৱে প্ৰত্যেকটো ব্যক্তিয়ে স্কুল খনৰ লগত জড়িত হওক, এই অনুষ্ঠানটোৰ লগত জড়িত হওঁক, যিটো অনুষ্ঠানত আমাৰ লৰা ছোৱলী পঢ়ি মানুহ হ'ব এই অনুষ্ঠানটোক পুনৰ গঢ়িবলৈ এই চৰকাৰে আজি আমাক বিশ্বাস জন্মাইছে। গুণোৎসৱৰ সময়ত বহুত সমালোচনা শুনিছিলো যে এই বোৰ কি হ'ব ? নাটক এনেই। কিন্তু এতিয়া চৰকাৰী স্কুলত যেতিয়া যাওঁ, যেতিয়া গাৱত যাওঁ দেখো স্কুলবোৰত নতুনকৈ ৰং দিছে, জনগনেই কৰিছে, চৰকাৰে পইচা দিয়া নাই। ৰাইজক জড়িত কৰাই, ৰাইজে কোনোৱাই ৰং দিছে, কোনোৱাই বেৰা দিছে, ফুল ৰুইছে, শিক্ষক সকল জড়িত হৈছে, অভিভাৱক সকল জড়িত হৈছে, চৰকাৰী বিষয়া সকল জড়িত হৈছে, বিধায়ক মন্ত্ৰী সকল জড়িত হৈছে, তাৰমানে সমাজৰ সকলো স্তৰৰ মুখ্য সচিব পৰা আৰম্ভ কৰি, মুখ্য মন্ত্ৰীৰ পৰা আৰম্ভ কৰি গাঁৱৰ সাধাৰণ কৃষক জনেও এই স্কুলখন পুনৰ গঢ়াৰ কাৰণে জড়িত হৈছে। এইটো সপোন নহয় কি ? এই সপোনবোৰ আমাক চাব শিকাইছে আৰু এই সপোন বাস্তৱ হোৱাৰ কাৰণে আমাক এটা প্ৰেৰণা যোগাইছে এই চৰকাৰ খনে। মই ভাৱো যে আৰু বহুত বিষয় আছে মই ট্ৰাচ নকৰো কিন্তু এটা বিষয় অধ্যক্ষ মহোদয় ট্ৰাচ নকৰিলে নহব, আমাৰ লৰা ছোৱালী এতিয়া এটা নতুন সপোন চাইছে যে আমি আমাৰ ঠাইতে নিজে সক্ষম হৈ কিবা এটা কৰি খাব পৰাকে অসমতো কিবা এটা কৰি খাব পৰাকে, ভাৰত বৰ্ষতো কিবা এটা কৰি খাব পৰাকে, বিশ্বটো কিবা এটা কৰি খাব পৰাকে আমাক চৰকাৰে বাট দেখুৱাইছে বুলি এই স্কীল চিটি ডেভলপমেন্ট কৰাৰ কাৰণে যি পৰিকল্পনা লৈছে, স্কীল ডেভলপমেন্ট চেন্টাৰ যিখিনি ডেভলপমেন্ট হৈছে, তাৰমানে আমি এতিয়া অকল চিকিউৰিটি গাৰ্ডৰ কাৰণে যোগ্য হৈ আছো। কৰ'বাত কিবা এটা কাম কৰাৰ কাৰণে কেৱল আনস্কীল কামৰ বাবে যোগ্য হৈ আছো। এতিয়া এইখন চৰকাৰে এটা Massive programme লৈছে, চিংগাপুৰৰ Instituation লগ হৈ হওঁক, আমাৰ চেমচাং হওক, আমাৰ লেকমি ইণ্ডিয়া হওঁক, হুণ্ডাই হওঁক, টাটা মটৰচ হওঁক, মাৰুতি হওঁক সকলোৰ লগত যোগ হৈ আমাৰ লৰা ছোৱালী সমূহক ৩০০ তকৈ অধিক Skill development centre develop কৰি সেই Skill development centre বোৰত আমাৰ লৰা ছোৱালীক সক্ষম কৰি মানৱ সম্পদক সমৃদ্ধিশালী কৰি পৃথিৱী জয় কৰিব পৰাকৈ প্ৰস্তুতি কৰাৰ পৰিকল্পনা কৰিছে এইখন চৰকাৰে। এই কথাবোৰ যেতিয়া ৰাজ্যপালৰ ভাষণত পাঠ কৰি শেষ কৰিব নিদিলে ঘৰত গৈ পঢ়িলো। যদি পাঠ কৰি শেষ কৰিব দিলে হেতেন ভালদৰে মনযোগ দি শুনিলে হেতেন, সকলোৱে কথাবোৰ গম পালে হেতেন, এতিয়া ওপৰে ওপৰে চৰকাৰ খনক বিৰোধী হিচাপে সমালোচনা কৰিব লাগে কাৰণে কৰিছে। কিন্তু এইটো যদি ভালদৰে প্ৰত্যেকটো দফা পঢ়ে মই ভাৱো যে যোৱা বাজেট অধিবেশনত যিখিনি কথা কোৱা হৈছে সেইখিনি এতিয়া বাস্তৱ সন্মতভাৱে কাৰ্যকৰী কৰাৰ কাৰণে পৰিকল্পনা ডেৰ বছৰত আৰম্ভ হৈছে। যিটো কাম ১৫ বছৰত কংগ্ৰেছ চৰকাৰে কৰিব পৰা নাছিলে, বৰঞ্চ সপোন চোৱাটো আমাক বন্ধ কৰি দিছিল অসমৰ ৰাইজক। অধ্যক্ষ মহোদয়, শেষ কৰাৰ আগতে এটা সুন্দৰ কথা কওঁ অসমৰ ৰাইজে এটা সময়ত আশা কৰিছিলে যে আমাৰ দক্ষ্য আমাৰ যিখিনি গুনি জ্ঞানী ছাত্ৰ-ছাত্ৰী য়ে কিবা এটা চাকৰি পইচা

পাতি নিদিয়াকে কাৰোবাক খাতিৰ নকৰাকৈ পাম বুলি যিটো এটা পৰিবেশ পালে অধ্যক্ষ মহোদয়, মই শেষ কৰিছো এটা খুব সুন্দৰ কথাৰে আমাৰ যিখিনি দক্ষ গুনী জ্ঞানী ছাত্ৰ-ছাত্ৰী আছে তেওঁলোকে এটা চাকৰি পাব, পইচা পাতি নিদিয়াকৈ কাকো খাতিৰ নকৰাকৈ। কিন্তু সেই পৰিবেশ নাইকীয়া হৈ গৈছিল । মানুহে ভাবিছিল যে, এই চৰকাৰৰ দিনত আৰু আশাঁ নাই। এ চি এচ হবলৈ বা ডাঙৰ অফিচাৰ হবলৈ পইচা লাগিবই বিশ লাখ, ত্ৰিশ লাখ, ইয়াত আৰু আশাঁ নাই। যদি চাকৰি লাগে পইচা লাগিবই। কিন্তু এই বাতাবৰণ সলনি হ'ল যেতিয়া এ পি এচ চি চেয়াৰমেনকে ধৰি কেলেংকাৰী বিষয়া সকলক জেলত ভৰাই দিলে । আমাৰ এতিয়া নতুন প্ৰজন্মই ভাৱিব ধৰিছে যে, আমি এতিয়া নিজৰ যোগ্যতাৰ ভিত্তিত চাকৰি পাব পাৰো। সক্ষমতাত চাকৰি পাব পাৰো, এটা পৰিবেশ সৃষ্টি হৈছে। মই সেইকাৰণে ৰাজ্যপালৰ ভাষনত যি কথা আছে তাৰ বাবে চৰকাৰখনক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো। অসমৰ জনগণক আৰু অসমৰ উঠি অহা প্ৰজন্মক পুনৰ সপোন চাবলৈ শিকাইছে তাৰ বাবে চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো আৰু সেই সপোন বাস্তৱত পৰিণত কৰাৰ বাবে আমাক যি কামত লগাইছে তাৰ বাবে ধন্যবাদ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**শ্ৰী আব্দুল খালেক ঃ** গানটো শুদ্ধ কৰি দিব চাৰ ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কমলাক্ষ্য দে পুৰকায়স্থ । মই এইটো শুদ্ধ কৰি দিম। বক্তব্যটোত যিটো আপুনি দেখুৱাই দিছে অগ্নি যুগৰ ফিৰিঙতি গানটো লিখিছিলে জ্যোতিপ্ৰসাদ আগৰৱালাই আৰু গাইছিলে ভুপেন হাজৰিকাই।

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ ঃ** ধন্যবাদ অধ্যক্ষ মহোদয়, মহামান্য রাজ্যপালের ভাষণের ওপর যে ধন্যবাদসূচক প্রস্তাব দেওয়া হলো, তার তীব্র বিরোধিতা করে ভাষণ রাখছি আমি।

মাননীয় অধ্যক্ষ মহোদয়, মহামান্য রাজ্যপালের বাজেট অধিবেশনের বক্তব্যের বইটি যখন খুলে পড়তে শুরু করলাম, প্রথমেই চোখের সামনে এলো 'অ্যাডভান্টেজ অসম'। আমরা ব্যক্তিগতভাবে খুবই খুশি। অসমবাসী হিসাবে আমরা গর্ববোধ করি যে 'অ্যাডভান্টেজ অসমে'র মাধ্যমে, বিশ্বের বিনিয়োগকারী সম্মেলনের মাধ্যমে এখানে বিনিয়োগ হবে। অসমের উপকার হবে, অসমের উন্নয়ন হবে। এবং অসমের উন্নয়নের জন্য, এই রাজ্যের উন্নয়নের জন্য আমাদের যে ত্যাগ স্বীকার করতে হয়, সেই ত্যাগ স্বীকার করব আমরা। সে জন্য আমরা খুশি এবং বর্তমানেও খুশি। অসমে বিনিয়োগ হোক, ছেলেমেয়েদের উন্নয়ন হোক। ওদের স্থায়ী কর্মসংস্থানের ব্যবস্থা হোক।

মাননীয় অধ্যক্ষ মহোদয়, 'অ্যাডভান্টেজ অসম' মানে কী নগাঁওয়ের কাগজকল, কাছাড়ের কাগজকল বন্ধ হয়ে যাওয়া? অসমের যে সব প্রতিষ্ঠান এক এক করে বন্ধ হয়ে যাচ্ছে, সেগুলির দিকে নজর দিচ্ছি কি আমরা? সেটাই আমার প্রশ্ন। আমার প্রশ্ন হচ্ছে, এই যে নগাঁও এবং কাছাড় কাগজকলের যারা শ্রমিক রয়েছেন, তারা আজ আত্মহত্যা করতে বাধ্য হচ্ছেন। বারবার বিধানসভায় মন্ত্রী মহোদয়ের কাছে— মন্ত্রী অনেক ভাল ভাল কথা বলেন, যদিও সব মন্ত্রীর কথাবার্তা উনিই বলেন, তারপরও উনি খুব ভাল কথা বলেন। কিন্তু উনাকে বারবার বলা সত্ত্বেও আমরা দেখতে পাচ্ছি না যে ওই শ্রমিকদের নিয়মিত বেতন প্রদানের জন্য কোনও পদক্ষেপ নেওয়া হয়েছে। আমরা 'অ্যাডভান্টেজ অসম' দেখে খুশি, আমরা দেখি আরও ভাল ভাল জিনিস— 'সবকা সাথ সবকা বিকাশ', 'সুশাসন', সেগুলি বইয়ে পড়া হলো ভাল লাগে, সেগুলি থাকাও দরকার। কিন্তু বিষয় হচ্ছে, আজ এই যে অবস্থা, আমাদের যেগুলো শিল্প প্রতিষ্ঠান রয়েছে, যে প্রতিষ্ঠানগুলি ধ্বংস হয়ে যাচ্ছে, যে সব প্রতিষ্ঠানে এক থেকে দেড় লক্ষ লোকের কর্মসংস্থানের ব্যবস্থা রয়েছে, আমরা তো সে দিকে নজর দিচ্ছি না। অতএব, আমি মনে করি, অ্যাডভান্টেজ অসম হোক, আমাদের তাতে কোনও আপত্তি

নেই। কিন্তু কাছাড় কাগজকল, নগাঁও কাগজকলকে পুনরুজ্জীবিত করতে সরকার যাতে পদক্ষেপ নেয়। পজিটিভ ব্যবস্থা নিক। প্রত্যেকবার আমরা প্রশ্ন করার পর জবাব পাই, সরকার সে নিয়ে আন্তরিক। প্রতিটি বিভাগের জবাবে বলা হয় যে আমরা আন্তরিক, হ্যাঁ সবাই আন্তরিক। আন্তরিকতা যে কারও নেই, সেটা আমরা বলছি না। কিন্তু কীভাবে আন্তরিক? সেটা কী আন্তরিকতা যে কাগজকলগুলি বন্ধ হয়ে যাক? আন্তরিকতা কী সেটা যে তাদের পরিবারগুলি আত্মহত্যা করতে বাধ্য হোক? তাই সে দিকে যাতে নজর দেওয়া হয়, সেটা আমার দাবি।

**কৃষ্ণেন্দু পালঃ**— কংগ্রেস বরবাদ করেছে কাগজকল।

**কমলাক্ষ দে পুরকায়স্থঃ**— হ্যাঁ ,আমরা বরবাদ করেছি। ব্যাপার সেটা নয়, পরিবর্তনের আশা যেহেতু দেওয়া হয়েছে, তাই আমরা চাই পরিবর্তন, আমরা চাই উন্নয়ন। বিশেষ করে মাননীয় মন্ত্রী, শিল্পমন্ত্রী চন্দ্রমোহন পাটোয়ারি মহাশয় খুব সুন্দর কথা বলেন, যে সিন্ডিকেটরাজ বন্ধ করতে হবে এবং জিরো টলারেন্স— এই সরকারের দিনে এক টাকারও সিন্ডিকেট হবে না। সিন্ডিকেটে আমাদের সরকারের তৎপরতা থাকবে না। ব্যক্তিগতভাবে আমি খুবই খুশি আপনাদের এই সিদ্ধান্তের জন্য। কিন্তু বাস্তবে কী চলছে? আমাদের কয়লার যে গাড়িগুলি করিমগঞ্জ দিয়ে যায়, দিঘরখালে একটি গাড়ি থেকে ৭০০০ টাকা নেওয়া হয়। সেটা আমার কথা নয়, প্রতিদিন নিউজ চ্যানেলে যখন দেখানো হলো।

............ (সদনে হুলুস্থূলে পরিৱেশ সুরু হলো).......

**কমলাক্ষ দে পুরকায়স্থঃ**— সেটা ফাইন নয়, সেটা অন্য ব্যাপার, আমাকে বলতে দিন...

প্রতিদিন নিউজ চ্যানেলে যখন দেখানো হলো, সেই যে মিডিয়ার ভাই, তাঁর বিরুদ্ধে পুলিশে মামলা করা হলো। কিন্তু প্রকাশ্যে দেখানো হলো টিভিতে যে পুলিশ টাকা আদায় করছে কিছু স্থানীয় যুবকদের সহযোগিতায়। বিষয়টি হচ্ছে যে একটি গাড়ি থেকে যদি ৭০০০ টাকা করে নেওয়া হয় এবং সেই গাড়ি করিমগঞ্জে যাওয়ার পর সেই গাড়ি থেকে যদি করিমগঞ্জ প্রশাসন ২০০০ টাকা করে নেয়, তাহলে সুশাসন কোথা থেকে এলো? আপনি বলছেন যে সিন্ডিকেটরাজ বন্ধ করা হবে। এটা কী সিন্ডিকেটরাজ বন্ধ করার প্রয়াস? আজ আমরা খুশি হয়েছিলাম এই সরকারের তৎপরতায় গেটগুলি বন্ধ হয়েছে। আমরা খুশি যে আপনারা ভাল সিদ্ধান্ত নিয়েছে। কিন্তু যে গেটগুলি বন্ধ করা হয়েছে, সেই গেটগুলিতে আবার টাকা তোলা হচ্ছে এবং অতিরিক্ত আরও গেট খোলা হয়েছে। আমার কাছে তথ্য রয়েছে। আমি তথ্য দেব লিখিতভাবে যে কোন কোন স্থানে অতিরিক্ত গেট বসানো হয়েছে। সরকারের তৎপরতায় গেট বসানো হয়েছে এবং সেখান থেকে টাকা তোলা হচ্ছে। সেটা কী সুশাসন, সেটা কী পরিবর্তন, সেটা কী জিরো টলারেন্স? অতএব আমি চাই বিধানসভায় যে কথাগুলি বলা হয়, সেগুলি যাতে বাস্তব রূপ পায়। মাননীয় অধ্যক্ষ মহোদয়, আমি একটি কথা বলতে চাই, সেটা আমার কথা নয়। আমাদের মাননীয় উপাধ্যক্ষ মহোদয় বলেছেন, করিমগঞ্জে, আমাকে বলতে দিন।

**শ্রী চন্দ্রমোহন পাটোৱাৰী, মন্ত্রী ঃ** অধ্যক্ষ মহোদয়,এটা মাত্র ক্লিয়াৰফিকেচন, প্ৰথম কথাটো হ'ল, কাগজ মিলৰ কথা কৈছিল,এডভাণ্টেজ আচামৰ কথা কৈছিল, কাগজ মিলৰ কাৰণে ভাৰত চৰকাৰৰ হেভি ইণ্ডাচট্ৰি মিনিষ্টাৰিয়ে বৰ্তমান এইটো ঠিক ঠাক কৰিছে,থাৰ্ড পাৰ্টি মেনেজমেণ্টৰ কাৰণে তেওঁলোকে ইউ আই কল কৰিছে গতিকে কথাখিনি তথ্য সহকাৰে কলে ভাল হয়। দিত্বীয়তে, এই যে চেক গেট বহুৱা হৈছে কিন্তু চেক গেট কতো বহুৱা নাই।যিহেতুকে আমাৰ পুলিচ ট্ৰান্সপোৰ্ট

চেলটেক্স আছে। এই অভাৰ লোড বিলাক যাব নোৱাৰে যিহেতুকে ৰোড চেপটিৰ কথা আছে। এই ৰোড চেপটিৰ কথাটো  কথাটো ছুপ্ৰিম কোৰ্টে  নিৰিক্ষণ কৰি আছে।

**কমলাক্ষ দে পুরকায়স্থঃ**— এভাবে যদি সময় নেওয়া হয়, তাহলে আমরা কথা বলতে পারব না। বিষয়টি হচ্ছে, সেই কথাগুলি প্রথম দিন থেকেই বিধানসভায় শুনছি, আজ অবধি শুনে যাচ্ছি। আমি শুধু একটি কথা বলতে চাই

**মাননীয় অধ্যক্ষ ঃ** Allow to speak.

**কমলাক্ষ দে পুরকায়স্থঃ** মধুরা কোয়ারি দুর্নীতির আখড়ায় পরিণত হয়েছে। সেখান থেকে পাথর সংগ্রহ করা হয়। হাইকোর্টের নির্দেশকে অবমাননা করে সেখান থেকে পাথর সংগ্রহ করা হচ্ছে। ৬০ হাজার কিউবিক মিটার পাথর সংগ্রহ করা হবে সেখান থেকে। কিন্তু প্রতিদিন একশো থেকে দেড়শো ট্রাক সেখান থেকে বের হয়। চালান ছাড়া বের হয়, সেখানে কোনও রাজস্বও জমা পড়ে না। এই যে অবৈধ সংগ্রহ চলছে, আট-নয় বছর ধরে এক এক অফিসার রয়েছেন এক একটি ফরেস্ট গেটে। কালাইনের রেঞ্জার নয় বছর ধরে একই পদে রয়েছেন। এই যে মধুরা কোয়ারিতে দুর্নীতি চলছে, আজ অবধি এর তদন্ত হয়নি। আমরা মন্ত্রী মহোদয়কে বলেছি, মন্ত্রী বলেছেন— আমরাও জানি, সেখানে খুব দুর্নীতি চলছে এবং কয়েক জন বিধায়কও জড়িত রয়েছেন। কিন্তু আমাদের হাত বাঁধা। what does it mean? হাত বাঁধা মানে কী ? আপনারা দুর্নীতি করবেন, সরকার দুর্নীতি করতে মানুষকে সহযোগিতা করবে। তারপরও আপনারা বলছেন যে হাত বাঁধা, সেটা দুঃখজনক ব্যাপার। অধ্যক্ষ মহোদয়, আমরা যখন কথা বলি, যাদের গায়ে লাগে তারা উল্টো কথা বলেন। বিষয়টি হচ্ছে কে কী করছে, কোন দিকে সরকার চলছে, কোন দিকে সুশাসন, কোন দিতে পরিবর্তন মানুষ কিন্তু সেটা ভাল করে বুঝতে পারছেন। অধ্যক্ষ মহোদয়, বিগত দিনে আমরা দেখেছি নমামি বরাক, নমামি বহ্মপুত্র...

**মাননীয় অধ্যক্ষঃ** Let him Alow.

**কমলাক্ষ দে পুরকায়স্থঃ** — বলা হচ্ছে যে আমাদের আইন-শৃঙ্খলা খুবই ভাল। ভাল যদি হয়ে থাকে, তাহলে সকলের জন্যই ভাল। আমরা চাই, আইন-শৃঙ্খলা পরিস্থিতি ভাল হোক। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, যদি পর্যালোচনা করা যায়, তাহলে দেখা যাবে সেন্ট্রাল ক্রাইম রেকর্ডের হিসাবে হরিয়ানার পর সেকেন্ড পজিশনে রয়েছে অসম। অসমের আইন-শৃঙ্খলা পরিস্থিতির অবস্থা হরিয়ানার পরই। সেখানে বলা হচ্ছে, আমাদের আইন-শৃঙ্খলা ভাল, আমরা ভাল কাজ করছি। কয়েকদিন আগে ডিমা হাসাও জেলায় গিয়েছিলাম, সেখানে জগদম্বা মল, গত ১৯ তারিখে একটি বক্তব্য দিয়েছিলেন। এরপর সেখানে একটি পরিবেশ তৈরি হয়, প্রতিবাদী আন্দোলন হয়। আপনার অবগতির জন্য জানাচ্ছি, ২৫ তারিখ বারো ঘণ্টার জন্য বন্ধ আহ্বান করা হয় সেখানে এবং প্রায় শেষ মুহূর্তে, বন্ধ যখন প্রায় দু-ঘণ্টা রয়েছে তখন গুলিচালনা হয়। এর চার দিন আগে জেলাধিপতিকে গিয়ে বলা হয়েছে  আপনি স্পষ্টীকরণ দিন, জগদম্বা মল যে কথাগুলি বলেছেন আমরা এর স্পষ্টীকরণ চাই। আমরা অসমের সঙ্গে থাকতে চাই, নাগাল্যান্ডের সঙ্গে যেতে চাই না। আমরা বাই চয়েস অসমের সঙ্গে রয়েছি। তাদের ন্যায্য দাবিগুলির কথা বলা হয়েছিল। এরমধ্যে বলা হয়েছিল, জেলাশাসক ২৫ তারিখের মধ্যে স্পষ্টীকরণ দেবেন। কিন্তু তিনি স্পষ্টীকরণ দেননি এবং যে মেমোরেন্ডাম দেওয়া হয়েছিল, সেই মেমোরেন্ডামও তিনি গ্রহণ করেননি। কিন্তু ২৫ তারিখ যখন ওরা রেল বন্ধ কার্যসূচি হাতে নিল, সেই জেলাশাসক তখন প্রায় ৬৫ কিমি ট্র্যাভেল করে গেলেন এবং সেখানে গিয়ে বন্ধ

শেষ হওয়ার প্রায় দু-ঘণ্টা আগে গুলিচালনার নির্দেশ দিলেন এবং সেখানে দুজন লোককে গুলি করে হত্যা করা হলো। তারপরও বলা হচ্ছে, অসমের আইন-শৃঙ্খলা পরিস্থিতি খুবই ভাল। দুঃখ হয়, অধ্যক্ষ মহোদয়, যখন দিনের বেলা কেউ কালো চশমা পরে থাকে। যেগুলি সত্য ঘটনা রয়েছে, অসমের উন্নয়নের জন্য যে ঘটনাগুলি ঘটে যাচ্ছে, সেই প্রকৃত ঘটনাগুলি আমাদের বলতে হবে বিধানসভায়। বিধানসভায় বলব এবং আমি মনে করি, বিধানসভায় বলার পর অধ্যক্ষ মহোদয় এবং মন্ত্রী মহোদয় এখানে থাকবেন, তারা সেটার ওপর পজিটিভ স্টেপ নেবেন। এবং পজিটিভ স্টেপ নিলেই অসমে 'সবকা সাথ সবকা বিকাশ' হবে। সুশাসন হবে, না হলে আমি মনে করি এই ধরনের মানসিকতা নিয়ে সুশাসনের চিন্তা আমরা করতে পারি না।

**মাননীয় অধ্যক্ষ ঃ** মই ১০ মিনিটত শেষ কৰিবলৈ কৈছিলো। ঠিক আছে আৰু ৩-৪ মিনিটত শেষ কৰক। ইতিমধ্যে দুই বাজিলেই, আজিয়েই শেষ কৰিলে ভাল কাৰণ কাইলৈ সময় খুব কম আছে। গতিকে মই পাঁচ মিনিট সদনৰ সময় বঢ়াই দিছো। আপুনি কৈ শেষ কৰি দিয়ক।

**কমলাক্ষ দে পুরকায়স্থঃ** — লাস্ট একটি কথা বলছি। আমার অনেকগুলি কথা বলার ছিল। বিশেষ করে স্কিল ইন্ডিয়ার কথা বলা হয়, সেটা ভাল জিনিস। আমার আগের বক্তা বলেছেন যে অনেকগুলি সেন্টার খোলা হয়েছে। কিন্তু স্কিল ইন্ডিয়া, আমিও গিয়েছিলেন। আমি গিয়ে যতটুকু পারি, ওদের মোটিভেট করার চেষ্টা করেছি। বক্তব্য দিয়েছি। তারপর স্কিল ইন্ডিয়া থেকে নিজেদের যোগ্যতা আহরণের পর তাদের রিপ্লেসমেন্ট দেওয়া হয়নি আজ অবধি। যদি রিপ্লেসমেন্ট না পায়, সেটা কী ডেভেলপমেন্ট? আমি মনে করি ডেভেলপমেন্ট তখনই হবে আমরা যখন কথাবার্তা বলব এবং পজিটিভ ওয়েতে কাজ করবেন মন্ত্রী মহোদয়রা। শুধু নিজেকে ডিফেন্ড দেওয়ার জন্য নয়, পজিটিভ ওয়েতে যখন কাজ করবেন, তখন অসমের ডেভেলপমেন্ট হবে। না হলে অসমের ডেভেলপমেন্ট হবে না।

নমস্কার, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ The House is now adjourned today till tomorrow 9.30 A.M.**